● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক


# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

আপোনাৰ জীৱনৰ সবাতোকৈ বেদনাদায়ক অভিজ্ঞতাই আপোনাক বিশিষ্ট ব্যক্তিলৈ ৰূপান্তৰিত কৰিব পাৰে অথবা নিঃশেষ কৰি পেলাব পাৰে।

মিচেল ৰুইজ
*আমেৰিকাৰ উদ্যমী*



www.dainikagradoot.in


৫ উভতি যাওঁ আকৌ দুচকীয়া চাইকেললৈ
১৫ ৰোহিত ভাৰতৰ নতুন টেষ্ট অধিনায়ক
৪ অস্তিত্বৰ স'তে সংলাপ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৩৩তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ৭ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২০ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 20 February 2022 মূল্য ঃ ৯.০০ টকা

## প্ৰায় নিৰপেক্ষ

ধীমান সিন্‌হাৰ পযেকীয়া কলম

### ১। ৰাজ্যত বিনিয়োগৰ প্ৰচেষ্টা



ৰাজ্যৰ বিত্তীয় পৰিস্থিতি সম্পৰ্কে দুটা মত। পৰিসংখ্যাৰ হিচাপত ৰাজ্যৰ ঋণৰ পৰিমাণ অতিপাত বৃদ্ধি পোৱা বুলি পৰিসংখ্যা ওলাই থাকে, বিৰোধী দলেও সেয়া উদ্ধৃত কৰে মাজে মাজে। ইফালে চৰকাৰৰ জনপ্ৰিয় প্ৰত্যক্ষ বিত্তীয় সাহায্য আঁচনিবিলাক, যিবোৰ অৰ্থনীতিৰ তাত্ত্বিক দৃষ্টিকোণৰ পৰা গ্ৰহণযোগ্য নহয়। বিশেষকৈ ক্ষুদ্ৰ ঋণ মাফিৰ যি বিৰাট বোজা ১০ পৃষ্ঠাত চাওক

## গোলকগঞ্জত বিজেপি নেতাৰ আত্মহত্যাৰ ছদিনৰ পাছতো গ্ৰেপ্তাৰ হোৱা নাই অভিযুক্ত ■ বজৰং দল-হিন্দু পৰিষদৰ উত্তাল প্ৰতিবাদ

# অভিযুক্ত প্ৰভাৱশালী ঃ মৌন আৰক্ষী

■ ব্লেকমেইলিঙত অভিযুক্ত বিজেপি নেতাসহ পলাতক পাঁচজন ■ আৰক্ষী কনিষ্টবলক ৰিজাৰ্ভ ক্ল'জড কৰিয়ে দায়িত্ব সামৰাৰ অভিযোগ উত্থাপন

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ১৯ ফেব্ৰুৱাৰী ঃ** আৰক্ষী আৰু দলীয় সতীৰ্থৰ ব্লেকমেইলিঙৰ বলি হৈ গোলকগঞ্জত স্বৰ্ণ ব্যৱসায়ী তথা বিজেপি নেতা কাৰ্তিক কৰ্মকাৰৰ আত্মহত্যাৰ ঘটনাৰ তদন্ত এই পৰ্যন্ত আগবঢ়া নাই। ঘটনাৰ ছটা দিন অতিবাহিত হোৱাৰ পাছতো গোলকগঞ্জ আৰক্ষীয়ে এই পৰ্যন্ত গ্ৰেপ্তাৰ কৰিব পৰা নাই ঘটনাৰ ছয় অভিযুক্তক। মৃত কৰ্মকাৰে মুখ্যমন্ত্ৰীলৈ উদ্দেশ্য ১০ পৃষ্ঠাত চাওক




*উপাচাৰ্য-পঞ্জীয়কক ঘেৰাও কৰি কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উত্তাল প্ৰতিবাদ, শনিবাৰে।*

## বিবাহৰ ১৩ দিন পাছতে আত্মহত্যাৰ ঘটনা

# সুতখোৰৰ হেঁচাত দিশহাৰা হৈ ইহজীৱন এৰিলে পঞ্চায়ত কৰ্মচাৰী কেশৱে

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**




**নলবাৰী, ১৯ ফেব্ৰুৱাৰী ঃ** বিপুল পৰিমাণৰ ঋণৰ বোজা সহিব নোৱাৰিয়ে বিবাহৰ মাত্ৰ ১৩ দিনৰ পাছতে আত্মহত্যাৰ পথ বাচি ল'লে নলবাৰীৰ এজন যুৱকে। নলবাৰী জিলাৰ বুদ্ৰুকুছিৰ ভয়ৰা নিবাসী পঞ্চায়ত কৰ্মচাৰী, অমায়িক যুৱক কেশৱ শৰ্মাই ১০ পৃষ্ঠাত চাওক

## মুখ্যমন্ত্ৰী ড° শৰ্মাৰ স'তে বাৰ্তালাপত গতি

# আলোচনাৰ মেজলৈ সাজু কেএলঅ'ৰ জীৱন সিংহ


**ষ্টাফ ৰিপ'ৰ্টাৰ**



**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ উদ্যোগত শীঘ্ৰে আলোচনাৰ মেজত বহিবলৈ সাজু হৈছে কামতাপুৰ লিবাৰেছন অৰ্গেনাইজেছন (কে এল অ')ৰ স্বয়ম্ভু মুৰব্বী জীৱন সিংহ। শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ১০ পৃষ্ঠাত চাওক

# 'বাৰ্থ ডে' পাৰ্টিৰ পৰা ওভতাৰ পথত পকেটৰ মদৰ বটল ভাঙি দুৰ্ঘটনাত মৃত্যু

■ চাৰি বন্ধুক মহানগৰ আৰক্ষীৰ সোধ-পোছ
■ হত্যাৰ অভিযোগ মৃতকৰ পৰিয়ালৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** মহানগৰীত যোৱা নিশা সংঘটিত ঘটনাত এজন যুৱকে কৰুণ মৃত্যুক সাবটি লয়। প্ৰাপ্ত তথ্য অনুসৰি পাঁচজন বন্ধুৱে 'বাৰ্থডে' পাৰ্টি'ত সুৰামত্ত হৈ ঘৰলৈ উভতাৰ পথত এজন বন্ধুৱে উজুটি খাই পৰি দুৰ্ভাগ্যজনক মৃত্যুক আঁকোৱালি লোৱা ঘটনাই সম্প্ৰতি সমগ্ৰ চান্দমাৰি অঞ্চলত শোকৰ ছাঁ পেলাইছে। আকস্মিক দুৰ্ঘটনাত মৃত্যু হোৱা যুৱকজন নিজৰাপাৰৰ মনজিৎ ডেকা (২৩) বুলি আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে অত্যধিক মদ্যপান কৰাৰ ফলতে ১০ পৃষ্ঠাত চাওক



## পৰিবহণৰ ১০টা সেৱা মুকলি মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** 'ৰাজ্য চৰকাৰে ৰাইজৰ সুবিধাৰ্থে সুচল ১০ পৃষ্ঠাত চাওক

■ ভুল দিশেৰে মহানগৰীত চলাচল কৰা যানবাহনৰ বাবে দায়ী কোন ■ আৰক্ষীৰ গাফিলতি নে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ দায়বদ্ধতাৰ অভাৱতে সংঘটিত হয় দুৰ্ঘটনা

# কাৰ দোষত অকালতে পিতৃহাৰা হ'ল দুটি সন্তান



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** কাৰ দোষত জীৱনৰ মাত্ৰ ৫২ বছৰ বয়সত মহানগৰীৰ আমিনগাঁও, ইষ্ট কল'নীৰ স্থানীয় বাসিন্দা শম্ভু দেই শুকুৰবাৰে পুৱা ৰাষ্ট্ৰীয় ঘাইপথত মৃত্যুক আঁকোৱালি ল'বলগীয়া হ'ল? একমাত্ৰ পুত্ৰ ৰাহুল দে আৰু ১০ পৃষ্ঠাত চাওক

# কুখ্যাত চুপাৰি মাফিয়া আলতাফ, জাকিৰক গ্ৰেপ্তাৰ

আত্মসমৰ্পণৰ বাবে শিলচৰ বিমানকোঠত উপস্থিত হৈছিল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** কাছাৰ আৰক্ষীৰ ম'ষ্ট ৱাণ্টেড চুপাৰি মাফিয়া তথা দীৰ্ঘদিন পলাতক হৈ থকা আলতাফ হুছেইন আৰু জাকিৰ ১০ পৃষ্ঠাত চাওক



# বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা চিকিৎসাধীন অপৰাধীৰ পলায়ন

## গুলিবিদ্ধ অৱস্থাতে হাতকেৰেয়া কাটি পলাল গাঞ্জা সৰবৰাহকাৰী

বিশেষ সংবাদদাতা

**বৰপেটা ১৯ ফেব্ৰুৱাৰী ঃ** এজন গুলিবিদ্ধ অপৰাধীয়ে আৰক্ষীৰ চকুত ধূলি দি চিকিৎসালয়ৰ পৰা পলায়ন কৰা ঘটনাই সম্প্ৰতি বৰপেটাত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কোকৰাঝাৰত আৰক্ষীৰ গুলিত আহত হৈ চিকিৎসাধীন অৱস্থাত থকা ধৃত গাঞ্জা সৰবৰাহকাৰী এজনে যোৱা নিশা বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা পলায়ন কৰে। আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ২০ ফেব্ৰুৱাৰী, দেওবাৰ ২০২২ পৃষ্ঠা তিনি

## কথমপি ৰক্ষা বহু পশুধনসহ সৰিয়হ খেতি

# তামুলপুৰৰ তেঁতেলিগুৰিত শস্যভূমিত জুই



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১৯ ফেব্ৰুৱাৰী ঃ** তামুলপুৰ জিলাৰ তেতেলিগুৰিত আজি দিনৰ ভাগত অঞ্চলটোৰ এজন লোকে বৰো ধানৰ খেতি কৰিবৰ বাবে নিজৰ মাটিত নৰাত জুই লগায় দিয়াৰ পাছত নিমিষতে নৰাৰ জুয়ে খেতি পথাৰৰ বিস্তীৰ্ণ অঞ্চললৈ বিয়পি পৰাত অঞ্চলটোত হাহাকাৰ লাগে। জুইৰ গ্ৰাসৰ পৰা কথমপি ৰক্ষা পৰে পথাৰত এৰাল দি থোৱা বহু পশুধনৰ লগতে সৰিয়হ, আলু, কুঁহিয়াৰ আদি খেতিৰ। প্ৰাপ্ত তথ্য মতে, অঞ্চলটোৰ এজন খেতিয়কে নিজৰ খেতিৰ মাটিত বৰো ধানৰ খেতি কৰাৰ বাবে আজি দিনৰ ভাগত নৰাত জুই লগাই দিয়ে; কিন্তু বতাহ বলি থকাৰ আঠ পৃষ্ঠাত চাওক

■ ২০১৭-২০১৮ৰ পাছত তৃতীয়বাৰলৈ হ'ব অনুষ্ঠিত
■ ১১-১১খনকৈ জিলাই তিনিটা পৰ্যায়ত কৰিব অংশগ্ৰহণ

# ২০ এপ্ৰিলৰ পৰা ৰাজ্যত গুণোৎসৱ



আৰছু-মহিলা পৰিষদৰ কেন্দ্ৰীয় অধিৱেশন, শনিবাৰে।

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** শিক্ষানুষ্ঠানৰ গুণগত মান নিৰূপণ কৰিবলৈ ২০১৭ত প্ৰথমবাৰলৈ ৰাজ্যত অনুষ্ঠিত হোৱা গুণোৎসৱ পুনৰ অনুষ্ঠিত কৰিবলৈ সাজু হৈছে শিক্ষা বিভাগ আৰু আজি ইয়াৰ দিন ঘোষণা কৰিছে অসম সৰ্বশিক্ষা মিছনে। সেই অনুসৰি, আগন্তুক ২০-২১ আৰু ২২ এপ্ৰিলত প্ৰথম পৰ্যায়ত, ২৫-২৬ আৰু ২৭ এপ্ৰিলত দ্বিতীয় আৰু ১০-১১ আৰু ১২ মে'ত তৃতীয় পৰ্যায়ত গুণোৎসৱ অনুষ্ঠিত হ'ব; য'ত প্ৰতিটো পৰ্যায়তে ১১ খনকৈ জিলাই অংশগ্ৰহণ কৰিব বুলি বিভাগে সদৰী কৰিছে। উল্লেখ্য যে প্ৰথম পৰ্যায়ত কামৰূপ মহানগৰ, বাগ্‌সা, ধুবুৰী, ডিমা হাচাও, হাইলাকান্দি, যোৰহাট, লখিমপুৰ, শোণিতপুৰ, পশ্চিম কাৰ্বি আংলং জিলাত, দ্বিতীয় পৰ্যায়ত বিশ্বনাথ, বঙাইগাঁও, চৰাইদেউ, দৰং, ধেমাজি, ডিব্ৰুগড়, গোৱালপাৰা, কাৰ্বি আংলং, কৰিমগঞ্জ, নগাঁও, নলবাৰী জিলাত আৰু তৃতীয় পৰ্যায়ত বৰপেটা, কাছাৰ, গোলাঘাট, হোজাই, কামৰূপ, কোকৰাঝাৰ, মাজুলী, মৰিগাঁও, শিৱসাগৰ, আঠ পৃষ্ঠাত চাওক

## নগাঁৱত 'আকৌ নতুন প্ৰভাত হ'ব' শীৰ্ষক প্ৰশিক্ষণ শিবিৰ

# ৰাইজৰ মনৰ পৰা কংগ্ৰেছক কোনেও আঁতৰাব নোৱাৰে ঃ বৰা

বিশেষ সংবাদদাতা

**নগাঁও, ১৯ ফেব্ৰুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সৌজন্যত আৰু নগাঁও জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত 'আকৌ নতুন প্ৰভাত হ'ব' শীৰ্ষক জিলা পৰ্যায়ৰ এক প্ৰশিক্ষণ শিবিৰ আজি নগাঁও চহৰৰ খগেন মহন্ত প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচীত প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰা, সাংসদ গৌৰৱ গগৈ, বিৰোধী দলৰ উপ-দলপতি ৰকিবুল হুছেইন, বিধায়িকা শিবামণি বৰা, জিলা কংগ্ৰেছৰ সভাপতি তপন শৰ্মাই প্ৰশিক্ষণ আগবঢ়ায়। কংগ্ৰেছ নেতৃবৃন্দই সভাত কংগ্ৰেছক শক্তিশালী কৰি তুলিবলৈ দলীয় কৰ্মীসকলক আহ্বান জনায়। গেৰুৱা দল বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি কংগ্ৰেছ নেতাসকলে অনাগত সময়ত কংগ্ৰেছ পুনৰ শাসনলৈ আহিব বুলি দাবী কৰে। লক্ষ্যণীয়ভাৱে কংগ্ৰেছৰ এই সভা চলি থকাৰ সময়তে জিলা প্ৰশাসনে পৌৰ নিৰ্বাচনৰ নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ অভিযোগত কংগ্ৰেছৰ বেনাৰ-প'ষ্টাৰ আদি আঁতৰাই দিয়াক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে আঠ পৃষ্ঠাত চাওক

■ আলফা (স্বাঃ)ত যোগদানৰ সন্দেহ ■ মহানগৰীৰ দুই যুৱতী সন্ধানহীন হোৱাক লৈয়ো চৰ্চা

# ৰাজ্যৰ বহু যুৱক-যুৱতী আকস্মিকভাৱে সন্ধানহীন

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** অসমত শেহতীয়াকৈ ৰহস্যজনকভাৱে সন্ধানহীন হৈছে একাংশ যুৱক-যুৱতী। তাৰে কে'বাজনকো উগ্ৰপন্থী সংগঠনত ভৰ্তি হোৱাৰ আশংকা কৰা হৈছে। শেহতীয়াকৈ যোৱা ১৫ ফেব্ৰুৱাৰীৰ পৰা সন্ধানহীন হয় মহানগৰীৰ লতাশিল আৰক্ষী থানাৰ অধীনৰ খাৰঘুলিৰ বাসিন্দা দুই যুৱতী সৰস্বতী দাস আৰু ৰুমি ডেকা। ডিব্ৰুগড়লৈ যোৱাৰ কথা পৰিয়ালক অৱগত কৰি ওলাই যোৱা যুৱতীদ্বয়ৰ বিগত পাঁচদিনে কোনো সন্ধান পৰিয়াল আৰু আৰক্ষীয়ে উলিয়াব পৰা নাই। এটা ব্যক্তিগত প্ৰতিষ্ঠানত কৰ্মৰত যুৱতীদ্বয়েও আলফা (স্বাঃ)ত যোগদানৰ আশংকা কৰা হৈছে। কিয়নো, ৰাজ্যৰ বিশেষকৈ পূব অসমৰ কে'বাটাও স্থানৰ কে'বাগৰাকী যুৱক-যুৱতী আকস্মিকভাৱে ঘৰৰ পৰা নোহোৱা হৈছে। আৰক্ষীয়ে এই সন্দৰ্ভত কোনো নিশ্চিত তথ্য প্ৰকাশ কৰা নাই। কিন্তু আজি আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই মহানগৰীৰ যুৱতী দুগৰাকী সন্ধানহীন হোৱাক লৈ ইংগিতেৰে যি মন্তব্য প্ৰকাশ কৰে তাৰ দ্বাৰা এইটো স্পষ্ট হৈছে যে বিশেষকৈ আলফা (স্বাঃ)ত একাংশ যুৱক-যুৱতীয়ে যোগদান কৰি আহিছে। মহন্তই কয়, 'গুৱাহাটীৰ যুৱতীদ্বয়ে আলফাত যোগ দিছে নে নাই নিশ্চিত কৰিব নোৱাৰো। আমি সন্দেহহে কৰিছো। আমাক কোনেও খবৰ দিয়া নাই। পুলিচক খবৰ নিদিয়েও। কে'বাটাও ল'ৰা-ছোৱালী অসমৰ পৰা নাইকিয়া হৈছে। সেই সন্দৰ্ভত অনুসন্ধান চলি আছে।' গুৱাহাটীৰ ঘটনাটোৰ পূৰ্বে তিনিচুকীয়াৰ দুজন যুৱকেও আলফা (স্বাঃ)ত যোগ দিয়াৰ সম্ভাৱনা প্ৰকট হৈছে। মাৰ্ঘেৰিটা আৰু টিপামৰ যুৱকদ্বয়ে উগ্ৰপন্থী সংগঠনটোৰ প্ৰতি পূৰ্বৰে পৰা আকৰ্ষিত হোৱাৰ সূত্ৰেই এই সন্দেহ কৰা হৈছে। মহানগৰীৰ যুৱতী দুগৰাকীৰ ক্ষেত্ৰতো এনে সন্দেহ কৰাৰ মূলতে হ'ল তেওঁলোক দীৰ্ঘদিনৰে পৰা আলফা সম্পৰ্কীয় তথ্যপাতিৰ প্ৰতি আকৰ্ষিত হৈছিল।

শেহতীয়াকৈ অসম চৰকাৰৰ লগত পৰেশ বৰুৱাই শান্তি আলোচনাৰ প্ৰাৰম্ভিক আঠ পৃষ্ঠাত চাওক

# সমালোচনা বন্ধ কৰিবলৈ বিধানসভাৰ কৰ্মদিন হ্ৰাস চৰকাৰৰ

## বাজেট অধিৱেশনৰ দিন পিছুওৱাক লৈয়ো মন্তব্য বিৰোধী দলপতি দেবব্ৰত শইকীয়াৰ

ষ্টাফ ৰিপ'ৰ্টাৰ


**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** ৰাজ্যখনৰ বিষয়বোৰ খৰচি মাৰি আলোচনা কৰাৰ বাবে বিধানসভাৰ কাৰ্যদিন বৃদ্ধিৰ দাবী বিৰোধী দলকেইটাই উত্থাপন কৰি আহিছে। কিন্তু তেনে দাবীক নাকচ কৰি বৰঞ্চ এইবাৰ পূৰ্বতকৈ দিন হ্ৰাস কৰিহে চৰকাৰে অহা ১৪ মাৰ্চৰ পৰা বাজেট অধিৱেশন অনুষ্ঠিত কৰাৰ কাৰ্যসূচী চূড়ান্ত কৰিছে। ইয়াকে লৈ বিৰোধী দলকেইটাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সেই সন্দৰ্ভত আজি ইয়াত বিৰোধী দলপতি দেবব্ৰত শইকীয়াই সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে যে এইবাৰৰ বিধানসভাৰ অধিৱেশনৰ আয়োজনতেই তেওঁলোক আচৰিত হৈছে। তদুপৰি পূৰ্বতকৈও কাৰ্যদিন হ্ৰাস কৰাটোৰে বিৰোধী দল হিচাপে তেওঁলোকক ক্ষুণ্ণ কৰিছে। চৰকাৰৰ এনে কাৰ্যত গভীৰ ৰহস্য থকাৰো সন্দেহ ব্যক্ত কৰিছে তেওঁ। শইকীয়াই কয়, 'সাধাৰণতে কেন্দ্ৰীয় বাজেট উপস্থাপনৰ ১০ দিন মানৰ পাছত ৰাজ্যিক বাজেট বিধানসভাত দাখিল কৰা হয়। এইবাৰ কেন্দ্ৰীয় বাজেট যোৱা পহিলা ফেব্ৰুৱাৰীতে দাখিল কৰা হয়। অথচ ৰাজ্যিক বাজেট অহা ১৬ মাৰ্চতহে উত্থাপন কৰা হ'ব। বাজেট অধিৱেশনৰ দিন হ্ৰাস কৰাটোৰেও আমাক আচৰিত কৰিছে। মাত্ৰ ১০ দিনহে বিধানসভাৰ কাৰ্যদিন ধাৰ্য কৰা হৈছে। আমাৰ সন্দেহ হৈছে যে চৰকাৰে তেওঁলোকৰ ব্যৰ্থতাৰ আলোচনা বিধানসভাৰ মজিয়াত হোৱাটো বিচৰা নাই। সেইবাবে দৌৰাদৌৰিকৈ অধিৱেশন সামৰিব বিচাৰিছে।' শইকীয়াই লগতে কয় যে চৰকাৰে বিধানসভাত উত্থাপন কৰা আঠ পৃষ্ঠাত চাওক

# তেজপুৰত পৌৰসভা নিৰ্বাচন প্ৰস্তুতিৰ বুজ ল'লে পৰ্যবেক্ষকে

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৯ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰৰ চাৰিখন পৌৰসভাৰ নিৰ্বাচনৰ বাবে নিয়োজিত পৰ্যবেক্ষক অনিল চন্দ্ৰ দাসে আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজন কৰা এখন সভাত জিলখনত পৌৰ নিৰ্বাচনী প্ৰস্তুতিৰ সামগ্ৰিক বুজ লয়। সভাত জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰমী বৰুৱা, পংকজ নাগবংশী, দ্যুতিভা বৰা, সদৰ মহকুমাধিপতি আশুতোষ ডেকা, বিৰাজ বৰুৱা, জিলা প্ৰশাসনৰ অন্যান্য বিষয়া আৰু নিৰ্বাচনৰ বাবে মুকলি কৰা বিভিন্ন কোষৰ দায়িত্বত থকা ভাৰপ্ৰাপ্ত বিষয়াসকল উপস্থিত থাকে। সভাত প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ, নিৰ্বাচন আচৰণ বিধি বলৱৎকৰণ ই ভি এম'ৰ প্ৰশিক্ষণ, প'ষ্টাৰ বেলট আদিৰ বাবে হাতত লোৱা বিভিন্ন কাৰ্যসূচীৰ লগতে নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে এই পৰ্যন্ত গ্ৰহণ কৰা প্ৰস্তুতিৰ বিষয়ে পৰ্যবেক্ষকগৰাকীক আঠ পৃষ্ঠাত চাওক

## ধুবুৰীৰ কলেজ নগৰ নিবাসী ধৰ্মপ্ৰাণা মহিলাৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৯ ফেব্ৰুৱাৰী ঃ** ধুবুৰীৰ কলেজ নগৰ নিবাসী প্ৰয়াত উমাপতি শৰ্মাৰ সহধৰ্মিণী ধৰ্মপ্ৰাণা, সৰবৰহী মহিলা বিজয়া শৰ্মা (৯৯)ৰ যোৱা নিশা ১০ বজাত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁ ৮০ৰ দশকতে স্থানীয় মহিলা সমিতিৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত থাকি বহু শিপিনীৰ আঠ পৃষ্ঠাত চাওক

■ মুখ্য কাৰ্যবাহী প্ৰতাপ কছাৰী ■ তিতাবৰ পৌৰসভা ১০টা ৱাৰ্ডতে বিজেপি জিকিব ■ পীযুষ হাজৰিকা ঃ কুমুদ কছাৰী অধিষ্ঠিত হ'ল অধ্যক্ষ ■ কেশৰাম বৰা উপ-মুখ্য কাৰ্যবাহী

# ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ শপত গ্ৰহণ

বিশেষ সংবাদদাতা

**নগাবাট/তিতাবৰ, ১৯ জানুৱাৰী ঃ** লবীকেন্দ্ৰিক ৰাজনীতিৰ অন্তত কুমুদ কছাৰীক আঁতৰাই প্ৰতাপ কছাৰীক ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পদত অধিষ্ঠিত কৰিলে অসম চৰকাৰে। প্ৰায় এমাহজোৰা উৎকণ্ঠাৰ অৱসান ঘটাই আজি ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ পৰৱৰ্তী মুখ্য কাৰ্যবাহীৰ লগতে অন্যান্য কাৰ্যবাহী সদস্যসকলৰ নাম অসম চৰকাৰে ঘোষণা কৰি শপত বাক্য পাঠ কৰোৱায়। প্ৰয়াত তৰুণ গগৈ চৰকাৰৰ আমোলত ২০০৫তে গঠন হোৱাৰ আঠ পৃষ্ঠাত চাওক



# জনপ্ৰিয় বাতৰি পৰিৱেশক প্ৰতাপ বৰদলৈৰ দেহাৱসান

ষ্টাফ ৰিপ'ৰ্টাৰ



**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** অসমত বাতৰি পৰিৱেশনক নতুন মাত্ৰা প্ৰদান কৰা সাংবাদিক প্ৰতাপ বৰদলৈৰ যোৱা নিশা মহানগৰীৰ জুৰোডস্থিত বাসভৱনত আকস্মিকভাৱে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৩ বছৰ। চৰকাৰী প্ৰচাৰ মাধ্যমৰ লগতে অৱসৰৰ পাছত কে'বাটাও ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ লগত জড়িত থকা বৰদলৈৰ মৃত্যুৰ লগে লগে ৰাজ্যত উৎকৃষ্টমানৰ বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত এক বিশাল শূন্যতাৰ সৃষ্টি হ'ল। যদিও শেহতীয়াভাৱে তেওঁ বাতৰি পৰিৱেশনৰ পৰা বিৰত আছিল তথাপি তেওঁক অনুসৰণ কৰিয়ে অসমত বহুতে বাতৰি পৰিৱেশনৰ আঠ পৃষ্ঠাত চাওক




## নগাঁৱত মহিলাসহ দুই ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ



বিশেষ সংবাদদাতা

**নগাঁও, ১৯ ফেব্ৰুৱাৰী ঃ** নগাঁৱৰ মৰিকলং আৰক্ষী চকীৰ আৰক্ষীয়ে বিশেষ সূত্ৰৰ পম খেদি আজি বিয়লি অভিযান চলাই মৰিকলং আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চিৰঞ্জীৱ লাহনৰ নেতৃত্বত যোৱা আঠ পৃষ্ঠাত চাওক

■ নগাঁৱত পুনৰ সক্ৰিয় গৰুৰ চোৰাং সৰবৰাহকাৰী দল ■ নগাঁও-মৰিগাঁৱত চোৰাংকৈ সৰবৰাহ কৰা এশ গৰু জব্দ ■ সাতজনক গ্ৰেপ্তাৰ

# বাংলাদেশলৈ গৰুৰ চোৰাং সৰবৰাহত কৰিড'ৰ হৈছে নগাঁও জিলাৰ ৰাজপথ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**নগাঁও/ৰহা/কলিয়াবৰ/মৰিগাঁও, ১৯ ফেব্ৰুৱাৰী ঃ** মেঘালয় হৈ বাংলাদেশলৈ গৰুৰ চোৰাং সৰবৰাহৰ ক্ষেত্ৰত নগাঁও জিলাৰ বিভিন্ন ৰাজপথক কৰিড'ৰৰূপে ব্যৱহাৰ কৰে সৰবৰাহকাৰী দলসমূহে। জিলাখনৰ আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি নগাঁও জিলাৰ বিভিন্ন ৰাজপথৰে বিভিন্ন ঠাইৰ লগতে শ্বিলং হৈ বাংলাদেশলৈ প্ৰায়েই ট্ৰাকে ট্ৰাকে গৰু চোৰাংকৈ সৰবৰাহ অব্যাহত আছে বুলি বিভিন্ন সময়ত অভিযোগ উত্থাপিত হৈ আহিছে। নগাঁও আৰক্ষীয়ে মাজে-সময়ে এই গৰুৰ চোৰাং সৰবৰাহকাৰী চক্ৰবোৰৰ বিৰুদ্ধে অতি কঠোৰ হৈ অভিযান তীব্ৰতৰ কৰি তোলে যদিও অতি ৰহস্যজনক কাৰণত মাজে-সময়ে এই অভিযান স্তব্ধ হৈ পৰে। তদুপৰি নগাঁও আৰক্ষীয়ে গৰুৰ চোৰাং সৰবৰাহকাৰীৰ বিৰুদ্ধে যিমান কঠোৰ ভূমিকা গ্ৰহণ কৰি আহিছে, তাৰ বিপৰীতে ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত থকা একাংশ আৰক্ষী থানা আৰু আন একাংশ আৰক্ষী থানাৰ আৰক্ষীয়ে গ্ৰহণ কৰা ভূমিকা মুঠেই সন্তোষজনক নহয় বুলিও ৰাইজে অভিযোগ তুলিছে। এনেবোৰ ঘটনাৰ মাজতেই যোৱা নিশা আৰক্ষীয়ে নগাঁও আৰু মৰিগাঁও জিলাত পৃথক অভিযানত মুঠ এশ গৰু চোৰাংকৈ সৰবৰাহ কৰা অৱস্থাত জব্দ কৰে। এই চোৰাং সৰবৰাহত আঠ পৃষ্ঠাত চাওক

■ যুদ্ধকালীন ৰূপত চলিছে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি ■ সমাগম হ'ব ২০ লক্ষাধিক ভকত বৈষ্ণৱৰ ■ জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাউদাঙে কণ্ঠদান কৰা অধিৱেশনৰ শীৰ্ষ গীত মুকলি

# নাহৰকটীয়াৰ বাগ্মীবৰ নীলমণি ফুকন সমন্বয় ক্ষেত্ৰত উদুলি-মুদুলি পৰিৱেশ



বাগ্মীবৰ ককা নীলমণি ফুকন সমন্বয় ক্ষেত্ৰৰ পৰা ক্ষীৰোদ কোঁৱৰ, **১৯ ফেব্ৰুৱাৰীঃ** অহা ২৫,২৬ আৰু ২৭ ফেব্ৰুৱাৰীত নাহৰকটীয়াৰ ৰাঙলী পথাৰত অনুষ্ঠিত হ'ব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক বাৰ্ষিক অধিৱেশন। পুণ্যভূমিত পৰিণত হৈছে ককা বাগ্মীবৰ নীলমণি ফুকন সমন্বয় ক্ষেত্ৰ। যুদ্ধকালীন ৰূপত চলিছে আঠ পৃষ্ঠাত চাওক

## তেজপুৰত মহিলাৰ ৰহস্যজনক মৃত্যু

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৯ ফেব্ৰুৱাৰী ঃ** তেজপুৰৰ নিকটৱৰ্তী বান্দৰমাৰী মাজৰহোলাৰ এগৰাকী মহিলাৰ মৃত্যুক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, বেবেজীয়া আৰক্ষী চকীৰ অন্তৰ্গত অঞ্চলটোৰ দম্পতী দেৰেন মুণ্ডা (৪৫) আৰু কালতি মুণ্ডা (৪০)ই যোৱা নিশা আহাৰ গ্ৰহণ কৰি শোৱাৰ পাছত আজি পুৱা কালতিৰ মৃতদেহ মজিয়াত পৰি থকা অৱস্থাত উদ্ধাৰ হয়। উল্লেখ্য যে এই বিষয়ে অঞ্চলটোৰ একাংশ লোকে জানিব পাৰি এয়া এক হত্যাকাণ্ড আৰু ইয়াৰে মৃত মহিলাগৰাকীৰ আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৭ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২০ ফেব্ৰুৱাৰী ২০২২



# সেউজ ভূমি




**যোৱা** ১৮ ফেব্ৰুৱাৰীত সংবাদ মাধ্যমত প্ৰকাশিত শেহতীয়া তথ্য অনুসৰি যোৱা ২০০১ৰ পৰা ২০২০ লৈ ২০ টা বছৰত অসমে দুই লাখ ৬৯ হেজাৰ হেক্টৰ অৰ্থাৎ ২,৬৯০ বৰ্গ কিলোমিটাৰ অৰণ্য হেৰুৱালে। কৃত্ৰিম উপগ্ৰহৰ পৰা লোৱা ছবি তথা সংগৃহীত তথ্যৰ ওপৰত ভিত্তি কৰি মেৰীলেণ্ড বিশ্ববিদ্যালয়ৰ গৱেষকৰ দলে এই তথ্য দাঙি ধৰিছে। কৃত্ৰিম উপগ্ৰহৰ পৰা পোৱা ছবিৰ তুলনামূলক অধ্যয়নে অসমৰ অৰণ্য যোৱা বছৰবিলাকত কিদৰে অদৃশ্য হৈছে সেই বিষয়ে স্পষ্ট ছবি দাঙি ধৰিছে। কৃত্ৰিম উপগ্ৰহৰ পৰা পোৱা ছবি অনুসৰি যোৱা ২০১০ত অসমৰ প্ৰাকৃতিক অৰণ্য ভূমি আছিল ২০ লাখ ৪০ হেজাৰ হেক্টৰ। এই অৰণ্যই ৰাজ্যখনৰ মুঠ ভূমিৰ ৩৩ শতাংশ আৱৰি ৰাখিছিল অৰ্থাৎ যোৱা ১০ বছৰৰ আগলৈকে অসমৰ ভূমিৰ ৩৩ শতাংশ আছিল অৰণ্য; কিন্তু যোৱা ২০২০ৰ ছবিখন সম্পূৰ্ণ সলনি হ'ল। ২০২০ত কৃত্ৰিম উপগ্ৰহীয় ছবিৰ পৰা পোৱা তথ্য অনুসৰি অসমৰ অৰণ্যভূমিৰ এক লাখ ৭৮ হেজাৰ হেক্টৰ অৰণ্য ১০টা বছৰত অদৃশ্য হৈছে। প্ৰকাশিত তথ্য অনুসৰি ২০০১-২০২০ লৈ অসমে দুই লাখ ৬৯ হেজাৰ হেক্টৰ অৰণ্য ভূমি হেৰুৱাইছে। যোৱা ১০ বছৰত অসমে ৯.৮ শতাংশ অৰণ্য হেৰুৱাইছে; কিন্তু ২০০১ৰ পৰা ২০ বছৰত অসমে ইয়াৰ মুঠ অৰণ্য ভূমিৰ ১৪.২ শতাংশ হেৰুৱাইছে। সৰ্বাধিক কাৰ্বি আংলং স্বায়ত্তশাসিত জিলাৰ ৯৭ হেজাৰ হেক্টৰ, ডিমা হাছাওৰ ৬৩.২ হেজাৰ হেক্টৰ, শোণিতপুৰ জিলাৰ ১৭.৪ হেজাৰ হেক্টৰ, তিনিচুকীয়া জিলাৰ ১৩.২ হেজাৰ হেক্টৰ, কোকৰাঝাৰ জিলাৰ ১০.৪ হেজাৰ হেক্টৰ অৰণ্য অদৃশ্য হৈছে। উল্লেখ্য যে যোৱা ২০০১ৰ পৰা ২০২০ লৈ দুটা দশকত ভাৰতৰ মুঠ ১৯ লাখ ৩০ হেজাৰ হেক্টৰ বনাঞ্চল ধ্বংস হৈছে। এয়া দেশৰ মুঠ অৰণ্যৰ পাঁচ শতাংশ। উদ্বেগজনক কথা হ'ল যোৱা ২০ বছৰত ভাৰতৰ পাঁচ শতাংশ অৰণ্য নিঃশেষ হোৱাৰ বিপৰীতে এই সময়ছোৱাত অসমে হেৰুৱাইছে ১৪ শতাংশ অৰণ্য। আনহাতে, দেশৰ মুঠ অৰণ্যৰ ৭৬.৭ শতাংশই উত্তৰ-পূৰ্বাঞ্চলত আছে। তথ্যই দেখুৱায় যে অসম তথা উত্তৰ-পূবৰ ৰাজ্যবিলাকেই দেশৰ ভিতৰত সৰ্বাধিক অৰণ্য ভূমি হেৰুৱাইছে। অসমৰ পাছতে সৰ্বাধিক অৰণ্য ভূমি হেৰুওৱা ৰাজ্যকেইখন হ'ল যথাক্ৰমে মিজোৰাম, নগালেণ্ড, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, ওড়িছা, ত্ৰিপুৰা, কেৰালা, চত্তিছগড় আদি।

উল্লেখ্য যে সেউজীয়া অসমক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ বিভিন্ন পক্ষ, সংগঠন তথা ৰাইজে দাবী কৰি আহিছে। চৰকাৰে বৃক্ষৰোপণৰ দৰে আঁচনি লৈ সেউজকৰণৰ বাবে কাম কৰিছে যদিও অসমৰ হেৰুওৱা সেউজ ভূমি নাইবা অৰণ্যাঞ্চল ঘূৰাই পোৱাৰ সম্ভাৱনা কম। অসমত যাদৱ পায়েঙৰ দৰে এশজন প্ৰকৃতিপ্ৰেমী সক্ৰিয়কৰ্মী ওলালে অসমত পুনৰ সেউজকৰণ আঁচনি সফল কৰিব পৰা যাব; কিন্তু সেউজকৰণৰ বৰ্তমান লেহেমীয়া গতিয়ে প্ৰকৃতিপ্ৰেমী ৰাইজক উৎসাহিত কৰিব পৰা নাই। অৱশ্যে এনে হতাশাজনক পৰিৱেশৰ মাজতে শেহতীয়াকৈ ৰাজ্যিক কেবিনেটে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। কেবিনেটৰ সিদ্ধান্ত অনুসৰি এতিয়াৰ পৰা উন্নয়ন, আন্তঃগাঁথনি, পথ নিৰ্মাণ প্ৰকল্প আদিৰ নামত এজোপা গছ কাটিলে ১০ জোপা গছপুলি ৰোপণ কৰিব লাগিব। সংশ্লিষ্ট বিভাগসমূহে চৰকাৰৰ এই নিৰ্দেশ পালন কৰিব লাগিব। অৰ্থাৎ এজোপা গছ কাটিলে বা কাটিবলগীয়া হ'লে আন ১০ জোপা গছপুলি ৰোপণ বাধ্যতামূলক। চৰকাৰৰ এই সিদ্ধান্ত আদৰণীয়। বৰ্তমান পথ নিৰ্মাণ, উৰণীয়া সেঁতু নিৰ্মাণ, উদ্যোগ স্থাপন, নতুন শিক্ষানুষ্ঠান স্থাপন আদি বিভিন্ন উন্নয়নমূলক কাম কৰিবলৈ যাওঁতে সংশ্লিষ্ট বিভাগবোৰে বহু গছ কাটিবলগীয়া হয়। সেউজ বনাঞ্চল ধ্বংস কৰাও দেখা যায়। সাধাৰণতে এই ধৰণৰ বন ধ্বংসৰ বাবে যদিহে ব্যক্তিগত ভূমিৰ অন্তৰ্ভুক্ত হয়, তেন্তে চৰকাৰ বা কোম্পানীয়ে ক্ষতিপূৰণ দিয়ে। চৰকাৰী ভূমিৰ অন্তৰ্ভুক্ত বন ধ্বংস কৰিলে ক্ষতিপূৰণৰ প্ৰশ্নই নুঠে; কিন্তু এতিয়া চৰকাৰৰ নতুন নিৰ্দেশ অনুসৰি উন্নয়নমূলক বা আন্তঃগাঁথনি নিৰ্মাণৰ বাবে গছ কাটিলে এজোপা গছৰ বিপৰীতে ১০টা গছপুলি ৰোপণ কৰিব লাগিব। চৰকাৰৰ নীতি-নিৰ্দেশ আদৰণীয় যদিও ই কিমানদূৰ কাৰ্যকৰী কৰা হ'ব সেই সন্দৰ্ভত সন্দেহ আছে। গছপুলি ৰোপণ ক'ত কৰিব, গছপুলিসমূহ জীয়াই ৰখা আৰু সুৰক্ষিত কৰি ৰখাৰ দায়িত্ব কোনে ল'ব— এনে ধৰণৰ বিভিন্ন প্ৰশ্নৰ সঠিক উত্তৰ নাই। বন বিভাগকে ধৰি বিভিন্ন বিভাগে যিমানবোৰ গছপুলি ৰুইছে সেইবোৰৰ বেছি ভাগেই সুৰক্ষাৰ অভাৱত, যত্নৰ অভাৱত নিঃশেষ হৈছে। আন অঞ্চলৰ কথা বাদেই গুৱাহাটী মহানগৰৰ বিভিন্ন পথৰ কাষত গছপুলি ৰোপণ কৰা হয় যদিও বেছিভাগেই নষ্ট হয়। গছপুলিৰ চাৰিওকাষত দিয়া বেৰাও নষ্ট কৰা দেখা যায়। সেয়ে চৰকাৰ তথা বন বিভাগে গছপুলি ৰোপণ কৰিলেই নহ'ব। ৰোপণ কৰা গছপুলিসমূহ সযত্নে জীয়াই ৰাখিব আৰু সুৰক্ষিত কৰি ৰাখিব লাগিব।

অসম তথা উত্তৰ-পূবৰ ৰাজ্যসমূহত বনাঞ্চল ধ্বংস হোৱা বা অৰণ্য হ্ৰাস পোৱাৰ ফলত জলবায়ু পৰিৱৰ্তন হোৱাৰ তথ্য প্ৰকাশ পাইছে। বিশেষকৈ তাপমাত্ৰা বৃদ্ধি, বৰষুণৰ পৰিমাণ হ্ৰাস আৰু বিষাক্ত কাৰ্বন গেছ বিপজ্জনকভাৱে বৃদ্ধি পোৱা দেখা গৈছে। গুৱাহাটীৰ তাপমাত্ৰা বৃদ্ধি পাই ৩৭.৭ ডিগ্ৰী চেলচিয়াছ হৈছেগৈ। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি অসমত বৰষুণৰ পৰিমাণ ক্ৰমান্বয়ে হ্ৰাস পাইছে। জলসিঞ্চনৰ ব্যৱস্থাৰ অভাৱত অসমৰ বহু কৃষকে ধান খেতি কৰিও শস্যৰ পৰা বঞ্চিত হৈছে। কৃষিভূমি বা খেতি পথাৰত পানী যোগান ধৰিব নোৱৰাৰ ফলত খেতি নষ্ট হৈছে নাইবা বহুতে খেতি কৰিবই পৰা নাই। আনহাতে, বনাঞ্চল ধ্বংস হোৱা বা অৰণ্য ভূমি নিঃশেষ হোৱাত হাতী, বাঘ আদি বিভিন্ন বন্য জন্তু আৰু বিভিন্ন প্ৰজাতিৰ পক্ষী নাইবা বন্য জীৱ হ্ৰাস পাইছে। ইয়াৰ ফলত অসমত মানুহ আৰু বন্য জন্তুৰ মাজত সংঘাত বৃদ্ধি পাইছে। উদাহৰণ স্বৰূপে অসমত বন্যহস্তী আৰু মানুহৰ মাজত সংঘাত বৃদ্ধি পাইছে। এহাতে মানুহৰ হাতত বনৰীয়া হাতীৰ মৃত্যু হৈছে আৰু আনহাতে বনৰীয়া হাতীৰ আক্ৰমণত প্ৰতি বছৰে শতাধিক লোকে প্ৰাণ হেৰুৱাইছে। বৰ্তমান হাতী-মানুহৰ সংঘাত অধিক তীব্ৰতৰ হৈছে। চৰকাৰ তথা বন বিভাগে বিভিন্ন কাৰণত হাতী আৰু মানুহ কাকো সুৰক্ষা প্ৰদান কৰিব পৰা নাই। বনৰীয়া হাতীৰ বাবে ৰাজ্যৰ হেজাৰ হেজাৰ বিঘা খেতি নষ্ট হৈছে। ঘৰ-বাৰী ধ্বংস হৈছে। আৰ্থিকভাৱে ৰাজ্যৰ বৃহৎ ক্ষয়-ক্ষতি হৈছে। চৰকাৰে বনানীকৰণ আঁচনিৰে অৰণ্য ভূমি বৃদ্ধি কৰাৰ লগতে বন্যপ্ৰাণী আৰু মানুহৰো সুৰক্ষাৰ ব্যৱস্থা কৰিব লাগিব। এই গুৰু দায়িত্বৰ পৰা গা এৰা দিয়া নীতিয়ে ভয়ংকৰ পৰিৱেশ সৃষ্টি কৰিব পাৰে।

# অস্তিত্বৰ স'তে সংলাপ

## আমাৰ সমষ্টিগত আৰু ব্যক্তিগত দুৰ্গতিৰ মূল কাৰণ হৈছে পুঁজিবাদৰ অৰ্থনৈতিক আৰু মতাদৰ্শিক দৌৰাত্ম্য



**আত্মজিজ্ঞাসা**

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

**ব্ৰিটিছ** পুঁজিবাদী আছিল। এক পুঁজিবাদী আমোলাতান্ত্ৰিক ৰাষ্ট্ৰ তৈয়াৰ কৰিছিল। যোৱাৰ সময়ত অক্ষত অৱস্থা ভাৰতীয় পুঁজিবাদীৰ হাতত তুলি দি গৈছে। আমি ব্ৰিটিছক বিদায় দিছো; কিন্তু ৰাষ্ট্ৰৰ চৰিত্ৰত পৰিৱৰ্তন আনিব পৰা নাই। ৰাষ্ট্ৰৰ আয়তন সলনি হৈছে, কিন্তু স্বভাৱৰ কোনো সলনি হোৱা নাই। আৰু সমাজ? সমাজো আগৰ দৰেই আছে। সেয়ে দেখা যায় ৰাষ্ট্ৰ আৰু সমাজ উভয়েই সুবিধাবঞ্চিত মানুহৰ স'তে শত্ৰুতা কৰিছে। আগে যেনেকৈ কৰিছিল। অধিকাংশ মানুহ সুবিধাবঞ্চিত। কিছু মানুহে লাভ কৰিছে সুবিধা। বাকী মানুহ চিকাৰ হৈছে বঞ্চনাৰ।

পুঁজিবাদে বিচ্ছিন্নতাক কৰে লালন-পালন। তাৰ প্ৰমাণ য'তে ত'তে পোৱা যায়। পৰিয়াল ভাঙি গৈছে। ভাইয়ে ভাইক, পুত্ৰই পিতাক, পিতাই পুত্ৰক, পতিয়ে পত্নীক হত্যা কৰিছে। এনেকি মাতৃয়ে হত্যা কৰিছে নিজ সন্তানক। প্ৰতিযোগিতা আৰু প্ৰতিদ্বন্দ্বিতা অমানবীয় পৰ্যায়লৈ গুচি গৈছে। মানুহৰ অস্বাভাৱিক আৰু দুৰ্ঘটনাজনিত মৃত্যু এতিয়া কোনো খবৰেই নহয়। প্ৰত্যেকে ব্যস্ত নিজক লৈ। আমাৰ সমষ্টিগত আৰু ব্যক্তিগত দুৰ্গতিৰ মূল কাৰণ হৈছে পুঁজিবাদৰ অৰ্থনৈতিক আৰু মতাদৰ্শিক দৌৰাত্ম্য। পুঁজিবাদে ব্যক্তিৰ মুনাফালিপ্সা আৰু ভোগৰ লালসাক নিৰ্মমভাৱে উৎসাহিত কৰিছে। মানুহক আনৰ সুবিধা-অসুবিধাৰ পিনে চাবলৈ নিষেধ কৰিছে। ব্যক্তিয়ে তাৰ মনুষ্যত্ব হেৰুৱাই পৰিণত হৈছে অসামাজিক প্ৰাণীত। পুঁজিবাদে অভাৱ বেকাৰত্ব জংগীবাদ দুৰ্নীতিক পুষ্ট কৰে। দেশত সেয়াই ঘটিছে। ব্যৱস্থাক সলনি নকৰিলে সলনি নহ'ব অৱস্থা। এই কামটো শাসক শ্ৰেণীয়ে নকৰিব। কৰিব লাগিব বঞ্চিত মানুহে। কামটো নিঃসন্দেহে ৰাজনৈতিক। বঞ্চিত জনগণৰ পক্ষৰ ৰাজনীতিৰ। জাতীয়তাবাদে যি দিবলগীয়া সেয়া দিছে। সমাজতন্ত্ৰীয়ে কি কৰে, তাৰ ওপৰতেই ভৱিষ্যৎ নিৰ্ভৰ।

### দুই

আমেৰিকাৰ বহু পাছত ছোভিয়েট ইউনিয়ন যেতিয়া পৰমাণু বোমাৰ অধিকাৰী হয়, তেতিয়া সেই সময়ৰ সমাজতান্ত্ৰিক বিশ্বত আনন্দৰ হিল্লোল বৈছিল, এইবাবেই যে যি কি নহওক, সমাজতান্ত্ৰিক শক্তিৰ হাততো আণৱিক বোমা আহিছে। এতিয়া আৰু কেপিটালিষ্ট শিবিৰৰ একপক্ষীয় আণৱিক ভাবুকি সহ্য কৰিব নালাগিব। তেতিয়া স্বয়ং ষ্টালিনে কৈছিল ঃ ধনতন্ত্ৰী শিবিৰৰ হাতত আণৱিক বোমাতকৈও শক্তিশালী অস্ত্ৰ আছে। সেয়া হ'ল প্ৰোপাগাণ্ডাৰ বাবে মিডিয়া শক্তি। এই মিডিয়া শক্তিৰ অপব্যৱহাৰৰ দ্বাৰা আণৱিক বোমাতকৈও বৰ ধৰণৰ ধ্বংসযজ্ঞ সৃষ্টি কৰা যায়। ষ্টালিনৰ এই সতৰ্কবাণী কিমান সঠিক আছিল সেয়া ষ্টালিন উত্তৰ বিশ্বত প্ৰমাণিত হৈছে। কেৱল প্ৰোপাগাণ্ডাৰ জোৰত বিশ্ববাসীক বুজোৱা হৈছিল যে সমাজতন্ত্ৰ হৈছে দানৱীয় শক্তি আৰু আমেৰিকাসহ ধনবাদী দেশবোৰ হৈছে 'স্বাধীন বিশ্বৰ নেতা'। সমাজতান্ত্ৰিক বিশ্ব শিবিৰক ধ্বংস কৰিবৰ বাবে ধনবাদী দেশবোৰে আণৱিক অস্ত্ৰ ব্যৱহাৰ কৰিব লগা হোৱা নাই।

### তিনি

ভাৰতৰ প্ৰধানমন্ত্ৰী হৈ থাকোতে জৱাহৰলাল নেহৰুৱে কৈছিল ঃ ব্ৰিটিছ সাম্ৰাজ্যবাদে ভাৰতত ধৰ্মীয় সাম্প্ৰদায়িকতাক লালন কৰিছে। তাৰেই ছুৰিৰে দেশখন ভাগ কৰিছে। সেই ছুৰিখনক চিৰদিনৰ বাবে ভোটা কৰি দিবৰ বাবেই আমি গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতাৰ ৰাষ্ট্ৰীয় ভিত্তি গঢ়ি তুলিছো। এই ভিত্তি ভাঙি পেলোৱা ভৱিষ্যতৰ কোনো সাম্ৰাজ্যবাদী দানৱৰ পক্ষে সম্ভৱ নহ'ব। ব্ৰিটেইনৰ শ্ৰমিক আন্দোলনৰ নেতা আৰ্থাৰ স্কাৰগিলৰ মতে ঃ 'ধনবাদ আৰু সাম্ৰাজ্যবাদ যমজ সন্তান। সেই যমজ সন্তানৰ দুটা প্ৰডাক্ট হৈছে বৰ্ণবাদ আৰু ফেচিবাদ।'

আমাৰ দেশত ধনবাদ আৰু সাম্ৰাজ্যবাদৰ দুটা প্ৰডাক্ট হৈছে সাম্প্ৰদায়িকতা আৰু ধৰ্মীয় ফেচিবাদ। ধৰ্মক লৈ ৰাজনীতি কৰা সাম্প্ৰদায়িক আৰু ধৰ্মীয় ফেচিবাদী দলসমূহে আজি সমগ্ৰ দেশত টিঘিল ঘিলাই আছে। সাম্প্ৰদায়িকতাই কেৱল মানুহে মানুহে বিভেদৰ সৃষ্টিয়ে নকৰে। সাম্প্ৰদায়িকতাই বিনাশ কৰি পেলায় ব্যক্তিৰ উন্নত ভাবনা আৰু সৎ চিন্তা। জ্ঞানে-বিজ্ঞানে মানুহ আজি উপনীত হৈছে গৌৰৱৰ শিখৰত; কিন্তু আমাৰ বহুতৰে ভিতৰৰ সেই আদিম হিংস্ৰ জন্তুটোৰ গাত এই সভ্যতাৰ পোহৰ পৰা নাই অলপো। সাম্প্ৰদায়িকতা সমাজৰ প্ৰগতিৰ পথত সকলোতকৈ ডাঙৰ বাধা। এই বাধা আঁতৰাবৰ বাবে হৃদয়ত লালন কৰাৰ প্ৰয়োজন মানৱীয় মূল্যবোধ।

সৰ্বনাশী সাম্প্ৰদায়িক শ্ল'গানত কান্দিছে দেশ। জাতীয় জীৱনত আহিছে নামি অপৰিনামদৰ্শী অমানিশা। ব্যক্তি মানুহৰ পৰাজয়ৰ পৰা সমাজ মানুহ, সমাজ মানুহৰ পৰা ৰাষ্ট্ৰ জৈৱনিক অধঃপতন। মই মনে-প্ৰাণে বিশ্বাস কৰো যে আমাৰ দেশৰ হিন্দু সম্প্ৰদায়ৰ মাজত, মুছলমান সম্প্ৰদায়ৰ মাজত খ্ৰীষ্টান, বৌদ্ধ সম্প্ৰদায় আৰু প্ৰান্তিক জনগোষ্ঠীৰ মাজত এনে ভাল মানুহ যথেষ্ট পৰিমাণে আছে, যিসকলে অন্তৰৰ পৰা বিশ্বাস কৰে যে আমি সকলোৱে এই দেশৰ মাটি-পানী-বতাহেই কেৱল নহয়, ইতিহাস, ঐতিহ্য আৰু সংস্কৃতিৰ মাজেৰেও পাৰস্পৰিক অংশগ্ৰহণ অবিহনে এক সম্প্ৰীতিপূৰ্ণ সমাজ তৈয়াৰ কৰা সম্ভৱ নহয়। মানুহে যেনেকৈ চকী, মেজ তৈয়াৰ কৰে, ঘৰ-বাৰী নিৰ্মাণ কৰে, একেইভাৱে নিৰন্তৰ সমাজ নিৰ্মাণ প্ৰক্ৰিয়াবোৰ প্ৰতিগৰাকী নৰ-নাৰীৰ মাজত কাম কৰি গৈছে। এই সমাজ নিৰ্মাণৰ পাৰস্পৰিক বিৰোধী প্ৰক্ৰিয়াবোৰ এটাই আনটোক প্ৰতিহত কৰিছে বাবেই সাম্প্ৰদায়িক সম্প্ৰীতিৰ পথটোও ক্ৰমাগত কন্টকাকীৰ্ণ হৈ পৰিছে। যিসকলে বুজে, উপলব্ধি কৰে আৰু চিন্তাৰ পোহৰত ভৱিষ্যৎ পাঠ কৰিব পাৰে যে এক অমংগল দ্ৰুতবেগে আমাক গ্ৰাস কৰিবলৈ উপক্ৰম কৰিছে, আমি এক বিশাল মৃত্যুগহ্বৰৰ পিনে দ্ৰুত আগুৱাই গৈ আছো তেওঁলোক সকলোৱে ইতিবাচক কিছু কৰিবৰ বাবে এতিয়াই উপযুক্ত সময়। দেশখন আচলতে দৰিদ্ৰ নহয়। দৰিদ্ৰ আমি। দৰিদ্ৰ আমাৰ ক্ষুদ্ৰ মন।

### চাৰি

উপ-মহাদেশৰ প্ৰথম আৰু প্ৰধান ৰাজনৈতিক দল কংগ্ৰেছ। ১৮৮৫ত প্ৰতিষ্ঠাৰ পাছৰ পৰা ১৯২৩ পৰ্যন্ত ৩৮ বছৰত কংগ্ৰেছৰ নেতা পৰিৱৰ্তন হৈছিল ৩৫ বাৰ। অৰ্থাৎ ৩৮ বছৰত সভাপতি আছিল ৩৫ জন। তেওঁলোক প্ৰতিগৰাকীয়েই আছিল বাঘা বাঘা ব্যক্তিত্ব। দাদাভাই নৱৌজী, বদৰুদ্দিন তাইয়েবাজী, ছাৰ ফিৰোজ শ্বাহ মেহতা, সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়, আনন্দমোহন বসু, গোপালকৃষ্ণ গোখলে, ৰাসবিহাৰী ঘোষ, মদনমোহন মালব্য, নবাব চৈয়দ মহম্মদ, এনী বেচান্ত, হাছান ইমাম, মতিলাল নেহৰু, লালা ৰাজপত ৰায়, হাকিম আজমল খান, চিত্তৰঞ্জন দাশ, আবুল কালাম আজাদ, মৌলানা মহাম্মদ আলী ইত্যাদি। এওঁলোকে দলক জনগণৰ কাষলৈ লৈ যাব পৰা নাছিল। কংগ্ৰেছ এক ওপৰতলাৰ সুবিধাবাদীৰ সংগঠন হৈয়েই আছিল। এই বাঘা বাঘাবোৰৰ তুলনাত কম পৰিচিত শীৰ্ণকায় সাধাৰণ বস্ত্ৰ পৰিহিত এক আইনজীৱী আৰু মানৱাধিকাৰ কৰ্মী মোহনদাস কৰমচাঁদ গান্ধী। তেওঁৰ দৰে আইনজীৱী তেতিয়া সমগ্ৰ ভাৰতত অসংখ্য। প্ৰথম মহাযুদ্ধৰ শেষৰ পিনে তেওঁ দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ উভতি আহি সমগ্ৰ দেশ ঘূৰি মানুহৰ বাহ্যিক অৱস্থা আৰু তেওঁলোকৰ মনৰ অৱস্থা পৰ্যবেক্ষণ কৰিছিল। কলকাতা অধিৱেশনত তেওঁ অহিংস অসহযোগৰ ফৰ্মুলা দাখিল কৰিছিল প্ৰবল বিৰোধিতাকাৰ মাজত। শেষ পৰ্যন্ত সেয়া গৃহীত হৈছিল আৰু জনগণে আদৰি লৈছিল। বিশেষকৈ যুৱ সমাজে। কোনো শীৰ্ষপদত নগৈও তেওঁ হৈ পৰিছিল কংগ্ৰেছৰ অবিসম্বাদী নেতা। আমাৰ দেশৰ ৰাজনৈতিক বিশ্লেষক হিচাপে অলিখিত নিযুক্তি পোৱা বহুতেই হয়তো নাজানে যে মহাত্মা গান্ধীয়ে সমগ্ৰ জীৱনত মাত্ৰ এবাৰেই কেইমাহমানৰ বাবে কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব পালন কৰিছিল। ১৯২৪ত বেলগাম কংগ্ৰেছ সন্মিলনত তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে সভাপতি কৰা হৈছিল। ১৯২৫ত কানপুৰ সন্মিলনত তেওঁ সেয়া অৰ্পণ কৰিছিল সৰোজিনী নাইডুৰ হাতত। নেতাই নিজকে সলনি নকৰিলে একোৱেই অৰ্জন কৰা সম্ভৱ নহয়।

**দেশৰ গভীৰ ৰাজনৈতিক বিভাজনৰ দৰে মানসিক বৈকল্যও জাতীয় দুৰ্দশাৰ দৈৰ্ঘ্য আৰু প্ৰস্থ কেৱল বঢ়াই আছে। দৃশ্যৰ অন্তৰালত আৰু এটা দৃশ্য থাকে। বাস্তৱৰ গভীৰত থাকে আৰু এটা বাস্তৱ। আচলতে হিন্দু বৰ্ণাশ্ৰম প্ৰথাই ভাৰতবৰ্ষৰ সাম্প্ৰদায়িকতাৰ আদিমতম উৎস।**

দেশৰ দুই ৰাজনৈতিক মেৰুৰ দৰে জাতীয় স্বভাৱৰ মাজত আছে দুই বিপৰীত মেৰুৰ আবেগ-উচ্ছ্বাস আৰু বিষাদ। মাজে মাজে ধাৰণা হয় দেশৰ জনগণ চৰম ভাবাপন্ন আচৰণগত সমস্যাত ভুগিছে। মনোৰোগৰ ভাষাত যাক কোৱা হয় বাইপোলাৰ ডিজঅৰ্ডাৰ। যাৰ হয় ভোগান্তি তাৰ সহচৰ। বাস্তৱতা সম্পৰ্কে গঠিত নহয় সজাগ আৰু স্বচ্ছ জ্ঞান। এপিনে উন্নয়নৰ জিগিৰ, আনপিনে বিপৰ্যয়ৰ অনন্ত যাত্ৰা। দেশ আচলতে কিমান ভালে আছে আৰু কিমান বেয়াৰ পিনে গতি কৰিছে, তাৰ ভাৰসাম্যপূৰ্ণ পৰিমাপ কৰিবলৈ আমি ব্যৰ্থ। দুই এটা সাফল্যক এনেকৈ ঢোল পিটি প্ৰচাৰ কৰো যেন বিশ্ব বিজয় কৰিছো।

দেশৰ জনজীৱন মাৰাত্মকভাৱে ক্ষতিগ্ৰস্ত। জীৱনৰ ভয় আৰু ভৱিষ্যতৰ অনিশ্চয়তা এই সময়ৰ বৈশিষ্ট্য। দেশৰ গভীৰ ৰাজনৈতিক বিভাজনৰ দৰে মানসিক বৈকল্যও জাতীয় দুৰ্দশাৰ দৈৰ্ঘ্য আৰু প্ৰস্থ কেৱল বঢ়াই আছে। দৃশ্যৰ অন্তৰালত আৰু এটা দৃশ্য থাকে। বাস্তৱৰ গভীৰত থাকে আৰু এটা বাস্তৱ। আচলতে হিন্দু বৰ্ণাশ্ৰম প্ৰথাই ভাৰতবৰ্ষৰ সাম্প্ৰদায়িকতাৰ আদিমতম উৎস।

### পাঁচ

হিজাব বিতৰ্কটো কেৱল মুছলমানৰ বিতৰ্ক নহয়। সংখ্যালঘু শিখবোৰে পাগুৰি পিন্ধি স্কুল-কলেজলৈ যায়। যি বিজেপিয়ে হিজাব লৈ ইমান সৰব, সেই বিজেপিয়ে এই ভোটৰ সময়ত পাঞ্জাৱী শিখবোৰৰ কাষত গৈ পাগুৰি পিন্ধি স্কুললৈ যাব নোৱাৰিব বুলি কোৱাৰ সাহস দেখুৱাব পাৰিব জানো? সেয়া যদি নোৱাৰে, তেনেহ'লে কেৱল মুছলিম বিৰোধিতা কৰি হিন্দুত্ববাদী ভোটক সুসংহত কৰাৰ এই প্ৰাচীনতম ৰাজনৈতিক ৰণকৌশল কিয়? ভাৰতৰ দৰে এখন বিশাল দেশত হিন্দুত্ববাদী ৰাজনীতিৰ বাবে মুছলিম বিৰোধিতা ক্ৰমে বাঢ়িছে। এই ক্ৰমবৰ্ধমান সাম্প্ৰদায়িকতাৰ ৰাজনৈতিক মেৰুকৰণ কেতিয়াও কাংক্ষিত নহয়।

হিন্দুত্ব শব্দটো প্ৰথম উচ্চাৰণ কৰিছিল বাঙালী পণ্ডিত চন্দ্ৰবাবু বসুৱে (১৮৪৪-১৯১০)। ১৮৯২ত তেওঁ 'হিন্দুত্ব বা হিন্দুৰ প্ৰকৃত ইতিহাস' নামে এটা প্ৰবন্ধ লিখিছিল। সেই তথ্য লৈয়ে বিনায়ক দামোদৰ ছাভাৰকাৰে গঠন কৰিছিল 'হিন্দু মহাসভা'। নৰেন্দ্ৰ মোদী ক্ষমতালৈ অহাৰ পাছত হিন্দুত্বৰ ৰাজনৈতিক দৰ্শনক আৰু আগুৱাই লৈ গ'ল। খ্ৰীষ্টৰ জেফ্ৰেলোডৰ মতে ভাৰতত ক্ৰমে মুছলমানৰ এক মাৰ্জিনালাইজেচন হৈছে। ভোট বেংকো তৈয়াৰ হৈছে; কিন্তু মুছলমানৰ উন্নয়ন হোৱা নাই।

সংঘ পৰিয়ালৰ পৰা কোৱা হয় যে মুছলমানৰ জনসংখ্যা বাঢ়িছে। প্ৰাক্তন নিৰ্বাচন কমিছনাৰ এছ ওৱাই কুৰেশ্বিৰ 'দ্য পপুলেছন মিথ' নামৰ গৱেষণামূলক গ্ৰন্থই দেখুৱাইছে যে আচলতে মুছলমানৰ সংখ্যা কমিবলৈ আৰম্ভ কৰিছে।

সম্প্ৰতি কেৰাভান পত্ৰিকাত 'আদিত্যনাথ ৰেন অৱ টেৰোৰ' শিৰোনামৰ প্ৰচ্ছদ নিবন্ধত আদিত্যনাথক আখ্যা দিয়া হৈছে 'প্ৰিষ্ট অৱ ভায়োলেন্স'। বিজেপি কেৱল হিন্দুৰ দল বুলি পৰিচিত লাভ কৰিলে সামগ্ৰিক মুছলিম সমাজক পৰিত্যাগ কৰিলে সাম্প্ৰদায়িকতাৰ বিপদে ভাৰতক অস্থিৰ কৰি দিব পাৰে।


উত্তৰ প্ৰদেশ এই বাবেই গুৰুত্বপূৰ্ণ যে এয়া কংগ্ৰেছৰ ঘাটি আছিল। ১৯৪৭ৰ পাছত ১৪ গৰাকী প্ৰধানমন্ত্ৰীৰ ভিতৰত নজনেই আহিছিল উত্তৰ প্ৰদেশৰ পৰা। উত্তৰ প্ৰদেশৰ এই প্ৰাসংগিকতা আৰু গুৰুত্ব ভাৰতৰ ৰাজনীতিত আজিও আছে। এসময়ত আছিল কংগ্ৰেছ ছিষ্টেম। এতিয়া হৈছে বিজেপি ছিষ্টেম। বিজেপিৰো হৃদয়পুৰ হৈছে উত্তৰ প্ৰদেশ। বিজেপি হিন্দুত্ববাদী হোৱাটোৱে যদি শেষ মুহূৰ্তত গুৰুত্ব লাভ কৰে আৰু মেৰুকৰণৰ ৰাজনীতি হয়, তেনেহ'লে বিজেপিৰ বাবে সেয়া হ'ব দুখৰ বিষয়।

### ছয়

এগৰাকী সংস্কৃতিৱান ব্যক্তি, যি পেছাৰেই নহওক কিয়, যি পদবীত নাথাকক কিয়, শেষ পৰ্যন্ত তেওঁৰ একমাত্ৰ পৰিচয় তেওঁ মানুহ। আৰু মানুহৰ বিচাৰ হয় তাৰ মানৱীয় গুণেৰে। তেওঁ পেছাগত দক্ষতা, যোগ্যতা বিচাৰাৰ ঠাই বেলেগ। ৰাজনীতি কৰা মানে সত্য, ন্যায়, সৌজন্যবোধ আৰু মানৱীয় গুণ বিসৰ্জন দি তাৎক্ষণিক লাভৰ বাবে অথবা বিৰোধীক আঘাত কৰিবৰ বাবে যি ইচ্ছা, তাকেই কৰা বা কোৱা নহয়। Remember that your character is your destiny.

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# বেঙেনা এটাই মোক চাকৰি দিব নোৱাৰে



**সম্ৰাট** আকবৰ এজন জনপ্ৰিয় লোক আছিল। দেশত তেওঁক সকলোৱে ভাল পাইছিল। সাধাৰণ প্ৰজাৰ পৰা পালি-প্ৰহৰীয়া, কৰ্মচাৰী, বিষয়া, সকলোৱে সম্ৰাট আকবৰক ভাল পাইছিল। অৰ্থাৎ তেওঁক ভাল নোপোৱা মানুহ দেশত নাছিলেই।

আকবৰৰ এজন প্ৰিয় মন্ত্ৰী আছিল বীৰবল। দুয়ো প্ৰায় এৰা-এৰি নহৈছিলেই। মানে আকবৰ য'ত বীৰবল ত'ত। এদিন সম্ৰাট আকবৰে দুপৰীয়াৰ আহাৰ খাই আছিল। তেনে সময়তে বীৰবলে তাত উপস্থিত হৈছিল। সম্ৰাটে তেওঁক দেখি বৰ আহ্লাদিত হ'ল আৰু তেওঁক ওৱেলকাম কৰিলে। সিদিনা ৰান্ধনিয়ে বেঙেনাৰ ব্যঞ্জন ৰান্ধিছিল। বীৰবল গৈ পোৱাৰ লগে লগে আকবৰে ক'লে— আহা আহা বীৰবল, তুমি আহি ভালেই কৰিলা— তুমি বেঙেনাৰ ব্যঞ্জন বৰ ভাল পোৱা নহয়, খোৱা আজি পেট ভৰাই খোৱা, উগাৰ অহাকৈ খোৱা। বীৰবলে তেতিয়া বেঙেনাৰ গুণ-গাই এটা গানো গালে।

কেইদিন পাছত এদিন বীৰবল আহি সম্ৰাটে দুপৰীয়াৰ ভাত খাই থাকোতে আহি উপস্থিত হ'লহি। সম্ৰাটে আহ্লাদিত হৈ ক'লে— আহা আহা বীৰবল, তুমি অহা কাৰণে মই বৰ ভাল পাইছো। কিয় জানানে? তুমি বেঙেনাৰ আঞ্জা বৰ ভাল পোৱা নহয়, সেই কাৰণে মই বৰ ভাল পাইছো। মই বেঙেনা বৰ বেয়া পাওঁ, ইয়াৰ কেৱল গুটিবিলাক, ইয়াৰ একো সোৱাদেই নাই, ইয়াকো মানুহে খায়নে? এইবোৰ গৰু-ছাগলীয়েহে খায়। তেনেতে ৰান্ধনিটোৱে এক থাল বেঙেনাৰ তৰকাৰী লৈ আহি বীৰবলৰ কাঁহীত দিব খুজিলে। লগে লগে বীৰবলে ক'লে— নাই নাই, মোক নিদিবা, মই বেঙেনা বৰ বেয়া পাওঁ, এইবোৰো মানুহে খায়নে? এইবোৰ গৰু-ছাগলীয়েহে খায়। সম্ৰাটক দিয়া এওঁবোৰ তেওঁৰহে প্ৰিয়। সম্ৰাটে তেতিয়া কৰ্কশ কণ্ঠেৰে ক'লে— কি কোৱাহে বীৰবল, তুমিচোন মোক সদায় কৈছিলাহে যে বেঙেনা বৰ সোৱাদ যুক্ত পাচলি, ইয়াত বহুত আইৰণ আছে, আইৰণ দেহৰ কাৰণে অতি প্ৰয়োজন। আজি তুমি ইয়াক প্ৰত্যাখ্যান কৰিলা? আজি বেঙেনা দেখি তুমি নাক কোচালা। এতিয়া বেঙেনাৰ তুমি গন্ধকে সহ্য কৰিব নোৱাৰা হ'লা। তাৰ মানে তুমি নাও দেখিলেই ইপাৰ, নাও নেদেখিলে সিপাৰৰ দৰে মানুহ? তাৰ মানে তুমি থল চাই কঠিয়া পাৰা মানুহ?

**ৰিজু হাজৰিকা**

বীৰবল মহা বুধিয়ক মন্ত্ৰী বুলি সকলোৱে জানে। বীৰবলে তেতিয়া লগে লগে ক'লে— নহয় মোৰ প্ৰিয় সম্ৰাট, আপোনাৰ প্ৰতি মোৰ অগাধ ভক্তি আছে। আপোনাৰ কথা শুনিবই লাগিব। নহ'লে আপুনি মোক শাস্তি দিয়াৰ যথেষ্ট অধিকাৰ আছে, গতিকে আপুনি যি কয় মই শুনিবই লাগিব। আপোনাৰ আনুগত্য স্বীকাৰ কৰিবই লাগিব। নহ'লে আপুনি মোক শাস্তি দিব। মই আপোনাৰহে অধীন, বেঙেনাৰ অধীন নহয়, বেঙেনাই মোক একো কৰিব নোৱাৰে। মইহে তাক ওভোতাই কাটিম। বেঙেনাই মোক চাকৰি দিব নোৱাৰে, আপুনিহে চাকৰি দিয়াৰ গৰাকী। বীৰবলে হাঁহি হাঁহি কথাটো ব্যক্ত কৰিলে।

ৰজাৰ মানে আকবৰৰ খং, দ্বিধা, সংকোচ সব আঁতৰি গ'ল। তেওঁ হাঁহি হাঁহি ক'লে— ধন্য তুমি মোৰ মৰমৰ, বুধিয়ক, প্ৰত্যুৎপন্ন সম্পন্ন মন্ত্ৰী। তোমাক মন্ত্ৰী হিচাপে পোৱাটো মোৰেই ভাগ্য। আচলতে ৰাজ্যত বা দেশত মন্ত্ৰী সকলেহে কাম কৰে, ৰজাই একো নকৰে, ৰজাই কেৱল চহী মাৰে। গতিকে তুমি মোৰ মন্ত্ৰী নোহোৱা হ'লে মোৰ বিপদ আহিলহেঁতেন। তোমাক এতিয়া মোৰ কি পুৰস্কাৰ লাগে কোৱা। বীৰবলে নমস্কাৰ কৰি ক'লে— হে মোৰ মহামান্য সম্ৰাট আকবৰ, মোক একো নালাগে, লাগে আপোনাৰ ভাল পোৱা, মৰম স্নেহ, সান্নিধ্য আৰু মাজে মাজে আপোনাৰ লগত লাঞ্চ খাবলৈ। কাৰণ ৰজা-মন্ত্ৰীসকলৰ ভোজ মেলতহে কথা-বতৰা পতাৰ সুবিধা হয়। সেই কাৰণে সঘনাই ভোজ মেল পাতে। গতিকে আপোনাক সঘনাই লগ পাবলৈ ভোজ মেলৰ ব্যৱস্থা সঘনাই কৰক। সেয়ে মোৰ কাৰণে ডাঙৰ পুৰস্কাৰ।

সম্ৰাটে ক'লে— তথাস্তু।

# ধনৰ বাবে পায় দুখ মনৰ বাবে পায় সুখ

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— হেৰি, আজি দেখোন বহুত দেৰি হ'ল, অফিচত কিবা মিটিং-চিটিং আছিল নেকি?

— নাই, অফিচৰ পৰা সোনকালেই ওলাইছো ৰ'বা। বাটততহে পলম হ'ল।


— ক'ৰবালৈ গৈছিল নেকি?

— যোৱাত গৈছিলো। পিছে ভাবিছো, নোযোৱা হ'লেই ভাল আছিল কিজানি।

— কিয়? হ'ল কি?

— হেৰা, তুমি আমাৰ দুৰৰাহঁতৰ খবৰটো পাইছানে? টিভিৰ কিবা এটা প্ৰতিযোগিতাত যে পাঁচ লাখ টকা পালে।

— অ' পাইছো। পিছে কথাটো সঁচা জানো? গাজা মাৰা যেনহে পাওঁ।



— তোমাৰো যে কথা আৰু। কিয় মাৰিবহে গাজা? পাঁচ লাখৰ চেক আহি গ'লেই।

— মোৰ কিন্তু অকণো বিশ্বাস হোৱা নাই।

— তুমি বিশ্বাস নকৰিলে কি হ'বহে? যাৰ কপালত যি লিখা আছে সেয়া হ'বই। নগদ পাঁচ লাখ টকা পোৱাটো ধেমালিৰ কথা নেকি?

— শুনক, এইবোৰ ফাঁকি বুজিছে। জানো নহয়, নিজৰ নাম জহাবলৈকে এইখন নাটক কৰিছে। সিহঁতৰ কম দুষ্ট বুদ্ধি আছে নেকি?

— তুমি মোকো বিশ্বাস নকৰা নেকিহে? মই নিজে দুৰৰাহঁতৰ ঘৰলৈ গৈ আহিলো।

— সিহঁতৰ ঘৰলৈ আপুনি গৈছিল? কেতিয়া?

— অফিচৰ পৰা আহোতে বাহিৰে বাহিৰে সোমাই আহিছো। সেই কাৰণেহে ইমান দেৰি হ'ল মোৰ।

— সিহঁতৰ ঘৰলৈনো যাব লাগে কেলেই? কাম নাছিল আৰু আপোনাৰ?

— সুখে-দুখে মানুহৰ খা-খবৰ এটা লোৱা ভাল। তাতে আকৌ আমাৰ সমাজৰ প্ৰায়বোৰ মানুহেই গৈছে। মই নগ'লে ভাল হ'লহেঁতেন নেকি তুমিয়েই কোৱাচোন বাৰু?

— আপুনি গৈছে যাওক। মই কিন্তু সিহঁতৰ তালৈ নাযাওঁ। যিহে সিহঁতৰ বাহাদুৰি! মোৰ অকণো সহ্যই নহয়।

— অ-হে, তুমি কিন্তু এইষাৰ সঠিক কথাকেই কৈছা। আজিহে গম পালো মই। বৰ সাংঘাতিক বস্তুহে?

— আপুনি আজিহে চিনি পালে, মই কিন্তু বহুদিন আগতেই সিহঁতৰ তলা-নলা চব গম পাই গৈছো। আপুনি মানুহ চিনাত বৰ কেঁচা।

— মোৰতো তেওঁলোকৰ লগত কোনো ধৰণৰ ঘনিষ্ঠতা নাই, গতিকে কেনেকৈ চিনি পাম কোৱা? ৰাস্তাই-ঘাটে লগ পালে দুই-এষাৰ কথা পাতো, সিমানেই। আহ-যাহতো নায়েই।

— কথা পাতিলেই বুজিব পাৰি সিহঁত কিমান অহংকাৰী মানুহ। টকা-পইচা, ধন-সম্পত্তিক লৈয়েই ব্যস্ত থকা মানুহ সিহঁত। নিজৰ বাহিৰে আনৰ কথা তিলমাত্ৰও সিহঁতে নাভাবে জানেনে?

— হয় দিয়া, অতি স্বাৰ্থপৰ তেওঁলোক।

— অকল স্বাৰ্থপৰেইনে? মস্ত ফাঁকিবাজ। একৰ পিঠিত শূন্য লগাই দহ কৰা লোক। ওস্তাদী মৰাত পাকৈত।

— যিয়ে যিমান নামে সিমান তিতে বুজিছা? মিছা কথাৰ ঠেং চুটি বুলি তেওঁলোকে নাজানে নেকিহে?

— এইবোৰ এৰাব নোৱাৰা স্বভাৱ। বাৰু, সিহঁতে টকা পোৱাটো সঁচা নেকি?

— অ' সঁচা।

— আপুনি নিজ চকুৰে চেকখন দেখিছেনে?

— তোমাৰো যে কথা আৰু। চেকখন দেখুৱাবলৈ মই ক'ম নেকি?

— আপুনি কিয় ক'ব লাগে, সিহঁতে নিজে দেখুৱাব লাগে। কথাটো সঁচা হ'লে নিশ্চয় দেখুৱালেহেঁতেন বুজিছে। তাৰ মানে কথাটো সঁচা নহয়।

— নহয় যদি নহয় দিয়া। তুমি বিশ্বাস নকৰিলে নাই।

— মোৰ কিন্তু মনে গোন্ধাইছে।

— কি?

— হ'লেও পাঁচ লাখ টকা পোৱা নাই। পাইছে যদি বৰ বেছি এক লাখমান। পাঁচ লাখ পালে সিহঁতৰ উৎপাতত মানুহেই থাকিব নোৱাৰিলেহেঁতেন বুজিছে? জানো নহয় সিহঁতক।

— হয় দেই, কি মানুহহে তেওঁলোক? মোৰ লগত অলপ লাগিলেই।

— ভাল হৈছে দিয়ক, গৈছিলনো কিয়? কিহে পাইছিল আপোনাক কওকচোন?

— বাপৰে, কি ফুটনিহে তেওঁলোকৰ। লাজো নাপায়নে বাৰু! ইমান মানুহৰ আগত কেনেকৈ যে এইবোৰ কথা ক'ব পাৰে ভাবিয়েই নাপাওঁ।

— আমিহে নোৱাৰো, সিহঁতে পাৰে। সিহঁতে নোৱাৰা কাম একো নাই। বেছি বেছি কৰে বুজিছে। মুখেৰে সাত ৰজাৰ বজাৰ কৰে, অথচ মজাৰ কথাটো হ'ল ঘৰলৈ গ'লে চাহকাপো দিব নোৱাৰে।

— পাঁচ লাখ টকাৰেও বোলে এতিয়া তেওঁলোকক নোজোৰে বুজিছা? গাড়ী এখন ল'লেই হেনো টকাখিনি শেষ। ঘৰটোৰ ওপৰ মহলাৰ কামখিনি থাকিয়েই যাব। কমেও ১৫ লাখমান হ'লেহে বোলে কোনোমতে জোৰা-তাপলি দি চলিব পাৰিলেহেঁতেন।

— পুৰস্কাৰটো সিহঁতে কেনেবাকৈ মেনেজ কৰি লৈছে জানে! নহ'লে...

— যি কৰে কৰক ৰ'বা। মই দুৰৰাক ক'লো— বোলো আপুনি বৰ ভাগ্যৱানহে। এতিয়া মহাসুখেৰে দিনবোৰ পাৰ কৰিব পাৰিব দিয়ক। তেওঁতো ঘপহকৈ কৈ দিলে— আপোনাৰ সুখ নহ'ল বুলিয়েই আমাক হিংসা কৰিব নেকি?

— তাৰ পাছত? আপুনি মনে মনে থাকিল নেকি?

— কিয় থাকিমহে? ময়ো দিলো নহয় কৈ, আপোনাতকৈ মই বেছি সুখীহে। কাৰণ আপোনাৰ অভাৱ আছে, মোৰ কিন্তু অভাৱ নাই।

— তেনেকৈ ক'লে আপুনি?

— কিয় নক'ম? লগতে কি ক'লো জানা?

— কি?

— ক'লো যে পাঁচ লাখ টকা পোৱাৰ পাছতো আপোনাৰ টকাৰ আৰু প্ৰয়োজন আছে। পাঁচটা সন্তান পোৱাৰ পাছত মোৰ কিন্তু সন্তানৰ আৰু প্ৰয়োজন নাই। গতিকে আপোনাতকৈ মই বেছি সুখী, বুজিছে?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

দেওবৰীয়া দৈনিক অগ্ৰদূত

গুৱাহাটী, ২০ ফেব্ৰুৱাৰী, ২০২২ দেওবাৰ পৃষ্ঠা ৭

সাম্প্ৰতিক সময়ত ৰাজনৈতিক নেতাৰ হিন্দী বা ইংৰাজী ভাষাৰ জ্ঞান অন্যতম চৰ্চাৰ বিষয় হৈছে। ৰাজ্যৰ বাহিৰলৈ নিৰ্বাচনী প্ৰচাৰলৈ গৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হিন্দী ভাষাৰ প্ৰয়োগ সামাজিক মাধ্যমত চৰ্চাৰ বিষয়বস্তু হৈছিল। অতি শেহতীয়াকৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ হিন্দী ভাষাৰ উচ্চাৰণৰ সমালোচনাই উপলুঙা ৰূপ ধাৰণ কৰিছে। দৰাচলতে এজন ৰাজনৈতিক নেতাৰ উত্থানত ভাষা-জ্ঞান অপৰিহাৰ্য নে? এই বিষয়বস্তুক লৈ আজিৰ প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। *শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত—নয়ন কুমাৰ শৰ্মা, অৰূপ কলিতা।*

# ৰাজনৈতিক নেতাৰ ভাষা জ্ঞান

## নেতাৰ দায়বদ্ধতা চৰ্চাৰ বিষয় হ'ব লাগে

■ **অপৰাজিতা ভূঞা,** ৰাজ্যিক সম্পাদক, অসম ৰাজ্যিক বিজেপি



**ভাষা** হ'ল ভাব প্ৰকাশ, মত-বিনিময়ৰ অন্যতম শক্তিশালী মাধ্যম। বিভিন্ন ভাষাৰ জ্ঞান থাকিলে নিজৰ ক'বলগীয়াখিনি জনমানসত তুলি ধৰিবলৈ নিশ্চিতভাৱে সুবিধা হয়। সেয়েহে মাতৃভাষাৰ উপৰি আন ভাষাৰ ওপৰত দখল থকাটো নিশ্চয় প্ৰশংসনীয়। অৱশ্যে হিন্দী বা ইংৰাজী নজনাক লৈ সাম্প্ৰতিক সময়ত ৰাজনৈতিক নেতাৰ ক্ষেত্ৰত যি ধৰণৰ পৰিবেশ-পৰিস্থিতিৰ সৃষ্টি কৰা হৈছে সেয়াও গ্ৰহণযোগ্য নহয়। বিভিন্ন ৰাষ্ট্ৰনেতাৰ ক্ষেত্ৰতো আমি দেখিবলৈ পাইছো যে তেওঁলোকে মাতৃভাষাতে ভাষণ দি, নিজস্ব ভাব প্ৰকাশ কৰি জনসাধাৰণৰ মাজত উল্লেখনীয় স্থান দখল কৰাই নহয়, সমাদৃত হৈছে। বিশ্বৰ দৰবাৰত এনে নেতা বহু আছে। সেয়েহে আমি ভাবো যে ভাষাক নজনাটো ডাঙৰ অপ্ৰয়োজনীয় নহয়, কিন্তু ইয়াকে লৈ ঠাট্টা-মস্কৰা, উপলুঙাৰ পৰিবেশ সৃষ্টি হোৱাটো কোনো কাৰণতে কাম্য নহয়। এজন ৰাজনৈতিক নেতাৰ উত্থানত নিশ্চিতভাৱে ভাষা নজনাটো অন্তৰায় হ'ব নোৱাৰে। অৱশ্যেই ভাষাৰ দখল থকাটোৱে তেওঁৰ যাত্ৰাক অধিক মসৃণ কৰি তোলাৰ বহু সুযোগ কঢ়িয়াই আনিব পাৰে। বিভিন্ন সময়ত হিন্দী বা ইংৰাজী কওঁতে, ত্ৰুটি-বিচ্যুতি থাকিলেও সেয়া গ্ৰহণযোগ্য বুলি ক'ব পাৰি। আমাৰ বহুতেই এনে ধৰণৰ হিন্দী বা ইংৰাজী কয় য'ত শব্দৰ ব্যৱহাৰ বা উচ্চাৰণ সঠিক নহয়। ইয়াৰ ফলত ৰাজনৈতিক নেতাজনে ক'ব বিচৰাখিনি জনসাধাৰণে বুজি নোপোৱাকৈ নাথাকে। সেয়েহে প্ৰয়োজন এজন নেতাই মানুহৰ বাবে বোধগম্য হোৱাকৈ কথা ক'ব পৰাটোহে। সলসলীয়াকৈ নিখুঁত ভাষা ক'ব পৰাটোৱে তেওঁৰ একমাত্ৰ মাপকাঠি নহয়। ভাষা জনা বা নজনাক লৈ আলোচনা কৰি থকাৰ দৰকাৰতকৈ কোনো প্ৰয়োজন নাই বুলি মই ভাবো। ৰাজনৈতিক নেতাৰ কৰ্মদক্ষতা, দায়িত্ব পালনৰ প্ৰতি থকা তেওঁৰ দায়বদ্ধতা আদিহে আলোচিত বা চৰ্চিত হ'ব লাগে। নহ'লে বহু সময়ত মূল বিষয়ৰ পৰা বিচ্যুত হোৱাৰ অৱকাশ থাকিব।

জ্ঞানৰ কোনো পৰিধি নাই। যিকোনো কথা জনাটো নিশ্চিতভাৱে ভাল কথা। সেই বুলি নজনাটো দুৰ্বলতা হ'ব নোৱাৰে। সেয়েহে ভাষা নজনাটোৱে ৰাজনৈতিক অগ্ৰগতিৰ অন্তৰায় হ'ব নোৱাৰে। বৰ্তমান তথ্য প্ৰযুক্তিৰ যুগত বিশ্বৰ প্ৰায় সকলোৰে ভাষাকে অনুবাদ কৰি লোৱাৰ সুযোগ আছে। সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ ক্ষেত্ৰত অৱশ্যে হিন্দী বা ইংৰাজী ভাষাৰ কোনোবা এটাত কিছু দখল থাকিলে সুবিধাজনক বিবেচিত হয়। এই কথাও নুই কৰিব নোৱাৰি। সেই বুলি উচ্চাৰণ, কথনভংগী আলোচনাৰ বিষয় হ'ব নোৱাৰে। ৰাজনৈতিকৰ বাবে জনসাধাৰণৰ প্ৰতি থকা সূক্ষ্ম চেতনাবোধ অধিক বাঞ্ছনীয়।

## ভাষা ভাব আদান-প্ৰদানৰ মাধ্যম

■ **ৰাতুল কুমাৰ শৰ্মা,** অধ্যক্ষ, কামাখ্যা উচ্চতৰ মাধ্যমিক স্কুল



**ভাষা** হ'ল ভাব আদান-প্ৰদানৰ মাধ্যম। দুই বা ততোধিক লোকৰ মাজত কথা-বতৰাৰ উপায়।

সেয়ে ভাষাৰ ক্ষেত্ৰত বিশেষকৈ কথিত ভাষাত শব্দৰ বাছনিতকৈ ভাবেহে অধিক গুৰুত্ব লাভ কৰে আমাৰ বৰ অসমৰ নগাসকল, অৰুণাচলৰ লোকসকল আনকি অসমত থাকি অসমীয়া হৈ পৰা আন বহু ভাষী লোকে সাধাৰণভাৱে কোৱা অসমীয়া ভাষাটো ব্যাকাৰণসন্মত নহ'ব পাৰে, অথবা সাহিত্যৰ ফালৰ পৰা শুদ্ধ নহ'ব পাৰে, কিন্তু শুনিবলৈ বৰ শুৱলা আনকি বহু সময়ত শ্ৰুতিমধুৰ হয়। কোনেও তাত দোষ বিচাৰ নকৰে। কাৰণ স্বাভাৱিক সময়ত সৰলতা আৰু বিনম্ৰতা থাকে। কিন্তু ৰাজনীতিকৰ ভাষা সদায় উদ্দেশ্য প্ৰণোদিত হয়। ৭০-৮০ৰ দশকলৈ ৰাজনীতি মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত আছিল। ৰাজনীতিকৰ বুদ্ধিদীপ্ত আৰু ৰসাল কথা-বতৰাই মানুহক আকৰ্ষিত কৰিছিল। আজিৰ ৰাজনীতিকে ইচ্ছাকৃতভাৱে এহাতে তোষামোদ আৰু আনহাতে বিৰোধীক তুচ্ছ-তাচ্ছিল্য কৰিয়েই জনপ্ৰিয় হ'বলৈ চেষ্টা কৰে। বেছিভাগ সংবাদ মাধ্যমেও মছলা বিচাৰি তেনে বিতৰ্কিত মন্তব্য কৰা সকলৰ পিছে-পিছে ঘূৰে। সেয়ে বেছিভাগ ৰাজনীতিকে অসংস্কৃতিপূৰ্ণ কথা-বতৰাক প্ৰচাৰ কৌশল হিচাপেহে লোৱা দেখা যায়। এটা সময় আছিল, ৰাইজেই সক্ৰিয় সমাজকৰ্মী, ৰাইজৰ সুখ-দুখত সমভাগী হোৱা যোগ্যজনক নেতাৰূপে ৰাজনৈতিক প্ৰতিনিধিত্বৰ বাবে আগবঢ়াই দিছিল। এতিয়া ৰাজনীতি এক বৃত্তি। ক্ষমতা আৰু ৰাজনৈতিক নেতা হ'বলৈ ইচ্ছুকসকলে অনানুষ্ঠানিক কোৰ্চ কৰে। বিভিন্ন প্ৰকাৰে লোভ-লালসাৰে সমৰ্থক সৃষ্টি কৰি নেতা সাজে। তোষামোদৰ বাবে চাতুকাৰসকলক মোহাচ্ছন্ন কৰিবলৈ তেওঁলোকে বিচৰা কথা-বতৰা কৈ সস্তীয়া প্ৰচাৰ বিচাৰে। বৰ্তমান অধিকাংশ ৰাজনীতিকেই বহুৱালি কৰিয়েই প্ৰচাৰ মাধ্যমৰ মুখ্য স্থান দখল কৰে। নিজৰ বিৰোধীৰ বিষয়ে নেতিবাচক, শ্লেষমূলক মন্তব্য দিবলৈ একাংশই ইচ্ছাকৃতভাৱেই অশোভনীয় আনকি অসংস্কৃত শব্দ অথবা বাক্য চয়ন কৰি লয়। এই সকলে প্ৰচাৰ পোৱাৰ লগতে সমৰ্থকৰ তোষামোদ লাভ কৰে, দলতো বাঃ বাঃ পায়। গণতন্ত্ৰৰ নামত ভেল্কিবাজত সন্মোহিত হোৱা ভিৰতন্ত্ৰই নিৰূপিত কৰা ব্যৱস্থাত এই সকলেই নিজ স্বাৰ্থ পূৰণত সফল হয়, অন্ততঃ হ্ৰস্বম্যাদীভাৱে হ'লেও। বৰ্তমান বেছিভাগ ৰাজনীতিকৰ লক্ষ্যও ইমানেই। কিয়নো মূল্যবোধ অবিহনে দীৰ্ঘম্যাদী ৰাজনীতি অসম্ভৱ।

## ভাষা নজনাটো ৰাজনীতিকৰ উত্তৰণত বাধা বুলি কোৱাটো সমীচীন নহয়

■ **ড° তপন দাস,** মুখপাত্ৰ, অসম গণ পৰিষদ



**ভাষা** নজনাটো ৰাজনীতিকৰ উত্তৰণৰ ক্ষেত্ৰত বাধা বুলি পোনছাটেই কোৱাটো সমীচীন নহয়। বহু ৰাজনীতিক বা সামাজিক জীৱনৰ স'তে জড়িত ব্যক্তিয়ে তেনে বিশেষ ভাষাৰ দখল নোহোৱাকৈও ৰাইজৰ দুখ-কষ্টক প্ৰকৃতাৰ্থত অনুধাৱন কৰি সঠিক ব্যৱস্থাপনাৰ জৰিয়তে অবিৰতভাৱে জনসেৱাত ব্ৰতী হৈ অহাৰ বহু নিদৰ্শন আছে। ইয়াৰ মানে এইটো নহয় যে ভাষাৰ জ্ঞান অপ্ৰয়োজনীয়। ভাষা জনাটো আৰু ভাষাত দখল থকাটো বহু পৰিস্থিতিত বা বহু সময়ত ৰাজনৈতিক ব্যক্তি বা নেতাৰ ক্ষেত্ৰত লাভজনক বিষয় হিচাপেও পৰিগণিত হ'ব পাৰে; কিন্তু আঞ্চলিক ৰাজনীতিৰ স'তে জড়িত ব্যক্তি হিচাপে আমি অনুধাৱন কৰো যে মাতৃভাষাৰ সঠিক প্ৰয়োগ আৰু ব্যৱহাৰৰ মাজেৰে ৰাইজৰ মনৰ তাড়নাক সঠিকভাৱে হৃদয়ংগম কৰি আগবাঢ়ি যাব পাৰিলে ৰাজনৈতিক জীৱনত কোনো ধৰণৰ অন্তৰায়ৰ সৃষ্টি হ'ব নোৱাৰে। কাৰণ ৰাজনৈতিক বিচক্ষণতা আৰু গণভিত্তিহে ৰাজনীতিকৰ মূল অস্ত্ৰ। ভাষাৰ সাংঘাতিক দখল থকাটোৱে ৰাজনৈতিক ব্যক্তিক সহায় কৰিব পাৰে, কিন্তু সেয়া অপৰিহাৰ্য বুলি আজিকোপতি কোনো ৰাজনৈতিক পণ্ডিত বা সমালোচকে ন-দি কোৱা মনত নপৰে।

সৰ্বভাৰতীয় ৰাজনীতিৰ ক্ষেত্ৰত অৱশ্যে হিন্দী আৰু বহুল প্ৰচলিত ইংৰাজী ভাষাৰ কোনোবা এটাত ন্যূনতম দখল থকাটো বৰ সুবিধাজনক। সেই বুলি আমাৰ উত্তৰ-পূৱ ভাৰত বা দাক্ষিণাত্য, য'ত হিন্দীৰ বহুল প্ৰচাৰ নাই বা মুখে মুখে ভাষাটোৰ প্ৰচলন নাই, এনে অঞ্চলৰ নেতা বা ৰাজনীতিকৰ মুখত ভাষাটোৰ উচ্চাৰণৰ বেলিকা কিছু তাৰতম্য ঘটাটো স্বাভাৱিক। তেনে ক্ষেত্ৰত আমি সততে দেখিবলৈ পাওঁ যে হিন্দীভাষী লোকসকলেও তাক সহজভাৱে লোৱাৰ বিপৰীতে আমাৰ নিজৰ কিছু সংখ্যক লোকেহে উচ্চাৰণ নাজানিলে ভাষা প্ৰয়োগ কৰিব নালাগে, ভাষাটোৰ শৰাধ কৰিছে, আমাক লজ্জিত কৰিছে, এনেধৰণৰ মতামতৰ লগতে তুচ্ছ-তাচ্ছিল্যসূচক মন্তব্যৰে তেনে নেতা বা ৰাজনীতিকক জনমানসত হেয় কৰিবলৈ উদ্যত হয়। কিন্তু তেওঁলোকে বুজা উচিত যে মাতৃভাষাত বাদে আন ভাষাৰ ক্ষেত্ৰত তেনে হীন-ডেৰি ঘটাটো ইমান অস্বাভাৱিক নহয়। যিকোনো অন্য ভাষা-ভাষীৰ লোকেও অসমীয়া ভাষাত বক্তব্য ৰাখিলে বা ক'লে তেওঁলোকৰ ক্ষেত্ৰতো তেনে অসুবিধা হোৱাটো বহু সময়ত পৰিলক্ষিত হয়। তদুপৰি ভাষা শিকাৰ ক্ষেত্ৰত সকলোৱে জানিবলগীয়া আৰু মনত ৰাখিবলগীয়া সত্যটো হ'ল—ভাষা এটা শিকা যায় ভাষাটো ব্যৱহাৰ কৰিহে। কোৱাত বেছি জোৰ নিদিলেও ভাষাৰ জ্ঞান আয়ত্ত হ'ব পাৰে, কিন্তু পৰাই-নোৰৱাই, ভুলে-শুদ্ধই কৈ থাকিলেহে কোৱাত দক্ষতা বাঢ়ে। ৰাজনৈতিক ব্যক্তি বা নেতাৰ এটা ভাষণ বা বক্তব্যত উচ্চাৰণ বা গাঁথনিক দিশটো দুৰ্বল হোৱা বাবেই সমালোচকে তুচ্ছ-তাচ্ছিল্য কৰাৰ সময়ত এই কথাটো মনত পেলোৱা উচিত। মাতৃভাষাৰ দৰে আন ভাষাত দক্ষতা অৰ্জন কৰিবলৈ প্ৰথমে কোৱাৰ সুবিধা লাভ কৰিলেহে অনুক্ৰমে ভাষাটোৰ ক্ষেত্ৰত দক্ষতা আহৰণ কৰিব পৰা যাব। ৰাজনীতিকৰ বাবে ভাষাৰ দক্ষতাতকৈও সময়োপযোগী চিন্তা আৰু সেই চিন্তাক বাস্তৱায়িত কৰা সঠিক পদক্ষেপহে দৰকাৰী বিষয় হিচাপে পৰিগণিত হৈ আহিছে। চিন্তাৰ বাহন হৈছে ভাষা। ভাষাত প্ৰতিভাত নোহোৱা পৰ্যন্ত চিন্তা বিমূৰ্ত হৈ থাকে। যি ৰাজনীতিকৰ চিন্তা-চেতনাবোৰ কোনোকালেই শুদ্ধ নহয় তাক ভাষাৰ দক্ষতাৰে কেতিয়াও আগবঢ়োৱা সম্ভৱ নহয়। চিন্তা-চেতনা শুদ্ধ হ'লেহে যথাৰ্থ জ্ঞানত উপনীত হ'ব পাৰি আৰু যথাৰ্থ জ্ঞানৰ মাধ্যমেৰেহে সত্যোপলব্ধি হয়। গতিকে যদি চিন্তা শুদ্ধ হয় ভাষা অন্তৰায় হ'ব নোৱাৰে আৰু ৰাইজৰ মনৰ ভাষা বুজি পোৱা ৰাজনীতিকৰ উত্তৰণৰ ক্ষেত্ৰত ই কোনোকালে বাধকো হ'ব নোৱাৰে।

## ভাষাৰ দ্বাৰা ৰাজনীতিকে দেশৰ উন্নতি সাধন কৰিব নোৱাৰে

■ **নয়ন কুমাৰ শৰ্মা,** জ্যেষ্ঠ সাংবাদিক



**ভাষা** হ'ল মত-বিনিময়ৰ মাধ্যম। এজনে কোৱা ভাষা আন এজন লোকে যদি বুজি পায় তেতিয়াহ'লে ভাষাটোৰ বাবে সেয়াই যথেষ্ট। কোনে কিমান ভাষা জানে সেইটোতকৈ তেওঁ কেনেদৰে আনক তেওঁৰ মনোভাব প্ৰকাশ কৰিব পাৰিছে সেইটোহে গুৰুত্বপূৰ্ণ বিষয়। ইংৰাজী ভাষা নজনাকৈও ফিনলেণ্ড, থাইলেণ্ড, ফিলিপাইনৰ সুন্দৰীয়ে বিশ্ব সুন্দৰীৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছে। বিশ্ব ৰাজনীতিতো এই ছবিখন ব্যতিক্ৰম নহয়। ৰাছিয়াৰ প্ৰাক্তন ৰাষ্ট্ৰপতি চেখেইল গৰ্ভাচভে ৰাছিয়ান ভাষাৰেই বিশ্বৰ আন দেশৰ ৰাজনীতিকৰ স'তে মত বিনিময় কৰিছিল। এতিয়াও দক্ষিণ আফ্ৰিকা আৰু এছিয়া মহাদেশৰ এনে কিছু ৰাজনীতিবিদ আছে যিসকলে কেৱল নিজৰ দেশৰ ভাষাটোহে কয়। ব্যতিক্ৰম নহয় ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। এইগৰাকী নেতাই হিন্দী ভাষাত কথোপকথন কৰিয়েই আজি বিশ্ব ৰাজনীতিত দপদপাব পাৰিছে। এনে দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে ৰাজনীতিকৰ উত্তৰণৰ ক্ষেত্ৰত ভাষা প্ৰধান অন্তৰায় হ'ব নোৱাৰে।

দেশ, জাতি, ৰাজ্যক প্ৰতিনিধিত্ব কৰা ৰাজনীতিকসকলে যে সকলো ভাষা জানিবই লাগিব তেনে কোনো কথা নাই। কাৰণ ৰাজনীতিকৰ কাম দেশ, ৰাজ্য চলোৱা। দেশ বা ৰাজ্যৰ জনগণৰ সৰ্বাংগীণ উন্নয়নৰ বাবে কেনেকৈ কাম কৰিছে সেইটোৱে ডাঙৰ কথা। দেশ বা ৰাজ্যখনক আন দেশ বা ৰাজ্যৰ তুলনাত কিমান আগুৱাই নিব পাৰিছে সেইটোহে সবাতোকৈ উল্লেখনীয় বিষয়। এটা ৰাজনৈতিক দলক নেতৃত্ব দিবলৈ ভাষাৰ প্ৰয়োজন নাই, প্ৰয়োজন মাথোঁ ব্যক্তিত্ব আৰু নেতৃত্ব ল'ব পৰা গুণৰ। ভাষাৰ দ্বাৰা ৰাজনীতিকে দেশ বা ৰাজ্যৰ উন্নতি সাধন কৰিব নোৱাৰে। ভাষা এটাই এটা জাতিৰ সাহিত্য-সংস্কৃতিৰ উন্নয়নতহে আগভাগ ল'ব পাৰে।


জনপ্ৰতিনিধি এজনে ৰাজ্যসভা, লোকসভা তথা বিধানসভাৰ মজিয়াত নাগৰিকৰ সমস্যা তথা দেশৰ সমস্যাৰাজি ভালদৰে উপস্থাপন কৰিব পাৰিছে নে নাই সেইটো ৰাজনীতিকৰ বাবে প্ৰধান বিষয় হোৱা উচিত। তেওঁ কি ভাষাত ভাষণ দিছে অথবা কিমান ভাষাত বিষয়টো উপস্থাপন কৰিছে সেয়া মুখ্য বিষয় হ'ব নোৱাৰে। কিয়নো এনে বহুতো ৰাজনীতিক আছে যিসকলে বহুতো ভাষা ক'ব বা লিখিব জানে; অথচ তেওঁ যেতিয়া ভাষণ দিয়ে তেতিয়া মূল বিষয়টো উপস্থাপন কৰাৰ পৰিৱৰ্তে তেওঁৰ পাণ্ডিত্যহে জাহিৰ কৰে। এয়া প্ৰতিখন দেশৰ ৰাজনীতিকৰে চৰ্চাৰ বিষয়। গিয়ানি জাইল সিঙৰ শিক্ষাগত অৰ্হতা কিমান আছিল? অথচ তেওঁ ভাৰতৰ ৰাষ্ট্ৰপতিৰ দৰে সন্মানীয় পদ এটাত অধিষ্ঠিত হ'ব পাৰিছিল। গতিকে ভাষা ৰাজনীতিকৰ বাবে কেতিয়াও উত্তৰণৰ অন্তৰায় হ'ব নোৱাৰে।

শেহতীয়াভাৱে অসমৰ ৰাজনীতিত চলিছে হিন্দী, ইংৰাজীত ভাষণ দিয়া, সাক্ষাৎকাৰ দিয়াৰ অঘোষিত প্ৰতিযোগিতা। এতিয়া এনে এটা পৰ্যায় পাইছে গৈ যে তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মীসকলেও হিন্দী আদি ভাষাত ভাষণ দি নিজৰ জ্ঞানৰ পৰিসৰ জাহিৰ কৰিবলৈ ধৰিছে। অথচ তেওঁলোকৰ হিন্দী বা ইংৰাজীত দিয়া ভাষণ, কবিতা আদি শুনিলে মনত এনে এটি ভাব হয় যে তেওঁলোকে যেন শিশুৰ দৰেহে কথা ক'বলৈ ধৰিছে। '...হামাৰ দলকে প্ৰতি আকৰ্ষিত হো কে কান্দাকা আদমী হিলদল ভাং কে আয়া' ধৰণৰ কথাও এতিয়া চৰ্চাৰ বিষয়। আনকি এটা ৰাষ্ট্ৰীয় দলৰ ৰাজ্যিক সভাপতিয়ে মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ দিবলৈ গৈ যি ধৰণৰ হিন্দী প্ৰয়োগ কৰিছে তাৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছে যে এওঁলোকে কালিদাসকো অতিক্ৰম কৰিব। এনে ধৰণৰ ভাষণ বা কথোপকথনে তেওঁলোকৰ ব্যক্তিত্ব প্ৰকাশ কৰিছে।

নীলা শিয়ালৰ সাধু ছাগে এইসকল ৰাজনীতিকে পঢ়াও নাই অথবা শুনা বুলিও মনে নধৰে। ইমান দিন কেৱল অসমীয়াত ভাষণ আদি দিয়া বাবে অসমীয়া ৰাইজে অন্ততঃ তেওঁলোকৰ কথাখিনি বুজি পাইছিল। এতিয়া এইসকল নেতাই ৰাষ্ট্ৰীয় চেনেল আদিত সাক্ষাৎকাৰ দিবলৈ গৈ যি ধৰণৰ হিন্দী-ইংৰাজী ক'বলৈ ধৰিছে সেয়া হাস্যৰস সৃষ্টিৰ বাহিৰে আন একো নহয়। এওঁলোক এতিয়া একো এগৰাকী বহুৰূপী কৌতুক অভিনেতাহে হৈছে। তেওঁলোকে মনত ৰখা উচিত ৰাইজে ভাষা-শিকিবলৈ জনপ্ৰতিনিধি হিচাপে আগবঢ়াই দিয়া নাই, ৰাইজ আৰু দলৰ কাম কৰিবলৈহে সমৰ্থন কৰিছে। জ্ঞান আহৰণ, ভাষা শিকাটো ৰাজনীতিকৰ বাবে গুৰুত্বপূৰ্ণ বিষয়। পিছে ভাষা শিকিব নোৱাৰিলেও যে তেওঁলোকে ৰাষ্ট্ৰ তথা ৰাজ্য নিৰ্মাণত আগভাগ ল'ব পাৰে সেই কথাও উপলব্ধি কৰা উচিত।

## দিল্লীকেন্দ্ৰিক ৰাজনৈতিক দলৰ নেতাই হিন্দী-ইংৰাজী জনাটো দৰকাৰী

■ **টি এন পূৰৱ,** ব্যৱসায়ী



বিগত কেইদিনমান ধৰি অসমৰ কেইজনমান ৰাজনীতিবিদৰ মুখত শুনিবলৈ পোৱা হিন্দী ভাষাই অসমৰ ৰাইজৰ মাজত হাঁহিৰ খোৰাক যোগাইছে। ছ'চিয়েল মিডিয়াত বিষয়টোৱে যথেষ্ট চৰ্চা লাভ কৰিছে আৰু বহুতে ইয়াক লৈ ব্যংগ কৰাও দেখা গৈছে। অৱশ্যে ই স্বাভাৱিক, কাৰণ আমি সৰু থাকোতে শুনা ৰগৰ- ইধাৰ ছে মাটি কাতকৰ উধাৰছে পেলাই দে টাইপৰ হিন্দীয়েই চলি আছে ইয়াত। হিন্দী আমাৰ ৰাষ্ট্ৰভাষা । তথাপি দেশৰ গৰিষ্ঠসংখ্যক মানুহে ভাষাটো শুদ্ধকৈ ক'ব নোৱাৰে । কিন্তু এজন সাধাৰণ লোক আৰু ৰাজ্য এখনৰ বিয়াগোম বিয়াগোম ৰাজনীতিবিদৰ কথা একে শাৰীত ৰাখিব নোৱাৰি। যিহেতু অসমৰ বাহিৰত অসমীয়া ভাষা নচলে আৰু হিন্দী বা ইংৰাজীৰেই কাম চলাব লাগিব। দিল্লী কেন্দ্ৰিক ৰাজনৈতিক দলৰ নেতাই হিন্দী বা ইংৰাজী জনাটো দৰকাৰ। যিমানদূৰ জানো সাম্প্ৰতিক অসমৰ ৰাজনীতিৰ লগত জড়িত দুই এজনৰ বাহিৰে ইংৰাজীও গৰিষ্ঠ সংখ্যকৰ বাবে বলে নোৱাৰা শিল যেনহে লাগে। এনে ক্ষেত্ৰত দিল্লীৰ হাইকমাণ্ড নিৰ্ভৰ এই দলসমূহৰ নেতাসকলে কিদৰে ভাবৰ আদান প্ৰদান কৰে সেয়া যথেষ্ট চিন্তনীয় যেন লাগে। যিমানদূৰ জানো বা যিমান ৰাজনীতিবিদক খুব ওচৰৰ পৰা পাইছো তেওঁলোকৰো শিকাৰ বিশেষ আগ্ৰহ দেখা নাই। স্তাৱক পৰিবেষ্টিত এনে ৰাজনীতিবিদে দিল্লীক অসমৰ সমস্যা অৱগত কৰি তাৰ সফল সমাধানৰ উপায় আঁজুৰি আনিবলৈ কেনেকৈ সক্ষম হ'ব সেয়া এক উত্তৰবিহীন প্ৰশ্ন। ইয়াৰ পাছত আহো ৰাজনীতিবিদৰ ভাষাৰ শালীনতাৰ কথালৈ। দুই এজনক বাদ দি বৰ্তমানৰ ৰাজনীতিবিদসকলৰ ক্ষেত্ৰত শালীনতা আশা কৰাটো যেন পৰ্বতত কাছ কণী বিচৰাৰ দৰে হৈছেগৈ। সৌ সিদিনা আমাৰ মুখ্যমন্ত্ৰীয়ে তেলেংগানাত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ যি কাণ্ড কৰি আহিল তাৰ পাছত নিজকে অসমীয়া বুলি ক'বলৈও লাজ লগা হৈছে। সমগ্ৰ দেশতে আমাৰ মুখ্যমন্ত্ৰীৰ সেই অশালীন মন্তব্যই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সাংবিধানিকভাৱে নিৰ্বাচিত এজন সাংসদৰ পিতৃ পৰিচয় বিচাৰি ৰাজহুৱা সভাত মন্তব্য কৰি আমাৰ ৰাজ্যখনকে দেশবাসীৰ ওচৰত লজ্জানত কৰিলে । যিজন সাংসদৰ পিতৃক লৈ তেওঁ এই মন্তব্য কৰিলে এটা সময়ত সেইজনৰ এটা সাক্ষাৎ পালেই জীৱন ধন্য হোৱা বুলি ভাবিছিল, যি গৰাকী মাতৃক তেওঁৰ মন্তব্যৰে অপমানিত কৰিছিল সেই গৰাকীৰ ফটো এসময়ত তেওঁৰ উপাসনা গৃহত দেখা গৈছিল, যি গৰাকী পিতৃক অপমান কৰিছিল তেওঁ সন্ত্ৰাসবাদীৰ আক্ৰমণত মৃত্যুক আঁকোৱালি লৈছিল, যাৰ আইতাক সন্ত্ৰাসবাদীৰ গুলিত মৃত্যু হৈছিল আৰু যাৰ ককাক আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্যতম নেতা আৰু পাছলৈ স্বাধীন ভাৰতৰ প্ৰথমজন প্ৰধানমন্ত্ৰী তেনে এজন ব্যক্তিক ৰাজহুৱাকৈ অপমান কৰাৰ বৃথা চেষ্টা কৰি প্ৰমাণ কৰি দিলে যে চল-চতুৰীৰে, কেন্দ্ৰীয় নেতৃত্বক ব্লেকমেইল কৰি মুখ্যমন্ত্ৰীৰ চকী দখল কৰি লোৱা তেওঁ আৰু বহুত তললৈ নামিবলৈও কুণ্ঠাবোধ নকৰে। আমাৰেই দুৰ্ভাগ্য যে আমি এনে কিছুমান অপদাৰ্থক সংবিধানৰ দোহাই দি মানি ল'ব লগাত পৰিছো । আশা কৰো অদূৰ ভৱিষ্যতে এই সকলো অপশক্তিয়ে বিদায় ল'বলৈ বাধ্য হ'ব আৰু এক নতুন সম্ভাৱনাময় নেতৃত্বই আমাক আগুৱাই লৈ যাব ।

## ভাষা ৰাজনীতিকৰ উত্তৰণৰ বাধা নহয়

■ **দিলীপ শৰ্মা,** মুখপাত্ৰ, অসম প্ৰদেশ কংগ্ৰেছ কমিটী



**ভাষা** এজন ৰাজনীতিকৰ উত্থানৰ ক্ষেত্ৰত বাধা হয় বুলি মই কেতিয়াও নাভাবো। ভাৰতৰ দাক্ষিণাত্যৰ পৰা যিসকল নেতাই দেশক নেতৃত্ব দিছে, সেইসকলে নিজৰ ভাষাতে কথা কোৱাটো আমি এতিয়াও দেখিবলৈ পাওঁ। ৰাষ্ট্ৰীয় স্তৰতো এনে বিভিন্ন দলৰ নেতাসকলে নিজস্ব তামিল, তেলেগু আদি ভাষাতে কথা কয়। ভাৰতবৰ্ষৰ বিভিন্ন নেতাই ৰাষ্ট্ৰসংঘতো হিন্দীতে ভাষণ দিছে। সেয়া যিসকলৰ প্ৰয়োজন তেওঁলোকে ইংৰাজীলৈ ৰূপান্তৰ কৰি লৈছে। সেয়ে ভাষা ৰাজনৈতিক উত্থানৰ বাধা হ'ব পাৰে বুলি মোৰ মনে নধৰে। তৎসত্ত্বেও এটা কথা কও যে এজন সফল ৰাজনৈতিক নেতা হ'ব লাগিলে কোনো কোনো ক্ষেত্ৰত অৱশ্যে ভাষা জনাটো প্ৰয়োজনীয়। মোৰ এই কথাটো আপোনালোকে পৰস্পৰ বিৰোধী বুলি ধৰি নল'ব। ভাষা জনাটোৱে কেতিয়াবা সহায়ো কৰে। উদাহৰণ স্বৰূপে কংগ্ৰেছ দলৰ সৰ্বভাৰতীয় নেতা ৰাহুল গান্ধীয়ে বৰ সুন্দৰকৈ ভাষা প্ৰয়োগ কৰে। তেওঁ সুন্দৰ ইংৰাজী ক'ব পাৰে। আনকি আমাৰ সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীতকৈও ধুনীয়াকৈ ইংৰাজী ক'ব পাৰে।

এই কথাও মন কৰিব লাগে যে নিজৰ ভাষাত কথা ক'লে নিজস্ব ভাষা জনপ্ৰিয় কৰি তোলাৰ এটা সুযোগো থাকে। ৰাষ্ট্ৰীয় স্তৰত যদি নিজৰ ভাষাতে কথা কৈ এজন ৰাজনৈতিক নেতা আগবাঢ়ে তেন্তে ৰাষ্ট্ৰীয় স্তৰতো তেওঁৰ ভাষা পৰিচিত হৈ পৰে। মই কথাটো এইদৰেও ভাবো।

এতিয়া দেখা গৈছে যে অসমত হিন্দী ভাষাৰ ব্যৱহাৰক লৈ বিভিন্নজনে উপলুঙা কৰিছে। আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, তেওঁলোকৰ হিন্দী ভাষাক লৈ বিভিন্ন স্তৰত উপলুঙাসূচক মন্তব্য কৰা দেখা গৈছে। মই এইটো উচিত বুলি নাভাবো। প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ হিন্দীক উপলুঙা কৰাতকৈ তেওঁ যিখিনি কথা কৈছে তাৰ গুৰুত্ব আমি কিমানে অনুধাৱন কৰিব পাৰিছো। তেওঁৰ কথাৰ অৰ্থ, ভাবাদৰ্শ আমি কিমানে মূল্যায়ন কৰিছো? তেওঁ যথেষ্ট গুৰুত্বপূৰ্ণ কথা কৈছে। আমি সেয়াহে আলোচনা কৰা উচিত। আমি হিন্দী ক'ব পৰা নাই বুলিয়ে ব্যস্ত হৈছো। অথচ বাহিৰৰ নেতা এজনে অসমলৈ আহি যেতিয়া ভঙা ভঙা অসমীয়া কয় তেতিয়া আমি হাঁহো জানো। আমি তেতিয়া নাহাঁহো, পৰিৱৰ্তে গৌৰৱবোধ কৰো যে তেওঁ অসমীয়া ক'বলৈ চেষ্টা কৰিছে। যিসকলে হিন্দী ভাষা সলসলীয়াকৈ ক'ব পাৰে তেওঁলোকেও গৌৰৱবোধ কৰক যে অসমীয়া মানুহে হিন্দী ক'বলৈ চেষ্টা কৰিছে। আমি উপলুঙা কৰাতকৈ সেইদৰেও ভাবিব পাৰো।

## শব্দ উচ্চাৰণ আলোচনাৰ বিষয় হোৱা অনুচিত

■ **ৰাজীৱ চন্দ্ৰ শৰ্মা,** বিজ্ঞান ভাৰতীৰ উত্তৰ পূবৰ সমন্বয়ক




**বৰ্তমান** সময়ত অসমৰ সামাজিক মাধ্যমত ৰাজনীতিবিদৰ ভাষাক লৈ চৰ্চিত ঘটনাই সকলোকে উদ্বিগ্ন কৰিছে। সঁচা অৰ্থত ই এক চৰ্চিত বিষয় হয় নে আৰু যদি হয় তাৰ ইতিবাচক আৰু নেতিবাচক দিশ কেইটাও বিশ্লেষণ কৰাটো সচেতন নাগৰিক হিচাপে সকলোৰে দায়িত্ব। ৰাজনৈতিক বা সামাজিক জীৱনত ভাষাৰ জ্ঞান কিমান হোৱা উচিত বুলি সুধিলে ক'ব লাগিব যে ভাষাই হ'ল একমাত্ৰ মাধ্যম যাৰ যোগেদি এজন জনপ্ৰতিনিধিয়ে বা সমাজকৰ্মীয়ে ৰাইজৰ সকলো বিষয় সমাজৰ দৃষ্টিগোচৰ কৰাব পাৰে। যদি ভাষাৰ ব্যৱহাৰ শুদ্ধভাৱে নহয় ই যিকোনো বিষয়বস্তু সঠিকভাৱে উপস্থাপন কৰিব নোৱাৰে।

ভাষাৰ ব্যৱহাৰৰ কথা ক'বলৈ যাওঁতে ভাষাৰ প্ৰতি থকা জ্ঞান আৰু শব্দৰ উচ্চাৰণ এই দুটা বিষয়ৰ ওপৰত আলোচনাৰ প্ৰয়োজন। এজন মানুহৰ ভাষাৰ ওপৰত জ্ঞান আছে, কিন্তু তেওঁ শব্দৰ উচ্চাৰণ সঠিকভাৱে কৰিব পৰা নাই তেনে পৰিস্থিতিত ই কোনো দিনে আলোচনাৰ বিষয়বস্তু হোৱা উচিত নহয়। ভাষাৰ স্পষ্টতা সম্পূৰ্ণ চৰ্চাৰ ওপৰত নিৰ্ভৰ কৰে। লগতে স্থান বা ঠাই বিশেষেও ভাষাৰ উচ্চাৰণ (অৰ্থাৎ শব্দৰ) বেলেগ বেলেগ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে অসমৰ মানুহৰ হিন্দী, এজন বিহাৰৰ মানুহৰ হিন্দী বা এজন মহাৰাষ্ট্ৰৰ মানুহৰ হিন্দী উচ্চাৰণত কিছু ভিন্নতা অনুভৱ কৰা যায়। সেয়েহে ভাষাৰ উচ্চাৰণক লৈ সমালোচনা কৰাটো মোৰ দৃষ্টিত উচিত নহয়। আমি যদি ৰাজনীতিৰ প্ৰক্ষাপটত দৃষ্টিগোচৰ কৰো তেনেহ'লে দেখা পাম যে লালু প্ৰসাদ যাদৱে আজীৱন খুহুটীয়া হিন্দীৰে ভাৰতবৰ্ষৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। লগতে তেওঁ নিজৰ দক্ষতাৰে নিজকে এজন ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। সেইদৰে বহুতো ৰাজনৈতিক নেতাই ৰাষ্ট্ৰীয় ভাষা নোকোৱাকৈয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ নাম উজলাবলৈ সক্ষম হৈছিল। সেয়েহে ভাষাৰ উচ্চাৰণ লৈ একো একোজন জনপ্ৰতিনিধিৰ ওপৰত সমালোচনা কৰাটো মই এজন দেশৰ নাগৰিক হিচাপে সমৰ্থন নকৰো। এইটো সঁচা যে এজন জন প্ৰতিনিধিয়ে যিকোনো শব্দ উচ্চাৰণ কৰাৰ পূৰ্বে কিছু চৰ্চা কৰি লোৱাটো আৱশ্যক। কিন্তু তেওঁ কোৱা ভাষাৰে আমি ৭০ শতাংশ তেওঁ বুজাব বা কৈ থকাখিনি আমি বুজি পাওঁ তেনেহ'লে মোৰ দৃষ্টিত তেওঁৰ উচ্চাৰণক লৈ আলোচনা কৰাটো উচিত নহয়।

সেয়েহে সৰ্বশেষত মই ইয়াকে ক'বলৈ বিচাৰো যে কাৰোবাৰ ভাষিক উচ্চাৰণক লৈ সমালোচনা কৰাটো সমাজৰ কাৰণে ঠিক বুলি মানি ল'ব নোৱাৰি।

## ভাষাৰ প্ৰয়োগহে ডাঙৰ কথা

■ **ৰিংকু ৰয়,** সমাজকৰ্মী



**ভাষা** যিমানেই আয়ত্ত কৰিব পাৰি সিমানেই সুবিধা; কিন্তু ভাষাৰ ব্যৱহাৰ কেনেদৰে কৰা হয় সেয়াহে অতি গুৰুত্বপূৰ্ণ কথা। সমাজক নেতৃত্ব দিয়া লোকৰ ক্ষেত্ৰত এইকথা অধিক প্ৰযোজ্য। মাতৃভাষা সকলোৰে বাবে আটাইতকৈ সহজ হয় বুলিয়েই ক'ব পাৰি যদিও বৰ্তমান এই বিষয়তো প্ৰত্যাহ্বান আহিছে। শেহতীয়াকৈ হিন্দী, ইংৰাজী আদি ভাষাৰ ব্যৱহাৰক লৈ দেশজুৰি এক বিতৰ্কৰ সৃষ্টি হৈছে। তাতে এই বিতৰ্কৰ কেন্দ্ৰবিন্দু অসমৰ ৰাজনীতিক। যদিও ভাৰতৰ ৰাষ্ট্ৰভাষা হিন্দী তথাপি দেশখনৰ বহু মানুহেই হিন্দী সঠিকভাৱে ক'ব নোৱাৰে আৰু বহু ৰাজ্যৰ মানুহে কেৱল নিজৰ ৰাজ্যিক ভাষাকেই সৰ্বোপৰি মৰ্যাদা দি আহিছে। হিন্দীৰ ক্ষেত্ৰত দেখা যায় বিহাৰ, পঞ্জাৱ আদিৰ মানুহে হিন্দী ক'লেও তেওঁলোকৰ বহুতৰে কথাত মাতৃভাষাৰ সুৰ শুনা যায়। পশ্চিমবংগৰ বহু মানুহৰ ক্ষেত্ৰতো একেই হয়। কেৰালা, তামিলনাডু আদি ৰাজ্যৰ মানুহৰ ক্ষেত্ৰত হিন্দীৰ উচ্চাৰণ আৰু সুৰ তেওঁলোকৰ মাতৃভাষাৰ স'তেহে মিলে। একেই কথা অসমৰো বহু মানুহৰ ক্ষেত্ৰত হয়। কিন্তু অসমৰ বাহিৰে আন ৰাজ্যবোৰৰ মানুহে তেওঁলোকৰ মানুহৰ মুখত নিজা ভাষাৰ বাহিৰে হিন্দী বা আন ভাষা ক'লে হোৱা ভুল আৰু ধৰণক লৈ কেতিয়াও ইতিকিং কৰা দেখা নাযায়; কিন্তু অসমত অসমীয়া ভাষা ভুলকৈ ক'লেও কথা নাই কিন্তু আন ভাষাত খেলিমেলি হ'লে বহুতেই ঠাট্টা-মস্কৰা কৰে। এটা ভাষাৰ ক্ষেত্ৰতে ঠাই অনুযায়ী কথনভংগী সলনি হয়। তেনেক্ষেত্ৰত বেলেগ এটা ভাষা ক'লে হোৱা ভুলক লৈ কিয় ইতিকিং কৰিব লাগে? আমাৰ মাজত এটা ধাৰণা আছে ইংৰাজী নাজানিলে বিপদ হয়। কিন্তু দেখা যায় ৰাছিয়া, চীন আদি বহু দেশৰ মুৰব্বীয়ে বিদেশলৈ গ'লেও নিজৰ ভাষাতে বক্তৃতা দিয়ে। ভাষা জনাটো ভাল; কিন্তু ভাষাৰ ব্যৱহাৰহে তাতকৈ গুৰুত্বপূৰ্ণ কথা। যিকোনো ভাষাতে দক্ষ মানুহে যদি কথা কওঁতে নিম্নৰুচিৰ বাক্য কয়, আনক অপমানজনক কথা কয় তেতিয়াহে ভাষাৰ লগতে ৰাজ্য, জাতি আৰু সংস্কৃতি, শিষ্টাচাৰৰ মৃত্যু ঘটে। সমালোচনা কৰা আৰু অপমান কৰা দুটা বেলেগ বিষয়। এতিয়া ভাষাৰ নামত ইজনে আনজনক অপমান কৰাৰ প্ৰতিযোগিতাহে চলিছে। তাতে এইটো চলিছে ৰাজনীতিত। অসামাজিক বক্তব্যৰে প্ৰকৃত সমস্যাবোৰৰ পৰা মানুহক আঁতৰাই নিয়াটোৱেই এতিয়াৰ ৰাজনীতি। ৰাজনীতিক যিমানেই ভাষাৰ বিদ্বান হয় সিমানেই ভাল। আমোলাতান্ত্ৰিক দেশত ইংৰাজী আৰু হিন্দী জানিলে তেনে ৰাজনীতিকৰ বাবে সুবিধা হয়। বহু সময়ত এই ভাষা নজনা ৰাজনীতিকে ইংৰাজীত দক্ষ আমোলাৰ ওচৰত নিমাতে থাকে আৰু আমোলাসকলে তেওঁলোকে বিচৰা মতেই কাম কৰি যাব পাৰে। গতিকে ইংৰাজী আৰু হিন্দী ভাষা জনাটো প্ৰয়োজন বুলিয়েই ভাবো। কিন্তু কওঁতে সতৰ্ক হ'ব লাগে আৰু নক'বলগীয়া কথা কৈ মানুহৰ মাজত উত্তেজনা বঢ়োৱা কাম কৰাটো সকলোতকৈ বিপজ্জনক। এনেবোৰ কথা-বতৰাহে বন্ধ হ'ব লাগে। এতিয়া হোৱা ভাষাৰ উচ্চাৰণৰ আৰু জনা নজনাক লৈ হোৱা বিতৰ্ক ভাষাজ্ঞানক লৈ হোৱা নাই। মোৰ বোধেৰে এনে হৈছে মান অপমানক লৈহে। এই নক'বলগীয়া কথা কোৱা বেয়া কামটোক সমৰ্থন কৰাটো তাতোকৈ চিন্তাৰ কাৰণ হৈ পৰিছে।

## কামক লৈ চৰ্চা হওক

■ **পাৰ্থপ্ৰতীম শৰ্মা,** ছাত্ৰ



**ৰাজনীতিকৰ** কাম ৰাজনীতি কৰা। অৱশ্যে ৰাজনীতি মানে কুটিল ৰাজনীতিৰ কথা কোৱা নাই। দেশ, ৰাজ্য, জাতি তথা দল এটাৰ উত্তৰণৰ বাবে ৰাজনীতি কৰিব লাগে। অৱশ্যে ৰাজনীতি কৰিলেও তেওঁলোক সমানেই অধ্যয়নপুষ্ট হ'ব লাগিব। কাৰণ সাম্প্ৰতিক সময়ত দেশ, ৰাজ্যৰ লগতে বিশ্ব ৰাজনীতিত কেনে টো চলি আছে সেই বিষয়ে যদি সম্যক জ্ঞান আহৰণ কৰিব নোৱাৰে তেতিয়াহ'লে এজন ভাল ৰাজনীতিক হোৱাটো সম্ভৱ নহয়। জ্ঞান আহৰণৰ বাবে ভাষা অন্তৰায় হ'ব নোৱাৰে। তদুপৰি ৰাজনীতিক যে জ্ঞানী হ'লে সফল ৰাজনীতিক হ'ব পাৰিব সেয়াও নহয়। সেইবাবে ক'ব পাৰি যে ভাষা-ৰাজনীতিকৰ উত্তৰণত অন্তৰায় হ'ব নোৱাৰে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰা আৰম্ভ কৰি আন্তৰ্জাতিক পৰ্যায়লৈ সকলোতে দেখা যায় যে ইংৰাজী বা হিন্দী ভাষা নজনাকৈয়ো বিশ্ব ৰাজনীতিত উজলি উঠিব পাৰিছে নিজৰ কৰ্মৰাজিৰে। ৰাজনীতিৰ মূল উদ্দেশ্য হ'ব লাগে দেশৰ জনসাধাৰণে তেওঁলোকৰ ওপৰত ন্যস্ত কৰা দায়িত্ব সুকলমে পালন কৰাটো। কোনে কি ভাষা কৈ কাৰ্য সম্পাদন কৰিছে সেইটো চৰ্চাৰ বিষয় হ'ব নোৱাৰে। এজন নেতাই দল এটাক নেতৃত্ব দিবলৈ নেতাৰ গুণ থাকিব লাগিব। এজন কম জনা নেতায়ো দল এটাক ভালদৰে নেতৃত্ব দিব পাৰে। আনহাতে, পণ্ডিত এজনে নেতৃত্ব ল'লেও দলটো ধ্বংসৰ গৰাহলৈ যাব পাৰে। একেদৰে ৰাজনীতিৰ পথাৰত প্ৰৱেশ কৰা বা দপদপাই থকা ৰাজনীতিকসকলেও মাতৃ ভাষাৰ জৰিয়তেই সকলো কাৰ্য সম্পাদন কৰিব পাৰে। শুকুৰ আলীৰ দৰে হিন্দী বা ইংৰাজী কোৱাৰ প্ৰয়োজন নাই। এতিয়া অসমত হিন্দীত কথোপকথন কৰা ৰাজনীতিকৰ সংখ্যা বৃদ্ধি পাইছে। এওঁলোকৰ মুখত শুনা হিন্দী বা ইংৰাজীয়ে এতিয়া ৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো চৰ্চা লাভ কৰিছে। অৱশ্যে এওঁলোকক কৌতুক অভিনেতা বা ৰাজনীতিক হিচাপেহে ভাবিবলৈ ধৰিছে। তেওঁলোকৰ ভাষা, শব্দৰ জ্ঞান ৰাইজৰ আৰু বুজিবলৈ নাই। গতিকে ৰাজনীতিকৰ বাবে ভাষাটো গুৰুত্বপূৰ্ণ বুলি নাভাবো। কোনে কিমান জানিছে তাৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাতকৈ ৰাজনীতিৰ পথাৰত কোনে কিমান পানী ঘোঁদালিব পাৰিছে তাৰ ওপৰতহে গুৰুত্ব দিয়া উচিত। ভাষাক লৈ চৰ্চা হ'ব নালাগে।

## হাইটেক যুগত ভাষাৰ জ্ঞান প্ৰয়োজনীয়

■ **দিগন্ত বৰদলৈ,** লেখক



**ভাষা** জনাটো কিমান দৰকাৰী? নিজৰ মাতৃভাষাৰ উপৰি আমি আৰু কেইটা আন ভাষা জানিব লাগে? আন ভাষা জনাটো বাধ্যতামূলক হয় নেকি? এইধৰণৰ কথা কিছুমান সময়ে সময়ে আমাৰ মাজত আলোচিত হৈ থাকে। কিছুমান চৰকাৰী চাকৰিৰ বাবেও ইংৰাজী, হিন্দী আদিৰ বাহিৰেও যি ৰাজ্যত চাকৰি কৰিব, সেই ৰাজ্যৰ মূল যোগাযোগৰ ভাষা জনাটো জৰুৰী হৈ পৰে, বিশেষকৈ উচ্চপদস্থ চাকৰিয়ালৰ বাবে। কিন্তু জনপ্ৰতিনিধিৰ ক্ষেত্ৰত কি হ'ব? তেওঁলোকে নিজ নিজ মাতৃভাষাৰ উপৰি আন ভাষা জনাটো দৰকাৰী হয় নে নহয়? শেহতীয়াকৈ এই বিষয়টোৱে ব্যাপক খলকনিৰ সৃষ্টি কৰিছে আমাৰ ৰাজ্যৰ বিভিন্ন মহলত। কম বেছি পৰিমাণে আগেয়েও এই কথাটো আলোচিত হৈছিল যদিও অতি শেহতীয়াকৈ অসমৰ মুখ্যমন্ত্ৰী আৰু কংগ্ৰেছৰ ৰাজ্যিক সভাপতিৰ মুখৰ ভঙা ভঙা হিন্দীয়ে বিভিন্ন মহলৰ লগতে সামাজিক মাধ্যমতো বহুলভাৱে আলোচিত হোৱাৰ লগতে বহু পৰিমাণে হাঁহিৰ খোৰাকো যোগান ধৰিছে। জনপ্ৰতিনিধিসকলৰ সমাজৰ বিভিন্ন স্তৰৰ, বিভিন্ন ভাষা-ভাষী লোকৰ স'তে যোগাযোগ থাকে। গতিকে জনতাৰ মুখৰ ভাষা জনা থাকিলে জনপ্ৰতিনিধিসকলৰ ৰাইজৰ লগত যোগাযোগ ৰক্ষা কৰাত সুবিধা হয়। সাধাৰণ জনতাই নিজ সমষ্টিৰ বিধায়কগৰাকীৰ মুখলৈ চাই থাকে, নিজৰ বিভিন্ন সমস্যাৰ কথা বিধায়কগৰাকীকে ক'ব খোজে; কিন্তু বিধায়কগৰাকীয়ে যদি তেওঁলোকৰ মুখৰ ভাষা বুজি নাপায়, তেন্তে ভাবকচোন কেনে আহুকালৰ সৃষ্টি হ'ব? আকৌ, ৰাইজৰ সমস্যাবোৰৰ কথা জনপ্ৰতিনিধি এগৰাকীয়ে সদনত উপস্থাপন কৰিব, কি ভাষাত কৰিব সকলোৱে বুজিব? নিশ্চয় তেওঁ এটা সকলোৱে বুজি পোৱা ভাষাৰ মাধ্যমেৰে নিজৰ কথাখিনি উপস্থাপন কৰাটো যুগুত হ'ব। সেই ক্ষেত্ৰত জনপ্ৰতিনিধিগৰাকীয়ে আটায়ে বুজি পোৱা সেই নিৰ্দিষ্ট ভাষাটো জনা অতিকৈ জৰুৰী। ভাষা ভাব প্ৰকাশৰ এক মাধ্যম যদিও সততে লাইমলাইটত থকা আমাৰ সমাজৰ আগশাৰীৰ লোকসকলৰ ক্ষেত্ৰত কথাটো অলপ সুকীয়া। কেৱল ভাব প্ৰকাশৰ মাধ্যম বুলি ভাবি তেওঁলোকে সভা-সমিতি, টিভি আদিৰ সন্মুখত যদি দৈহিক ভাব ভংগী নাইবা বাৰমিহলি ভাষা এটা তৈয়াৰ কৰি কথা কয়, তেন্তে ভাবকচোন তেওঁৰ অৱস্থা কি হ'ব? তেওঁ প্ৰকাশ কৰিব খোজা কথাখিনি আন দহজনে বুজি পাব যদিও তাৰ আগেয়ে তেওঁ আন হেজাৰজনৰ দৃষ্টিত হাঁহিয়াতৰ পাত্ৰ হ'ব। এগৰাকী ভাল জনপ্ৰতিনিধিক কোনোবাই জানো হাঁহিয়াতৰ পাত্ৰ হোৱাটো বিচাৰে? হাঁহিয়াতৰ পাত্ৰ হোৱা সেই জনপ্ৰতিনিধিগৰাকীৰ পুতৌজনক ভাষাজ্ঞানে তেওঁক নিৰ্বাচিত কৰি পঠোৱা সমষ্টিৰ ৰাইজকো উপলুঙা কৰাৰ দৰে নহ'ব জানো? আমাৰ সংবিধানত সাংসদ বা বিধায়ক হ'বৰ বাবে এই ধৰণৰ কোনো অৰ্হতাৰ কথা কোৱা নাই যদিও এতিয়াৰ হাইটেক যুগত সুচাৰুৰূপে কাম-কাজ কৰিবলৈ ভাষাৰ জ্ঞান, বিশেষকৈ দেশত বহুলভাৱে প্ৰচলিত ভাষা ইংৰাজী আৰু হিন্দী জনাটো খুবেই প্ৰয়োজন।



# নাজিৰাত অপসাৰিত শ্ৰমিকক পুনৰ নিযুক্তিৰ দাবী

## অ' এন জি চিৰ বিৰুদ্ধে বিক্ষোভ বঞ্চিতৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৯ ফেব্ৰুৱাৰী ঃ** দেশৰ অন্যতম উদ্যোগ প্ৰতিষ্ঠান "তেল আৰু প্ৰাকৃতিক গেছ নিগম " অসম সম্পদ কৰ্তৃপক্ষই বিগত প্ৰায় দুটা দশক ধৰি খালী থকা বিভিন্ন পদত স্থানীয় নিবনুৱাক নিযুক্তিৰ পৰিবৰ্তে কম পৰিমাণৰ পাৰিশ্ৰমিকৰ জৰিয়তে ঠিকা শ্ৰমিক ব্যৱহাৰ কৰাই নহয় সম্প্ৰতি ইয়াৰ একাংশ শ্ৰমিকক অপসাৰিত কৰি শ্ৰমিকসকলৰ পৰিয়ালক পেটে ভাত মৰা কাৰ্যত লিপ্ত হোৱাৰ অভিযোগ উঠিছে । এই অপসাৰিত ঠিকা শ্ৰমিক সকলক পুনৰ মকৰলৰ লগতে অ' এন জি চি অসম সম্পাদক অইল ইণ্ডিয়া লিমিটেডৰ স'তে চামিল কাৰণৰ প্ৰস্তাৱ প্ৰত্যাহাৰ, ২০১৭ চনৰ পৰা স্থানীয় ঠিকা শ্ৰমিকসকলক পূৰ্বৰ নিৰ্ধাৰিত নতুন নিৰিখত দৰমহা প্ৰদান কৰা, ঠিকা শ্ৰমিক সকলে প্ৰতি বছৰে পাব লগা ৰজ্জ্ব দিনৰ ছুটিৰ সিদ্ধান্ত কাৰ্যকৰী কৰা, ই এছ আই, ই পি এড, গেছ্যুয়িটি আদিৰ থকা সমস্যা সমূহ শীঘ্ৰে সমাধান, নিগমৰ নিয়োজিত ঠিকা শ্ৰমিক সকলক যোগ্যতা অনুসৰি কেটেগৰীৰ ব্যৱস্থা, স্থানীয় ঠিকা শ্ৰমিক সকলক পে- শ্লিপ, পৰিচয় পত্ৰ দিয়াৰ ব্যৱস্থা কৰা আদিকে ধৰি ঠিকা শ্ৰমিক সকলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে বহুবাৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে নিগম কৰ্তৃপক্ষ, প্ৰশাসন আৰু বিভিন্ন দল— সংগঠনৰ সৈতে আলোচনাৰ জৰিয়তে সমাধানৰ আশ্বাস প্ৰদানৰ পাছতো নিগম কৰ্তৃপক্ষই প্ৰতিশ্ৰুতি ৰক্ষা কৰা নাই। তাৰ বাবে কালি পুনৰ অ' এন জি চি ঠিকা শ্ৰমিক ইউনিয়নৰ উদ্যোগত নাজিৰাস্থ মুখ্য কাৰ্যালয়ৰ সন্মূখত এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। নাজিৰা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰ প্ৰাঙ্গনৰ পৰা আৰম্ভ কৰি নগৰৰ মাজেৰে অ' এন জি চি অসম সম্পদৰ নাজিৰাস্থ মুখ্য কাৰ্যালয়ৰ সন্মুখলৈকে প্ৰতিবাদী সমদলেৰে ধৰ্ণা-বিক্ষোভৰ জৰিয়তে নিগমৰ কাম- কাজ অচল কৰি দিয়ে । কাৰ্যসূচীত অসম ৰাজ্যিক শ্ৰমিক সন্থাৰ সাধাৰণ সম্পাদক ৰমেন দাস, মুখ্য উপদেষ্টা কনক গগৈ, ফণী দাস আদিকে ধৰি ভালেকেইজনে বক্তব্য দাঙি ধৰি নিগমৰ বিৰুদ্ধে সৰল প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু ওপৰোক্ত দাবী সমূহ অহা ২০ মাৰ্চৰ ভিতৰত কাৰ্যকৰী নকৰিলে সৰ্বাত্মক ভাৱে অ' এন জি চি বন্ধৰ দৰে চৰম প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকিয়াই দিয়ে। পিছত অ' এন জি চি ঠিকা শ্ৰমিক ইউনিয়নৰ শিৱসাগৰ শাখাৰ সভাপতি ইনামুল হক আৰু সম্পাদক মদন বৰুৱাৰ স্বাক্ষৰেৰে নিগমৰ অসম সম্পদৰ কাৰ্যকৰী সঞ্চালকৰ যোগেদি অ' এন জি চিৰ মুখ্য পৰিচালনা সঞ্চালকলৈ এখনি স্মাৰক পত্ৰ প্ৰদান কৰে।

## হাজোৰ কৃষ্ণদেৱ হাইস্কুলত বিদায় সম্বৰ্ধনা সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ১৯ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো বিধানসভা সমষ্টিৰ অন্তৰ্গত কৃষ্ণদেৱ হাইস্কুলত কালি এক বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। শিক্ষানুষ্ঠানখনৰ সহকাৰী শিক্ষক পবিন তালুকদাৰে বিগত ৩৭ বছৰীয়া কৰ্ম জীৱনৰ অৱসান ঘটাই অৱসৰ গ্ৰহণ কৰাৰ অন্তত কালি শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে তেওঁক নিজ গৃহৰ পৰা আদৰি আনি তেওঁৰ দ্বাৰা এটি গছপুলি শিক্ষানুষ্ঠান চৌহদত ৰোপণ কৰে। ইয়াৰ পাছতে শিক্ষানুষ্ঠানখনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক অপূৰ্ব দাসৰ পৌৰোহিত্যত অনুষ্ঠিত কৰে এক সম্বৰ্ধনা সভা। সভাত শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু একাংশ শুভাকাংশী ৰাইজে বিদায়ী শিক্ষক তালুকদাৰৰ দীৰ্ঘদিনীয়া কৰ্ম জীৱনৰ স্মৃতি ৰোমন্থন কৰি এক আবেগ বিহ্বল পৰিৱেশৰ সৃষ্টি কৰে।

## ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই মুহিলে ৰাইজক



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৯ ফেব্ৰুৱাৰী ঃ** জীয়া ভৰলী পৰীয়া ৰাইজৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ ৫৭ সংখ্যক মহাবিদ্যালয় সপ্তাহ সমাৰোহ উপলক্ষে আজি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে উলিওৱা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই মোহিত কৰে ৰাইজক। মহাবিদ্যালয়ৰ চৌহদৰ পৰা ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰে কুসুমটোলা ব্যৱসায়িক কেন্দ্ৰস্থল হৈ পুনৰ মহাবিদ্যালয়লৈ উলিওৱা শোভাযাত্ৰাত অসমৰ সাংস্কৃতিক দিশটো সম্পূৰ্ণৰূপে প্ৰতিফলিত হোৱাৰ লগতে সাতামপুৰুষীয়া সম্প্ৰীতিৰ দিশটো প্ৰতিফলিত কৰাৰ চেষ্টা চলায় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। প্ৰায় তিনি কিলোমিটাৰ জুৰি উলিওৱা শোভাযাত্ৰাৰ জৰিয়তে অসমৰ সমস্যাসমূহো দাঙি ধৰিবলৈ চেষ্টা কৰে ছাত্ৰ-ছাত্ৰীসকলে।

## চতিয়াত গাঞ্জাসহ গ্ৰেপ্তাৰ এক

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১৯ ফেব্ৰুৱাৰী ঃ** চতিয়া আৰক্ষীয়ে যোৱা ১৯ ফেব্ৰুৱাৰীৰ নিশা এজন লোকক সাত কিলোগ্ৰাম গাঞ্জাসহ কৰায়ত্ত কৰে। আৰক্ষীয়ে চতিয়া ভূএগ্ৰাপাৰাৰ হাবিদলনি গাঁৱৰ সমীৰ আলীক গাঞ্জাসহ গ্ৰেপ্তাৰ কৰে।

## তিনিচুকীয়াৰ বাৰেকুৰিত চুলাই নষ্ট

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১৯ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া আবকাৰী বিভাগে কালি বাৰেকুৰি অঞ্চলত কে'বাটাও চুলাই ভাটি ধ্বংস কৰে। অভিযোগকাৰী দলটোৰ বাৰেকুৰি থানাৰ অন্তৰ্গত গৰিয়াটিং, মতাপুং, কাইচা, বেবেজীয়া আদি গাঁৱৰ আঠ স্থানত অভিযান চলাই ১০,৪০০ লিটাৰ চুলাই প্ৰস্তুত কৰা পাঁচ আৰু ২৬০ লিটাৰ চুলাই নষ্ট কৰে। তদুপৰি দলটোৱে চুলাই বনোৱাত ব্যৱহৃত সা-সঁজুলি ধ্বংস কৰে।

# চৰকাৰৰ ওপৰত ভৰসা নকৰি ৰাইজে আৰম্ভ কৰিলে গংগাধৰ নদীৰ খহনীয়াৰ বান্ধৰ কাম



**তামাৰহাট, ১৯ ফেব্ৰুৱাৰী ঃ** গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ঐতিহাসিক বাঘডোক্ৰা গাঁও গংগাধৰ নদীৰ বুকুত বিলীন হোৱাৰ পাছতো সুদৃষ্টি নপৰিল চৰকাৰৰ। দয়া নহ'ল জনপ্ৰতিনিধিৰ। প্ৰতি বছৰে তীব্ৰ বেগী গংগাধৰ নদীয়ে ভাঙি জনবসতিপূৰ্ণ অঞ্চল জংবন্ধা নিঃশেষ কৰাৰ পাছত বিগত চাৰি-পাঁচ বছৰত বাঘডোক্ৰা গাঁওখন সম্পূৰ্ণৰূপে নদীৰ বুকুত জাহ গৈছে। গাঁওখনৰ ১০ ভাগ নদীত যাবলৈ আছে। উক্ত খহনীয়া ৰোধ কৰিবলৈ বাঘডোক্ৰা অঞ্চলৰ ৰাইজে স্থানীয় বিধায়ক-সাংসদকে ধৰি ৰাজ্য চৰকাৰৰ স'তে একাধিকবাৰ আবেদন নিবেদন কৰিও কোনো সঁহাৰি লাভ নকৰিলে। যি সময়ত ৰাজ্যৰ আন প্ৰান্তৰ খহনীয়া প্ৰতিহত কৰিবলৈ চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে ঠিক সেই সময়ত নদীৰ বুকুত সৰ্বহাৰা হৈ পৰিছে বাঘডোক্ৰা অঞ্চলৰ ৰাইজে। বহু পৰিয়াল ভেটি-মাটি হেৰুৱাই পথৰ ভিক্ষাৰী হৈ পৰিছে। কিন্তু কোনো এখন চৰকাৰৰ খবৰ নাই নৈপৰীয়া এই অঞ্চল লৈ। যাৰ ফলত অঞ্চলটোৰ ৰাইজে চৰকাৰৰ দুৱাৰে দুৱাৰে ঘূৰি হাবাথুৰি খাই নিজে নিজৰ অৱশিষ্ট অঞ্চল নদীৰ পৰা ৰক্ষা কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। বৃহত্তৰ অঞ্চলৰ বাঘডোক্ৰা গাঁৱৰ ৰাইজে সকলো ব্যক্তিৰ পৰা সাধ্য অনুসৰি চান্দা সংগ্ৰহ কৰি আজিৰে পৰা খহনীয়া ৰোধৰ কামত লাগি পৰিছে। ৰাইজে সংগ্ৰহ কৰা ধনেৰে বস্তা আৰু ৰচি ক্ৰয় কৰি কাম আৰম্ভ কৰে। বস্তাত বালি ভৰাই ৰছীৰে নেট সাজি খহনীয়া ৰোধ কৰিবলৈ চেষ্টা চলাইছে। গাঁৱৰ সকলো ৰাইজে এই কামত সহযোগ কৰিছে। ৰাইজৰ দান-বৰঙণি লৈ নদী বান্ধৰ কাম আৰম্ভ কৰা বাঘডোক্ৰা অঞ্চলৰ ৰাইজক উৎসাহ দিবলৈ আৰু সহায় কৰিবলৈ বিটিচিৰ শ্ৰীৰামপুৰ সমষ্টিৰ এম চি এল এ নগদ ৫০ হেজাৰ টকা আৰ্থিক সহায় আগবঢ়ায়। বাঘডোক্ৰা অঞ্চল বিটিচি অঞ্চলৰ নহয় যদিও সজল সিংহৰ নিকটৱৰ্তী অঞ্চল বাবে আজি ৰাইজে আৰম্ভ কৰা নদী বান্ধৰ কাম মুকলি কৰি আৰ্থিক সহায় কৰে। উল্লেখ্য যে বিগত বিধানসভাৰ উপ-নিৰ্বাচনৰ সময়ত বাঘডোক্ৰা অঞ্চলৰ নদীৰ খহনীয়া ৰোধ কৰিবলৈ চৰকাৰে শীঘ্ৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু অভিভাৱক মন্ত্ৰী অশোক সিংহাল নিৰ্বাচনী সভাত প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। কিন্তু উপ-নিৰ্বাচন অতিক্ৰম কৰাৰ দুই-তিনিমাহ পাছতো খহনীয়াগ্ৰস্ত বাঘডোক্ৰা অঞ্চলৰ কথা মনত নপৰিলে।

## উত্তৰকুছিত এছ এছ বিৰ উদ্যোগত গাহৰি পালনৰ প্ৰশিক্ষণ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ১৯ ফেব্ৰুৱাৰী ঃ** বাগ্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ উত্তৰকুছিত সশস্ত্ৰ সীমা বল চমুকৈ এছ এছ বিৰ ৬৪ নম্বৰ বেটেলিয়ন আৰু মানস চৌকী ইক' ট্যুৰিজিম ছ'চাইটিৰ উদ্যোগত মহিলা সৱলীকৰণৰ বাবে যোৱা ১৮ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হৈছে গাহৰি পালনৰ ১৫ দিনীয়া প্ৰশিক্ষণ কৰ্মশালা। এছ এছ বিৰ ৬৪ নম্বৰ বেটেলিয়নৰ চিভিক একচন আঁচনিৰ উদ্যোগত এই প্ৰশিক্ষণ প্ৰদান কৰিব। এই উপলক্ষে এছ এছ বি আৰু মানস চৌকী ইক' ট্যুৰিজিম ছ'চাইটিৰ উদ্যোগত উত্তৰকুছিত এখন সভা অনুষ্ঠিত হয়। সভাত এছ এছ বিৰ ৬৪ নম্বৰ বেটেলিয়নৰ ডি আই জি জগদিপ পাল সিং, কামাণ্ডেন্ট নন্দ কিশোৰ টামটা, সহকাৰী কামাণ্ডেন্ট সঞ্জীৱ পুনীয়া, প্ৰেম কুমাৰ, গাঁওবুঢ়া সদানন্দ দাসৰ লগতে কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে, এই কাৰ্যসূচীৰ লগতে স্থানীয় দুখন বিদ্যালয় ক্ৰমে দক্ষিণকুছি ইউ এন মাধ্যমিক বিদ্যালয় আৰু উত্তৰ বীজগাঁও প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক পৰিচ্ছন্নতা আৰু অনাময় আদিৰ বিভিন্ন সামগ্ৰী বিতৰণ কৰাৰ লগতে মানৱ আৰু পশুৰ বিনামূলীয়া স্বাস্থ্য শিবিৰৰো আয়োজন কৰে। উল্লেখ্য যে এই গাহৰি পালন প্ৰশিক্ষণ কাৰ্যসূচীত মুঠ ২৫ গৰাকী মহিলাই অংশগ্ৰহণ কৰিছে।

### ৰাইজে অৱৰোধ কৰিলে পথ

## শিৱসাগৰত অবৈধ বিল খননৰ বিৰুদ্ধে প্ৰতিবাদ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৯ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰৰ ঐতিহাসিক লংচাই বিলখন ৰত্নেশ্বৰ টায়ে নামৰ এজন লোকে অবৈধভাৱে খনন কৰি পুখুৰী খন্দোৱা কাণ্ডৰ প্ৰতিবাদক কালি স্থানীয় ৰাইজে জিলাখনৰ ডেকা বৰবৰুৱা পথ অৱৰোধ কৰে। উল্লেখ্য যে লংচাই বিল স্থানীয় লোকৰ জীৱিকাৰ একমাত্ৰ সম্বল। স্থানীয় নিবনুৱা লোকে লংচাই বিলত মাছ-পুঠি ধৰি জীৱিকা মোকলাই আহিছে। কিন্তু এইদৰে বিলত কৰা অবৈধ খননে ৰাইজৰ জীৱিকাৰ প্ৰতি ভাবুকি আনিছে। শিৱসাগৰ জিলা প্ৰশাসনক এই সন্দৰ্ভত লিখিত অভিযোগ দাখিল কৰাৰ পাছতো আজিলৈকে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে ৰাইজ ক্ষুব্ধ হৈ আজি এই অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে। টায়েৰ লগত শিৱসাগৰ জিলাৰ অভিভাৱকমন্ত্ৰী ৰণোজ পেগুৰ সু-সম্পৰ্ক থকাৰ বাবে জিলা প্ৰশাসনে টায়েৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। স্থানীয় লোকৰ ওপৰত কৰা এনে অত্যাচাৰ বন্ধ নহ'লে আত্মজাহৰ ভাবুকি দিছে প্ৰতিবাদকাৰীসকলে।

## কাইলৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ ৯২ সংখ্যক বাৰ্ষিক অধিবেশন

বিশেষ সংবাদদাতা

**নগাঁও, ১৯ ফেব্ৰুৱাৰী ঃ** উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয়-সাহিত্য আৰু সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ ৯২ সংখ্যক বাৰ্ষিক অধিবেশন অহা ২০ ফেব্ৰুৱাৰীত নগাঁও জিলা শাখাৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি জ্যোতিপ্ৰসাদ ভূএগ্ৰা আৰু সম্পাদক তোযেশ্বৰ বৰাই কালি সংবাদ মাধ্যমৰ আগত জানিব দিয়া মতে, সেইদিনা পুৱা প্ৰাতঃ প্ৰসংগ, পৰিৱেশ নিকাকৰণ, ধৰ্মধ্বজা উত্তোলন কৰিব জিলা শাখাৰ সভাপতি জ্যোতিপ্ৰসাদ ভূএগ্ৰাই। জ্যোতিপ্ৰসাদ ভূএগ্ৰাৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা প্ৰতিনিধি সভা উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শৰণ সদস্য উমাকান্ত হাজৰিকাই। বিয়লি পতাকা অৱনমনৰ পাছত সন্ধিয়া বন্তি প্ৰজ্বলনৰে জিলা শাখা বাৰ্ষিক অনুষ্ঠানৰ সামৰণি পৰিব।

## কৃষ্ণাইৰ টুকুৰাত বাঘ কৰায়ত্ত

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১৯ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা জিলাৰ টুকুৰাৰ পাজাবান্ধা গাঁৱত কালি দুপৰীয়া উদ্ধাৰ হয় এটা বাঘ। জানিব পৰা গাঁওখনত পুখুৰী খননত ব্যস্ত থকা শ্ৰমিকে প্ৰথমে প্ৰত্যক্ষ কৰে বাঘটো। ইয়াৰ পাছতে গাঁওখনত হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হয়। মুহূৰ্ততে খবৰটো বনজুইৰ দৰে বিয়পি পৰে সৰ্বত্ৰ। বাঘ ওলোৱাৰ খবৰ পাই শ শ লোক আহি সমবেত হয় পাজাবান্ধা গাঁৱত। সমবেত ৰাইজে কৌশলেৰে কৰায়ত্ত কৰে বাঘটো। ইফালে, বাঘ ওলোৱাৰ খবৰ পাই ঘটনাস্থলীত উপস্থিত হয় কৃষ্ণাই আঞ্চলিক বন বিভাগৰ বিষয়া-কৰ্মচাৰী। অৱশেষত বন বিভাগৰ লোকে বাঘটো লতামাকৰি বাঘ বুলি চিনাক্ত কৰে আৰু বাঘটো কাষৰীয়া অজগৰ বনাঞ্চলত মুকলি কৰি দিয়ে।

# জামুগুৰিত পাঁচ হেজাৰ মহিলাক অৰুণোদয়ত অন্তৰ্ভুক্ত কৰা হ'ব ঃ পদ্ম

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৯ ফেব্ৰুৱাৰী ঃ** 'মোৰ সমষ্টিৰ একমাত্ৰ পৌৰসভাৰ আগন্তুক নিৰ্বাচনত এইবেলি এশ শতাংশ প্ৰাৰ্থীয়েই বৃহৎ ভোটৰ ব্যৱধানত জয়ী হ'ব। ইতিমধ্যে চাৰি নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থীগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। জামুগুৰি পৌৰসভা অঞ্চল উন্নয়নৰ বাবে ইতিমধ্যে তিনিকোটি ৰাজ্য চৰকাৰে মোকলাই দিছে।' এই মন্তব্য চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ। কালি সমষ্টিটোৰ অন্তৰ্গত জামুগুৰিহাটস্থিত বাপুজী ভৱনৰ প্ৰেক্ষাগৃহত পৌৰসভা নিৰ্বাচনক কেন্দ্ৰ কৰি এখন পৃষ্ঠা প্ৰমুখ সন্মিলনত অংশগ্ৰহণ কৰি আৰু কয় যে পৌৰসভা অঞ্চলত এখন বৈজ্ঞানিক সন্মত আটক ধুনীয়া শ্মশান নিৰ্মাণৰ লগতে দুই লাখকৈ টকা দুখীয়া দৰিদ্ৰ ৰাইজৰ গৃহ নিৰ্মাণৰ বাবে আবন্টন দিয়াৰ বিষয়েও জানিবলৈ দিয়ে। ইয়াৰ উপৰি সমষ্টিটোত পাঁচ হেজাৰ মহিলাক নতুনকৈ অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব বুলি মন্তব্য কৰে বিধায়ক হাজৰিকাই। নদুৱাৰ মণ্ডল বিজেপিৰ সভাপতি জয়ন্ত বৰাৰ সভাপতিত্বত অনুষ্ঠিত পৃষ্ঠা প্ৰমুখ সন্মিলনত অংশগ্ৰহণ কৰি শোণিতপুৰ জিলাৰ প্ৰভাৰী নীলিমা দেৱীয়ে কয় যে আমাৰ জিলাৰ আটাইকেইখন পৌৰসভাই বিজেপিয়ে দখল কৰিব। তৃণমূল পৰ্যায়ত আমাৰ সংগঠনে অধিক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিছে। সভাত বিজেপিৰ শোণিতপুৰ জিলাৰ সভাপতি বাটাচ ওৰাঙে দলৰ ভেটি অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ লগতে ছয় মাৰ্চৰ নিৰ্বাচনত জামুগুৰি পৌৰসভা অঞ্চলৰ ১০টা ৱাৰ্ডৰ বিজেপি প্ৰাৰ্থীসকলক জয়ী কৰি আনিবলৈ আহ্বান জনায়। সভাত জামুগুৰি পৌৰসভা অঞ্চলৰ ১০ টা ৱাৰ্ডৰ পৃষ্ঠা প্ৰমুখসকল উপস্থিত থাকে।

## শিলপোতা সত্ৰত বাৰ্ষিক পালনামৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**আজাৰা, ১৯ ফেব্ৰুৱাৰী ঃ** আজাৰা ৰাজহ চক্ৰৰ পূব মাজিৰগাঁওস্থিত ঐতিহাসিক শিলপোতা সত্ৰত অহা ২৬ ফেব্ৰুৱাৰীৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে সপ্তত্ৰিংশত্তম বাৰ্ষিক পালনামৰ আয়োজন কৰা হৈছে। ইতিমধ্যে পালনাম সুচাৰুভাৱে পৰিচালনাৰ বাবে বিশ্বজ্যোতি পাঠকক সভাপতি, অমূল্য দাসক সম্পাদক আৰু ৰোহিনী কুমাৰ কলিতাক সহ সম্পাদকৰূপে লৈ এখন আদৰণি সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২৬ ফেব্ৰুৱাৰীৰ পুৱা সত্ৰৰ চৌহদত চাফাই অভিযান, সন্ধিয়া বন্তি প্ৰজ্বলন। বন্তি প্ৰজ্বলন কৰিব সত্ৰ পৰিচালনা সমিতিৰ মুখ্য উপদেষ্টা কণিকা পাঠকে আৰু সন্ধিয়া নাম-প্ৰসংগ। ২৭ ফেব্ৰুৱাৰীত আইসকলৰ নাম-প্ৰসংগ, বাপসকলৰ নাম-প্ৰসংগ, ভকত আদৰণি আৰু পালনাম। আবেলি পালনামৰ সামৰণি। অনুষ্ঠানৰ সকলো কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা তথা উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

## নগাঁৱৰ সমাজকৰ্মী অগপ নেতা ভৰেন শইকীয়াৰ বিয়োগ

বিশেষ সংবাদদাতা

**নগাঁও, ১৯ ফেব্ৰুৱাৰী ঃ** নগাঁও চহৰৰ সমীপৱৰ্তী মাহৰোল জুৰীয়া গাঁৱৰ নিবাসী তথা আঞ্চলিক দল অসম গণ পৰিষদৰ নগাঁও জিলা সমিতিৰ নেতা সমাজকৰ্মী, ভৰেন শইকীয়া ওৰফে জান্টি (৫৬)ৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। যোৱা ১৩ ফেব্ৰুৱাৰীৰ নিশা প্ৰায় ১০ বজাত নৈশ আহাৰ গ্ৰহণ কৰাৰ পাছত হঠাৎ অসুস্থ হোৱাত পৰিয়ালৰ লোকে তেওঁক ততাতৈয়াকৈ নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰে। দুদিন ধৰি চিকিৎসা সেৱা প্ৰদান কৰাৰ পাছতো শইকীয়াৰ স্বাস্থ্যৰ কোনো উন্নতি নোহোৱাত তেওঁক ১৫ ফেব্ৰুৱাৰীৰ বিয়লি সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। মন্ত্ৰী কেশৱ মহন্তৰ তৎপৰতাত এটি বিশেষজ্ঞ চিকিৎসকৰ দলে অহৰ্ণিশে চিকিৎসা সেৱা প্ৰদান কৰাৰ পাছত যোৱা নিশা তেওঁ মৃত্যুৰ ওচৰত হাৰ মানে। নিশা অগপ নেতাজনৰ মৃতদেহ নিজ বাসগৃহত উপস্থিত হোৱাৰ লগে লগে অসংখ্য গুণমুগ্ধ, দলীয় নেতৃবৃন্দ, পৰিয়ালবৰ্গ, আত্মীয়সকলৰ মাজত এক অভাৱনীয় শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। তেওঁৰ মৃত্যুত মন্ত্ৰী কেশৱ মহন্ত, প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, অগপৰ নগাঁও জিলা সমিতিৰ সভাপতি মণিমাধৱ মহন্তই শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰসহ একমাত্ৰ পুত্ৰক এৰি যায়।

## জংঘলব্লক হাইস্কুললৈ গ্ৰন্থ দান

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৯ ফেব্ৰুৱাৰী ঃ** বিশ্ব গ্ৰন্থ দান দিৱসৰ লগত সংগতি ৰাখি মৰিয়নিৰ সমীপৰ জংঘলব্লক হাইস্কুলত যোৱা ১৮ ফেব্ৰুৱাৰীত অনুষ্ঠুপীয়াকৈ এক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত মৰিয়নি মহাবিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীৰ লগতে অধ্যাপিকায়ো অংশগ্ৰহণ কৰে। শিক্ষক নগেন গগৈয়ে বিশ্ব গ্ৰন্থ দান দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। বিদ্যালয়খনৰ গ্ৰন্থাগাৰত মৰিয়নি মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে জংঘলব্লক হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা বহুসংখ্যক হাতে লিখা আলোচনী, চিঠিৰ এলবাম, মানচিত্ৰ অংকন আৰ্হিৰ লগতে জৈৱ-বৈচিত্ৰ্যৰ তথ্য আৰু লোকৃকৃষ্টিৰ সম্পৰ্কে কিছু আভাস লয়। এই অনুষ্ঠানতে বিশ্ব গ্ৰন্থদান দিৱস উপলক্ষে ২০ জন ছাত্ৰ-ছাত্ৰীৰ লগতে ইংৰাজী বিভাগৰ প্ৰবক্তা উদেষ্ণা টায়ে, হয়নেইকিপ হাওলাই, অঞ্জু শৰ্মা আদিয়ে মুঠ ৫২ খন অমূল্য গ্ৰন্থ জংঘলব্লক হাইস্কুল গ্ৰন্থাগাৰলৈ দান কৰে।

## অৱসৰপ্ৰাপ্ত শিক্ষক নোমল শইকীয়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণ গাঁও, ১৯ ফেব্ৰুৱাৰী ঃ** দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত মিছামৰাৰ দৈয়ংগীয়া গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক নোমল শইকীয়া (৮৬)ৰ আজি দুপৰীয়া বাৰ্ধক্যজনিত কাৰণত নিজা গৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুগৰাকী জীয়ৰী আৰু এজন পুত্ৰৰ লগতে বহু আত্মীয়ক এৰি গৈছে। ২০০৪ত দেৰগাঁৱৰ চকিয়াল কুমাৰ গাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা শইকীয়াৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।



ডিমৌত পৌৰসভাৰ নিৰ্বাচনৰ প্ৰচাৰ, শনিবাৰে।

## শোণিতপুৰত সুৰা নিষিদ্ধ দিন ঘোষণা

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৯ ফেব্ৰুৱাৰী ঃ** ৰাজ্য চৰকাৰৰ আবকাৰী বিভাগৰ সচিবৰ নিৰ্দেশৰ ভিত্তিত শোণিতপুৰ জিলা প্ৰশাসনে শোতিপুৰত অহা ছয় মাৰ্চত

### পৌৰসভা নিৰ্বাচন

অনুষ্ঠিত হ'ব লগা জিলাখনৰ চাৰিখন পৌৰসভাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অহা চাৰি মাৰ্চৰ বিয়লি চাৰি বজাৰ পৰা ছয় মাৰ্চৰ বিয়লি চাৰি বজালৈ জিলাখনত সুৰা নিষিদ্ধ দিন ঘোষণা কৰিছে। তদুপৰি অহা ন মাৰ্চত পৌৰ নিৰ্বাচনৰ ভোট গণনাৰ দিনটোও সুৰা নিষিদ্ধ দিন হিচাপে ঘোষণা কৰা হৈছে আৰু গণনা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত এই নিৰ্দেশ বাহাল থাকিব বুলি এক বিজ্ঞপ্তিত উল্লেখ কৰিছে। এই সময়ছোৱাত জিলাখনৰ সকলো অনুজ্ঞাপত্ৰধাৰী সুৰাৰ বিপণী, পানশালা, ক্লাব, দেশীয় সুৰা, সুৰাৰ খুচুৰা তথা পাইকাৰী বিক্ৰেতা আদি বন্ধ থাকিব। এই সময়ছোৱাত সকলো ধৰণৰ আৰু যিকোনো লোকৰ বাবেই সুৰাৰ ক্ৰয়-বিক্ৰয় আৰু ব্যৱহাৰ সমগ্ৰ জিলাখনতে নিষিদ্ধ কৰা হৈছে। কোনো লোকে এই নিষেধাজ্ঞা অৱমাননা কৰিলে আবকাৰী আইনৰ নিৰ্দিষ্ট ধাৰা অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও প্ৰশাসনে সকীয়াই দিছে।

## মৰাণত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, প্ৰাক্তন খেলুৱৈ তোযেশ্বৰ চুতীয়াৰ স্মৃতিচাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৯ ফেব্ৰুৱাৰী ঃ** সদ্যপ্ৰয়াত ডিব্ৰুগড় জিলাৰ অন্তৰ্গত মৰাণ ডোমৰ দলং মাজবিল গাঁৱৰ নিবাসী জ্যেষ্ঠ নাগৰিক, অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তোযেশ্বৰ চুতীয়াৰ এখন স্মৃতিচাৰণ সভা চুতীয়াৰ বাসগৃহত কালি অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে চুতীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ সাংবাদিক মৰাণ মহকুমা সাংবাদিক মঞ্চৰ কাৰ্যকৰী সভাপতি বাছা বৰাই। প্ৰয়াত চুতীয়াৰ কৰ্মময় জীৱন সম্পৰ্কে আলোকপাত কৰে। স্মৃতিগ্ৰন্থ 'শ্ৰেয়ান' উন্মোচন কৰে সাংবাদিক শোভিত কুমাৰ ছেত্ৰীয়ে। স্মৃতিগ্ৰন্থৰ সম্পাদক বিজিত কুমাৰ নেওগে আঁত ধৰা সভাত চুতীয়াৰ জীৱন আৰু কৰ্মৰাজিৰ সম্পৰ্কে ভাষণ আগবঢ়ায় মন্ত্ৰী বিমল বৰা, বিশিষ্ট সাহিত্যিক ডাঃ লোহিত কুমাৰ বৰা আদিয়ে। কণ্ঠশিল্পী বিপিন চাউদাং, শিক্ষক মোহনলাল উপাধ্যায়, ডাঃ অমল শ্বাহ, বংশীধৰ লাহন, গকুল খাউণ্ডকে মুখ্য কৰি শতাধিক ৰাইজ সমবেত হোৱা সভাখনত আদৰণি ভাষণ আগবঢ়ায় চুতীয়াৰ কনিষ্ঠ পুত্ৰ ড° স্বপন কুমাৰ চুতীয়াই। উল্লেখ্য যে যোৱা ২৬ জানুৱাৰীৰ পুৱা ৬-৪৫ বজাত নিজ বাসগৃহত চুতীয়াৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৪ বছৰ। বৰপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, আজীৱন শিক্ষাব্ৰতী, সাহিত্য-সংস্কৃতিৰ নিষ্ঠাবান সেৱক, প্ৰাক্তন ফুটবল খেলুৱৈ, চুতীয়া মৰাণৰ বৃহত্তৰ বৰপথাৰ অঞ্চলত শিক্ষাৰ জ্যোতি বিলাই এটা পোহৰৰ অক্ষয়-অব্যয় উৎস হিচাপে পৰিচিত আছিল। ১৯৯৬ত বৰপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ লৈ ২০১৩ত জাতীয় বিদ্যালয়ৰ আৰ্হিত প্ৰতিষ্ঠা কৰা বাল্য বিকাশ বিদ্যালয়ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰূপে যোগদান কৰি ২০১৬ত উক্ত দায়িত্বৰ পৰা অব্যাহতি লয়।

# মাৰ্ঘেৰিটাত ২৩৯৯০ ভোটাৰে নিৰ্ণয় কৰিব ২৪ প্ৰাৰ্থীৰ ভাগ্য

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ১৯ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চৰ অনুষ্ঠিত হ'বলগীয়া পৌৰসভা নিৰ্বাচনৰ বাবে তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা পৌৰসভাৰ মুঠ ১০টা ৱাৰ্ডৰ বাবে মনোনয়নৰ অন্তিম দিনটোত বিভিন্ন ৰাজনৈতিক আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে মুঠ ২৫ খন মনোনয়নপত্ৰ মহকুমাধিপতি কাৰ্যালয়ত প্ৰদান কৰে। বিজেপিয়ে ন খন, অগপই এখন, কংগ্ৰেছে পাঁচখন, জাতীয় পৰিষদে পাঁচখন আৰু নিৰ্দলীয়ই চাৰিখন আসনৰ বাবে মনোনয়নপত্ৰ দাখিল কৰে। ইফালে, ১৭ ফেব্ৰুৱাৰীত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা লগতে মনোনয়ন প্ৰত্যাহাৰৰ দিন ধাৰ্য কৰা হৈছে ২০ ফেব্ৰুৱাৰী। অৱশ্যে ইয়াৰে জাতীয় পৰিষদৰ ১০ নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী ববিতা থাপাই মনোনয়নপত্ৰ প্ৰত্যাহাৰ কৰিছে। আনহাতে, মাৰ্ঘেৰিটা পৌৰসভাৰ ভোটাৰৰ সংখ্যা হৈছে ২৩,৯৯০ গৰাকী। পুৰুষ ভোটাৰ ১২১৩৪ জনৰ বিপৰীতে মহিলা ভোটাৰ হৈছে ১১৮৫৬ গৰাকী। নগৰখনৰ মুঠ ৩০ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটাৰ ৰাইজে ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইতিমধ্যে মাৰ্ঘেৰিটা মহকুমা প্ৰশাসনে ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰিবৰ বাবে প্ৰয়োজনীয় সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠা বুলি জানিবলৈ দিছে নিৰ্বাচনী বিষয়াজনে। ইপিনে, নিৰাপত্তাৰ ক্ষেত্ৰতো মাৰ্ঘেৰিটা মহকুমা তথা আৰক্ষী প্ৰশাসনে বিশেষভাৱে সতৰ্কতা অৱলম্বন কৰা বুলিও প্ৰশাসনৰ তৰফৰ পৰা সংবাদ মাধ্যমক অৱগত কৰিছে।

## ভৱানীপুৰ হেপী ক্লাবৰ গছপুলি ৰোপণ

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ১৯ ফেব্ৰুৱাৰী ঃ** বজালী জিলাৰ স্বেচ্ছাসেৱী সংগঠন 'হেপী ক্লাব'ৰ উদ্যোগত কালি গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ভৱানীপুৰৰ ৩৩৯ নম্বৰ ভৱানীপুৰ নিম্ন বুনিয়াদী বিদ্যালয় আৰু ১৫২৩ নম্বৰ সৰ্বে বৈশ্য প্ৰাথমিক বিদ্যালয়ত নিমগছৰ দৰে মূল্যবান গছপুলিকে ধৰি বিভিন্ন ধৰণৰ গছপুলি ৰোপণ কৰা হয়। গছপুলি ৰোপণ কৰি 'হেপী ক্লাব'ৰ মুখ্য সচিব হেমাংগ তালুকদাৰে কয় যে বৰ্তমান বহু ঠাইতে গছ-গছনি কটাৰ ফলত অক্সিজেনৰ পৰিমাণৰ দিনক দিনে কমি আহিছে। সেয়ে, হেপী ক্লাবে গছপুলি ৰোপণ কাৰ্যসূচী পুনৰ আৰম্ভ কৰিছে আৰু বিভিন্ন ঠাইৰ অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাজহুৱা ঠাইত পুনৰ গছপুলি ৰোপণ কাৰ্যসূচী হাতত লোৱা হ'ব। কাৰ্যসূচীত দুয়োখন বিদ্যালয়ৰ পৰিচালনা সমিতিৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীকে ধৰি 'হেপী ক্লাব'ৰ তৰফৰ পৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰে মুখ্য উপদেষ্টা কমল কুমাৰ ডেকা, কাৰ্যকৰী সভাপতি দীপাংকৰ দাস, উপ-সভাপতিদ্বয় জয়ন্ত ভৰালী আৰু কুলজিৎ তালুকদাৰ, মুখ্য সচিব হেমাংগ তালুকদাৰ, সচিবত্ৰয় ৰুবুল চৌধুৰী, দিগন্ত দাস আৰু বিদ্যুৎ বিকাশ তালুকদাৰ, সাহিত্য সচিব সঞ্জীৱ সাগৰ দাস আৰু কাৰ্যালয় সচিব অভিজিত ঠাকুৰীয়া।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
যোৰহাট, ২০ ফেব্ৰুৱাৰী, দেওবাৰ, ২০২২ পৃষ্ঠা ১১

## গ্ৰন্থিৰ অসুখৰ বাবে ক্লান্তিবোধ হয়



প্ৰায়ভাগ লোকে মাজে সময়ে ক্লান্তিবোধ কৰে। প্ৰথমতে এদিন বা দুদিন ক্লান্তিবোধ হোৱাৰ পাছত লাহে লাহে সঘনাই হ'বলৈ ধৰে। এনে ক্লান্তিবোধ বিভিন্ন কাৰণত হ'ব পাৰে যদিও সাধাৰণতে এণ্ডোক্ৰিণ গ্ৰন্থিৰ বাবে হোৱা দেখা যায়। এণ্ডোক্ৰিণ গ্ৰন্থি সংক্ৰান্ত ৰোগ মানে অন্তঃক্ষৰন গ্ৰন্থিৰ সমস্যা। এই সকলো ৰোগৰ প্ৰায়ভাগৰ ক্ষেত্ৰতে হৰমনৰ তাৰতম্য হয়। শৰীৰৰ বিভিন্ন গ্ৰন্থিয়ে ভিন্ন হৰম'ন ক্ষৰণ কৰে। এই হৰম'নে বিভিন্ন ধৰণৰ ঘটা নিয়ন্ত্ৰিত কৰে। কোনো কাৰণত যদি হৰম'নৰ তাৰতম্য ঘটে তেতিয়াহ'লে ক্লান্তিবোধ হ'ব পাৰে।

থায়ৰয়ড গ্ৰন্থিৰ তাৰতম্যৰ বাবেও এনেধৰণৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে। এই গ্ৰন্থিটো আমাৰ ডিঙিৰ সন্মুখৰ ফালে থাকে। সাধাৰণতে হাইপো ৰায়ৰয়ড আৰু হাইপাৰ ৰায়ৰয়ডৰ সমস্যা থাকিলে ক্লান্তিবোধ কৰে। হাইপো থায়ৰয়েডিজিমত লাহে লাহে ক্লান্তি ভাব হ'বলৈ ধৰে। কিছুমানৰ এনে হ'লেও ৰোগবিধ ধৰা পৰালৈকে বহু মাহ হৈ যায়। ক্লান্তিবোধৰ লগে লগে হাত-ভৰি আদিত বিষ হ'বলৈ ধৰে।

**গ্ৰন্থিৰ বাবে যেতিয়া**

**অ**গ্ৰাশয়ত যেতিয়া উপযুক্তভাৱে ইনছুলিন প্ৰস্তুত নহয়, তেতিয়া ডায়েবেটিছৰ সমস্যাই দেখা দিয়ে। ইয়াৰ প্ৰাথমিক লক্ষণ হিচাপে বিশেষ উপসৰ্গই দেখা নিদিয়ে যদিও খুব দুৰ্বল অনুভৱ কৰে। ক্লান্তিবোধৰ সৃষ্টি হয়। আক্ৰান্ত লোকজনে দৈনন্দিন অৰ্থ পৰিচালনাৰ সময়ত সমস্যাৰ সৃষ্টি হোৱা দেখা যায়।

আমাৰ শৰীৰৰ থাইৰয়ড গ্ৰন্থিৰ পাছফালে চাৰিটা পেৰাথাইৰয়ড থাকে। ইয়াৰ পৰাই পেৰাথৰমন হৰম'নৰ ক্ষণৰ বেছি হয়। ফলত তেজত কেলচিয়ামৰ পৰিমাণ বৃদ্ধি পায়। যেতিয়া এনে ধৰণৰ সমস্যাৰ সৃষ্টি হয় তেতিয়া আক্ৰান্ত লোকজনে ক্লান্তিবোধ অনুভৱ কৰে। আক্ৰান্তজনৰ কাম-কাজ কৰিবলৈ মন নাযায়। আনহাতে, প্ৰয়োজনতকৈ পেৰাথৰমনৰ ক্ষৰণ কম হ'লে তেজত কেলচিয়ামৰ পৰিমাণ হ্ৰাস পায়। পিটুইটাৰ গ্ৰন্থিক 'মাষ্টাৰ গ্লেণ্ড' বুলি কোৱা হয়, এই গ্ৰন্থিটো মস্তিষ্কৰ তলৰ অংশত থাকে। এই গ্ৰন্থিৰ প্ৰধান কাম হ'ল আন এণ্ডোক্ৰিপ গ্লেণ্ডৰ ক্ষৰণ নিয়ন্ত্ৰণ কৰাটো। কোনো কাৰণত এই গ্ৰন্থিটোৱে যদি সঠিকভাৱে কাৰ্য সম্পাদন নকৰে, তেতিয়াহ'লে ক্লান্তিবোধ হ'বলৈ ধৰে। যেতিয়া শৰীৰত অতিৰিক্ত ওজন বৃদ্ধি পায় অৰ্থাৎ মেদবহুলতাৰ সমস্যাই গা কৰি উঠে তেতিয়াহ'লেও ক্লান্তিবোধ হ'ব পাৰে । মেদবহুলতাৰ বাবে 'শ্লিপএপনিয়া' হ'ব পাৰে। এনেহ'লে মস্তিষ্কই সঠিক পৰিমাণে অক্সিজেন লাভ নকৰে। ফলত লোকজনৰ দুৰ্বল অনুভৱ হয়। ক্লান্তিবোধৰ বাবে কাম-কাজ সঠিকভাৱে কৰিব নোৱাৰা হয়। এনে ধৰণৰ সমস্যাৰ সৃষ্টি হ'লে পলম নকৰি সদায় চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

বিশ্বত অতি সম্প্ৰতি যিবোৰ ৰোগক লৈ সৰ্বাধিক চৰ্চা হৈছে সেইবোৰৰ ভিতৰত অন্যতম হ'ল হেপাটাইটিছ 'বি'। কে'বাবছৰ আগলৈকে এইবিধ ৰোগ সম্পৰ্কে বহুতো লোকেই জ্ঞাত নাছিল যদিও এতিয়া এনেৰোগত আক্ৰান্তৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য মতে, বিশ্বত কমেও ২৯৮ নিযুত লোক এই ৰোগত আক্ৰান্ত। তথ্য মতে, বছৰি কমেও ৮২০০০০ জন লোকৰ মৃত্যু হয় চিৰোছিছ আৰু হেপাটো চেলুলাৰ কাৰ্চিনোমাত। এইবিধ ৰোগে প্ৰাণৰ সংশয়ো সৃষ্টি কৰে।

# হেপাটাইটিছ 'বি'


**ৰোগৰ লক্ষণসমূহ**

● এই ৰোগত আক্ৰান্ত হোৱাৰ লগে লগে পেটৰ বিষ হ'বলৈ ধৰে।

● প্ৰস্ৰাৱৰ বৰণ সলনি হয়। হালধীয়া অথবা ঈষৎ ক'লা বৰণৰ প্ৰস্ৰাৱ হয়।

● শৰীৰৰ উত্তাপ বৃদ্ধি হোৱাটো এই ৰোগৰ লক্ষণ।

● আক্ৰান্ত লোকৰ গাঁঠিৰ বিষ হ'বলৈ ধৰে।



● এনে হ'লে শৰীৰৰ ওজনো হ্ৰাস পায়।

● জণ্ডিচ অৰ্থাৎ চকু আৰু ছালৰ বৰণ হালধীয়া হয়।

● ৰোগীৰ খাবলৈ মন নাযায়। ভোক নোহোৱা বাবে খাদ্য গ্ৰহণৰ পৰিমাণ কম হোৱাৰ ফলত দুৰ্বল হ'বলৈ ধৰে।

● ছালখনত খজুৱতি হ'ব পাৰে।

**এই ৰোগৰ কাৰণ**

যেতিয়া শৰীৰত হেপাটাইটিছ 'বি' ভাইৰাছে প্ৰৱেশ কৰে তেতিয়া এই ৰোগ হয়। সাধাৰণতে লিভাৰ বা যকৃতৰ ৰোগ মানেই হেপাটাইটিছকে বুজা যায়। বিভিন্ন ধৰণৰ ভাইৰাছৰ দ্বাৰা লিভাৰটো যেতিয়া আক্ৰান্ত হয় তেতিয়া ৰোগৰ সৃষ্টি হয়। লিভাৰত যিবোৰ ভাইৰাছে আক্ৰমণ কৰিব পাৰে সেইবোৰ হ'ল— এ বি চি ডি আৰু ই।

**হেপাটাইটিছ 'বি'ৰ বাহক কোন ?**

এইবিধ ৰোগত আক্ৰান্ত হ'লেই যে বাহক (কেৰিয়াৰ) হ'ব তেনে নহয়। ভাইৰাছবিধে শৰীৰত প্ৰৱেশ কৰাৰ পাছতে বাহক নহয়। শৰীৰত কমেও ছমাহতকৈ বেছি দিন ভাইৰাছবিধ থাকিলেহে তেওঁক বাহক হিচাপে গণ্য কৰা হয়। এইখিনিতে এটা কথা স্পষ্ট কৰি দিব খুজিছো যে ৰোগী আৰু বাহকৰ মাজত পাৰ্থক্য আছে, কোনো এজন লোকৰ শৰীৰত এইবিধ ভাইৰাছে প্ৰৱেশ কৰিলেই যে তেওঁক ৰোগী বুলি কোৱা হ'ব তেনে কথা নাই।

**টাটু কৰোতে সাৱধান হওক**

যিকোনো লোকৰ টাটু কৰাটো এতিয়া এক প্ৰকাৰ ফেশ্বন হৈছে। কিমানৰ গোটেই শৰীৰটো টাটুৰে ঢকা। পিছে টাটু কৰোতে ব্যৱহাৰ কৰা বেজীটো যদি বিশুদ্ধিকৰণ নকৰাকৈ ব্যৱহাৰ কৰে তেতিয়া বিপদ হ'ব পাৰে। যদি হেপাটাইটিছ 'বি' আক্ৰান্ত লোকে ক'ব নোৱৰাকৈয়ে টাটু কৰিছে তেতিয়াহ'লে বিপদ নিশ্চিত। সেইবাবে এনে ধৰণৰ ফেশ্বন কৰোতে সতৰ্ক হ'বই লাগিব।

**যৌন সম্পৰ্ক স্থাপন কৰোতে**

অসুৰক্ষিত যৌন সম্পৰ্ক স্থাপন মানেই বিপদ। কেৱল হেপাটাইটিছ 'বি' বুলিয়েই নহয়, আন ৰোগৰ বাবেও ই সমানেই বিপজ্জনক। আজি-কালি এইড্‌ছ, হেপাটাইটিছ 'বি'ত আক্ৰান্ত লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। যদি কোনো হেপাটাইটিছ 'বি' আক্ৰান্ত লোকে এগৰাকী সুস্থ লোকৰ স'তে অসুৰক্ষিত যৌন সম্পৰ্ক স্থাপন কৰে, তেতিয়াহ'লে ই সহজেই সংক্ৰমিত হ'ব। এই ক্ষেত্ৰতো সকলোৱে সমানেই সতৰ্ক হ'ব লাগিব।

**তেজ গ্ৰহণ কৰোতে সাৱধান হওক**

তেজ গ্ৰহণৰ সময়ত সতৰ্কতা অৱলম্বন কৰা উচিত। তেজ উপযুক্তভাৱে পৰিশোধিত নকৰিলে কেতিয়াও গ্ৰহণ কৰিব নালাগে। নহ'লে বিপদ ঘনীভূত হোৱাৰ আশংকা থাকে। কেইদশকমান পূৰ্বে এগৰাকী বলিউদৰ মহাতাৰকাই তেজ গ্ৰহণ কৰোতে এইবিধ ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হৈছিল। অৱশ্যে সেই সময়ত আজি-কালিৰ দৰে পৰিশোধিত ব্যৱস্থা নাছিল। সেইবাবে তেজগ্ৰহণ কৰোতে উপযুক্ত লেব'ৰেটৰীৰ পৰাহে ল'ব লাগে। আজি-কালি বহুতে তেজ বিক্ৰী কৰে। তেজৰ দালাল চক্ৰৰ কবলত পৰি বহুতে লটি-ঘটিও হ'বলগীয়া হয়। তদুপৰি এনেদৰে তেজ লোৱাটো বিপজ্জনক। সেই বাবে এনে ব্যক্তিৰ পৰা আঁতৰি থাকক।

**বেজী ব্যৱহাৰ কৰোতে**

এজনে ব্যৱহাৰ কৰা বেজী আন এজনে ব্যৱহাৰ কৰোতেও সাৱধান হ'ব লাগিব। বিশেষকৈ আজি-কালি ড্ৰাগছ আদি সেৱনকাৰীসকলে ব্যৱহাৰ কৰা বেজীৰ বাবেও এনে ধৰণৰ ৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। এজন ড্ৰাগছ সেৱনকাৰীয়ে ব্যৱহাৰ কৰা বেজী যদি আন এজনে ব্যৱহাৰ কৰে তেন্তে বিপদ ঘনীভূত হোৱাটো নিশ্চিত। তদুপৰি চিকিৎসা সেৱাৰ স'তে জড়িত থকা বিশেষকৈ নাৰ্ছসকলেও সতৰ্ক হ'বই লাগিব। কাৰণ ৰোগীক বেজী দিয়াৰ পাছত যদি বেজীটো উপযুক্ত স্থানত পেলাই দিয়া নহয়, তেতিয়া হ'লে কেতিয়াবা অসাৱধানবশতঃ খোঁচ লাগিলেও



এনে ধৰণৰ ভাইৰাছে শৰীৰত খোপনি লওঁতে বেছি সময় নালাগিব। এনে ধৰণৰ বিষয়ক লৈ সজাগতা সৃষ্টিৰ প্ৰয়োজন আছে।



এই ৰোগত পুৰুষ-মহিলা সকলোৱে আক্ৰান্ত হ'ব পাৰে। সাধাৰণতে এনে ধৰণৰ ৰোগত আক্ৰান্ত হ'লেও প্ৰথম অৱস্থাত আক্ৰান্ত লোকজনে বিশেষ কষ্ট অনুভৱ নকৰে যদিও দিন যোৱাৰ লগে লগে ইয়াৰ প্ৰকোপ বাঢ়িবলৈ ধৰে। সেই বাবে এনে ৰোগত আক্ৰান্ত হোৱাৰ লগে লগে সতৰ্কতা অৱলম্বন কৰিব লাগে। যদি সতৰ্ক নহয় তেতিয়াহ'লে যিকোনো সময়তে বিষ আদিয়ে গা কৰি উঠিব পাৰে। এই ৰোগত মৃত্যু পৰ্যন্ত হোৱাটো আশংকা নুই কৰিব নোৱাৰি।

# ভৰিৰ ধমনীত হোৱা ৰোগ-ডিভিটি

**বহুতো** লোকে কিছুসময় একেঠাইত লৰচৰ নকৰাকৈ থিয় অথবা বহি থাকিলে ভৰিৰ ধমনী ফুলি উঠে। খোজ কাঢ়িলে সমস্যাৰ সৃষ্টি হয়। আনকি কিছুসময় জঠৰো অনুভৱ কৰে। লাহে লাহে খোজ কঢ়াৰ পাছতহে স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিব পাৰে। এয়া হ'ল ডীপ ভেইন থ্ৰম্নোছছ' বা ডিভিটি ৰোগ। এই ৰোগত পুৰুষ-মহিলা সকলোৱে আক্ৰান্ত হ'ব পাৰে। সাধাৰণতে এনে ধৰণৰ ৰোগত আক্ৰান্ত হ'লেও প্ৰথম অৱস্থাত আক্ৰান্ত লোকজনে বিশেষ কষ্ট অনুভৱ নকৰে যদিও দিন যোৱাৰ লগে লগে ইয়াৰ প্ৰকোপ বাঢ়িবলৈ ধৰে। সেই বাবে এনে ৰোগত আক্ৰান্ত হোৱাৰ লগে লগে সতৰ্কতা অৱলম্বন কৰিব লাগে। যদি সতৰ্ক নহয় তেতিয়াহ'লে যিকোনো সময়তে বিষ আদিয়ে গা কৰি উঠিব পাৰে। এই ৰোগত মৃত্যু পৰ্যন্ত হোৱাটো আশংকা নুই কৰিব নোৱাৰি।

**ৰোগৰ লক্ষণসমূহ**

● আক্ৰান্ত ভৰিখনৰ ধমনী ফুলি উঠে। ভৰিখন ফুলি উঠিলে খোজ কাঢ়োতে সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

● কম সংখ্যক লোকৰহে দুয়োখন ভৰি একেলগে আক্ৰান্ত হয়।

● ভৰিৰ কলাফুলত বেছি বিষ হ'ব পাৰে।

● ভৰিৰ ছালখন ৰঙা অথবা বৰণ সলনি হয়।

● আক্ৰান্ত ভৰিখন গৰম হৈ থাকে।

**যেতিয়া ধমনীত তেজৰ কৰাল বান্ধে**

যেতিয়া ধমনীত তেজৰ কৰাল বান্ধে তেতিয়াও কিছুমান লক্ষণ ফুটি উঠে ঃ—

● ভৰি অথবা বাহুত অসহ্য বিষ হোৱাৰ লগতে ফুলি উঠে।

● শ্বাস-প্ৰশ্বাসৰ সমস্যাই গা কৰি উঠে। বুকুত বিষ হোৱাৰ লগতে কাহ আৰু কাহৰ স'তে তেজযুক্ত খেকাৰ ওলাব পাৰে।

**ভ্ৰমণৰ সময়ত কি কৰিব**

এনে ৰোগীয়ে ভ্ৰমণৰ সময়ত সদায় সতৰ্ক হ'ব লাগিব। কিয়নো দীঘলীয়া যাত্ৰাৰ সময়ত যদি সতৰ্কতা অৱলম্বন কৰে, তেতিয়াহ'লে পৰৱৰ্তী সময়ত সমস্যাই গা কৰি উঠিব পাৰে।

✦ ভ্ৰমণৰ সময়ত বিশেষকৈ দূৰলৈ গ'লে কেতিয়াও ঠেক ছিটত বহিব নালাগে। ভৰি দুখন যাতে পোনকৈ মেলিব পাৰি তাৰ ব্যৱস্থা কৰা উচিত।

✦ ছিটত বহোতে সদায় পোন হৈ বহিব লাগে।

✦ যদিহে গাড়ী আদি নিজেই চলাওঁতে মাজে মাজে জিৰণি লোৱা হয় তেতিয়াও বিপদৰ পৰা হাত সাৰিব পাৰি।

✦ ৰেল আদিত গ'লে সম্ভৱ হ'লে দবাৰ ভিতৰতে খোজ কাঢ়িব লাগে।

✦ চিকিৎসকৰ পৰামৰ্শ মতে লগত ঔষধ নিয়ক। কাৰণ কেতিয়াবা ৰাস্তা-ঘাটে ঔষধ লাভ কৰাটোও সম্ভৱ নহয়।

✦ ধূমপানৰ পৰা আঁতৰি থকাটোৱে মংগলজনক। কাৰণ ধূমপান কৰাৰ ফলত ধমনী আদিত পৰোক্ষ প্ৰভাৱ পৰে।

✦ আক্ৰান্তজনে কেতিয়াও গাত লিপিটখোৱা পোছাক পৰিধান কৰিব নালাগে।

✦ মাদক দ্ৰব্য সেৱনৰ পৰাও আঁতৰি থকাটো মংগলজনক।

✦ যদিহে ভ্ৰমণৰ সময়ত সম্ভৱ হয়, তেতিয়াহ'লে গাড়ীৰ ভিতৰতে লৰ-চৰ কৰিলেও সুফল পোৱা যায়।

✦ চিকিৎসকে আগবঢ়োৱা পৰামৰ্শ আখৰে আখৰে পালন কৰা উচিত।

✦ অভিজ্ঞ চিকিৎসকৰ পৰামৰ্শমতে সৰু-সুৰা ব্যায়াম কৰিব লাগে।

✦ আজি-কালি এনে ধৰণৰ বিষৰ পৰা পৰিত্ৰাণ পাবলৈ মোজাও বজাৰত উপলব্ধ হৈছে।



**ভৰিৰ ওপৰত পৰা চাপ**

থিয় হৈ থাকিলে সাধাৰণতে ভৰিৰ ওপৰতেই চাপ পৰে। লৰচৰ নকৰাকৈ একেলেথাৰিয়ে থিয় হৈ থাকিলেও এনে চাপ পৰে। ট্ৰেফিক পুলিচ, গাড়ী-মটৰ চলোৱা লোক, উৰাজাহাজৰ পাইলট, কাৰখানাত মেচিন চলোৱা লোকসকলে ভৰিৰ বিভিন্ন সমস্যাত ভোগে। এইবোৰৰ ভিতৰত অন্যতম হ'ল ভেৰিকোজ ভেইন। যেতিয়া ভৰিৰ সিৰাবোৰ ফুলি উঠে আৰু কেতিয়াবা সিৰাবোৰ লগ লগাৰ দৰে এঠাইত থুপ খালে বুজিব লাগিব সেয়া ভেৰিকোজ ভেইন। ই প্ৰধানকৈ সিৰাৰ মাজত স্পষ্ট হোৱা ৰোগ। যেতিয়া দূষিত তেজ সিৰাৰ মাজেদি সোঁ অলিন্দলৈ আৰু হাওঁ-ফাওঁৰ পৰা বিশুদ্ধ তেজ বাওঁ অলিন্দলৈ কঢ়িয়াই নিয়ে। সিৰাৰ মাজত থাকে আৱৰণ। যেতিয়া সিৰাৰ ওপৰত চাপ পৰিবলৈ ধৰে, তেতিয়াই আৰম্ভ হয় ভেৰিকোজ ভেইন। সাধাৰণতে শৰীৰৰ নিম্ন অংশত বিশেষকৈ উৰু, আঁঠুৰ সংযোগস্থল জংঘা আদিত বেছি আক্ৰান্ত হয়।

**কি কি কাৰণত হ'ব পাৰে**

এনে ধৰণৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে যদিহে কিছুমান কাৰকে অৰিহণা যোগায়। সাধাৰণতে ডিভিটি হোৱাৰ আঁৰত থকা কাৰণসমূহৰ ভিতৰত অন্যতম হ'ল ভৰিৰ অস্ত্ৰোপচাৰ, পেটৰ অস্ত্ৰোপচাৰ, হাঁড়ত আঘাত পোৱা অথবা ভঙা। দীৰ্ঘদিন ধৰি বিছনাত জিৰণি ল'বলগীয়া হোৱা, কৰ্কট ৰোগ, গৰ্ভাৱস্থা, জন্ম নিয়ন্ত্ৰণৰ বাবে ব্যৱহাৰ কৰা টেবলেট, মেন'পজৰ লক্ষণ ফুটি উঠিলে ব্যৱহাৰ কৰা হৰম'ন আদি।

**ভৰিৰ তলফালে বেছি হয়**

সাধাৰণতে এই বিধ ৰোগ ভৰিৰ তলৰ ফালেহে হয়। সেইবাবে সহজে লক্ষ্যত নপৰে। কেতিয়াবা কেতিয়াবা ভৰিৰ বিষ অথবা ফুলি উঠা সমস্যাই যদি গা কৰিও উঠে তেতিয়া হ'লেও প্ৰথম অৱস্থাত বিশেষ গুৰুত্ব প্ৰদান নকৰে। অৱশ্যে শৰীৰ আন অংশতো হ'ব পাৰে। বিশেষকৈ বাহু, মস্তিস্ক, পেট, যকৃত আৰু বৃক্কতো হোৱা দেখা যায়।

**ইক'নমিক ক্লাছ ছিণ্ড্ৰ'ম**

বিমানত ভ্ৰমণ কৰোতে কে'বাটাও ক্লাছ থাকে। সেই অনুসৰি ছিটৰ আকাৰ হয়। একেবাৰে শেষৰ ফালে যিবোৰ ছিট থাকে সেইবোৰ তুলনামূলকভাৱে সৰু আৰু ঠেক। গতিকে এনে ছিটত বহি যদি দীৰ্ঘসময় ধৰি ভ্ৰমণ কৰা হয় তেতিয়াহ'লে ভেৰিকোজ ভেইন আদিৰ সমস্যাই গা কৰি উঠিব পাৰে। যিসকলৰ ভেৰিকোজ ভেইন আদি তেওঁলোকে সেই বাবে দীঘলীয়া ভ্ৰমণৰ সময়ত সতৰ্ক হ'বই লাগিব। প্ৰয়োজন হ'লে আগতীয়াকৈ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবই লাগিব।



# শৰীৰত পানী জমা হৈ ফুলা ভাব হৈছে নেকি ?



**কেতিয়াবা** শৰীৰত বিভিন্ন কাৰণত পানী জমা হ'ব পাৰে। এনেদৰে পানী জমা হোৱাৰ ফলত বিভিন্ন সমস্যাই গা কৰি উঠে। যদিহে উপযুক্ত চিকিৎসা আৰু সতৰ্কতা অৱলম্বন কৰা নহয় তেতিয়াহ'লে বিভিন্ন ধৰণৰ সমস্যাই গা কৰি উঠে। সাধাৰণতে যিসকল লোকে দীৰ্ঘদিন ধৰি থায়ৰয়ডৰ ঔষধ সেৱন কৰে, হৰম'নজনিত সমস্যা থাকে আৰু ডায়েবেটিছত আক্ৰান্ত হৈ যদি শৰ্কৰা নিয়ন্ত্ৰণত নাথাকে তেতিয়াহ'লে এনে হ'ব পাৰে। যেতিয়া কোষত অতিৰিক্ত পানী জমা হয় তেতিয়াই ক্লান্তি হোৱাৰ আশংকা থাকে। কেতিয়াবা শৰীৰৰ কোষত প্ৰয়োজনতকৈ বেছি পানী জমা হয়, ফলত শৰীৰটো ফুলি উঠে। চিকিৎসা বিজ্ঞানৰ ভাষাত এনে অৱস্থাক 'ইডিমা' বা ৱাটাৰ ৰিটেনচন বুলি কোৱা হয়। উল্লিখিত কাৰণসমূহৰ উপৰি অতিৰিক্তভাৱে নিমখ খালেও এনে ধৰণৰ সমস্যাই গা কৰি উঠিব পাৰে।

শৰীৰত পানীৰ পৰিমাণ ভাৰসাম্য হৈ থাকিব লাগে। কাৰণ পানীৰ পৰিমাণ স্বাভাৱিক হৈ থাকিলেহে শৰীৰৰ বিভিন্ন অংশৰ কোষসমূহে সুস্থভাৱে কাৰ্য সম্পাদন কৰিব পাৰিব। যেতিয়া বেছি পানী জমা হ'বলৈ ধৰে তেতিয়া বহুতো সমস্যাৰ সৃষ্টি হয়। বিশেষকৈ শৰীৰত শক্তি নাথাকে। আনকি দৈনন্দিন কাম-কাজ পৰিচালনা কৰিবলৈ মন নাযায়। এনে ধৰণৰ সমস্যা সৃষ্টিৰ আঁৰতো জিনগত প্ৰভাৱ নুই কৰিব নোৱাৰি। আনহাতে, মহিলাসকলৰ মাহেকীয়াৰ সমস্যা থাকিলেও এনে হ'ব পাৰে। যিসকল মহিলাই দীৰ্ঘদিন ধৰি মাহেকীয়াৰ সমস্যাত আক্ৰান্ত হৈছে তেওঁলোকৰ এনে ৰোগ হোৱাৰ আশংকাই অধিক।


শৰীৰত অতিৰিক্ত পানী জমা হোৱা মানেই ক্ষতিকাৰক বৰ্জ্য বাহিৰলৈ ওলাই যাব নোৱৰা।

**শৰীৰত পানী জমা নহ'বলৈ কি কি কৰিব**

শৰীৰত অতিৰিক্ত পানী জমা হোৱাটো তেনেই বিপজ্জনক। সেইবাবে শৰীৰত যাতে সহজে অতিৰিক্ত পানী জমা হ'ব নোৱাৰে তাৰ বাবে সতৰ্কতা অৱলম্বন কৰিবই লাগিব।

প্ৰথমতে খাদ্য গ্ৰহণ কৰোতে এটা কথা মনত ৰাখিব লাগিব, যাতে খাদ্য সম্ভাৰত বেছি নিমখ নাথাকে। তদুপৰি কেঁচা নিমখ খোৱাৰ অভ্যাস আঁতৰ কৰিবই লাগিব। কিয়নো নিমখত থকা ছ'ডিয়ামে যিকোনো সময়তে বিষাদ ঘটাব পাৰে। আজি-কালি বজাৰত উপলব্ধ আচাৰ, চীপছ, ফাষ্ট আদিত প্ৰয়োজনতকৈ বেছি নিমখ থাকে। সেইবাবে এনে ধৰণৰ খাদ্যৰ পৰা আঁতৰি থকাটোৱে মংগলজনক। দৈনন্দিন খাদ্য তালিকাত মেগনেছিয়ামযুক্ত খাদ্য সম্ভাৰ অন্তৰ্ভুক্ত কৰা উচিত। সেইবাবে খাদ্য তালিকাত প্ৰচুৰ পৰিমাণে শাক-পাচলি ৰাখিবই লাগিব।

নিতৌ কল, আলু, ভিটামিন বি-৬, আখৰুট আদি খালেও বিভিন্ন সমস্যাৰ পৰা হাত সাৰিব পাৰি।



সদায় ভিটামিন 'চি' নেমু-গাজৰ, ব্ৰকোলি, গজালি মেলা মুগ আদি খাব লাগে।

খাদ্য তালিকাত মিঠাই, কাৰ্বহাইড্ৰেট জাতীয় খাদ্য একেবাৰে বাদ দিব লাগিব।

নিয়মীয়াকৈ বিলাহী খালেও সুফল পোৱা যায়।

বহুতেই শৰীৰত অতিৰিক্ত পানী জমা হোৱাৰ পাছতো বিষয়টোত বিশেষ গুৰুত্ব প্ৰদান কৰিব নোখোজে। ফলত পৰৱৰ্তী সময়ত বিভিন্ন ধৰণৰ সমস্যাই গা কৰি উঠে।

## ভাত খাবলৈ আতংকিত নহৈ নিয়ন্ত্ৰণহে কৰক

**ভাত** সকলোৱে প্ৰিয় খাদ্য। দিনটোৰ ভিতৰত সকলোৱে কম বেছি পৰিমাণে ভাত খায়। শৰীৰত মেদ জমা হোৱা আৰু ডায়েবেটিছ প্ৰতিৰোধৰ বাবে কিছুমান লোকে ভাত কম পৰিমাণে খোৱাৰ অভ্যাস গঢ়ি তোলে। তদুপৰি বহুতৰ বাবে আকৌ আতংকৰ কাৰণ হৈ পৰে। অৱশ্যে দৈনন্দিন খাদ্য তালিকাত ভাত অন্তৰ্ভুক্ত কৰিব ওজন, ৰোগ আদি নিয়ন্ত্ৰণ কৰিব পাৰি।

● ভাতৰ পৰিমাণ নিয়ন্ত্ৰণ কৰিব লাগিব। দুপৰীয়া অথবা নিশাৰ ভিতৰত মাত্ৰ এবাৰ ভাত খাব লাগে।

● ভাতৰ পুষ্টিগুণৰ ওপৰত ভালেখিনি বিষয় নিৰ্ভৰ কৰে। আজিকালি প্ৰায়ভাগ লোকে প্ৰেছাৰ কুকাৰত ভাত ৰান্ধে। আগতে কেৰাহি অথবা চচপেন আদিত ভাত ৰান্ধি ভাতৰ মাৰ পেলাই দিছিল। ভাত ৰন্ধাৰ পদ্ধতি যিয়েই নহওক কিয় মাৰ পেলাব নালাগে। কিয়নো ভাতৰ মাৰত পানীত দ্ৰৱণীয় খনিজ পদাৰ্থ আৰু ভিটামিন আদি অটুট থাকে।

● মনত ৰখা উচিত বগা চাউলৰ বেপাৰীতে ৰঙা ৰঙৰ চাউলত ফাইবাৰ বেছি থাকে। আনহাতে, ইয়াত কেলৰি কম পৰিমাণে পোৱা যায়।

● যিহেতু ফ্ৰাইড ৰাইচ, পোলাও, বিৰিয়ানি আদিত কেলৰি প্ৰচুৰ পৰিমাণে পোৱা যায় সেয়ে এইবোৰ কম পৰিমাণে খোৱাটোৱে শৰীৰৰ বাবে মংগলজনক।

● ভাত কম পৰিমাণে খাই যদি ফাষ্টফুড, জাংকফুড, আইচক্ৰীম, চকলেট আদি বেছিকৈ খায় তেতিয়া হিতে বিপৰীত হ'ব।

# দুধনৈত ৰৈ থকা মটৰ চাইকেলত খুন্দিয়ালে বাছে

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ১৯ ফেব্ৰুৱাৰী ঃ** দুধনৈত পুনৰ ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হৈছে। আলট্ৰা বাছৰ দৌৰাত্ম্যতে সংঘটিত হয় এই দুৰ্ঘটনা। দুধনৈ আৰক্ষী থানাৰ অন্তৰ্গত লেলাৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথত তীব্ৰবেগী এএছ-০১-জেচি-২৫৮৮ নম্বৰৰ এখন আলট্ৰা বাছে মহটিয়াই নিয়ে পথৰ কাষত ৰৈ থকা দুই মটৰ চাইকেল আৰোহীক। বাছখনৰ খুন্দাত গুৰুতৰভাৱে আহত হয় দুই আৰোহী ক্ৰমে শম্ভু ৰাভা(৩৫) আৰু প্ৰকাশ দাস (২৩)। গুৰুতৰভাৱে আহত দুই যুৱকক আৰক্ষীয়ে ততালিকে উদ্ধাৰ কৰি দুধনৈ চিকিৎসালয়লৈ লৈ যায়। চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা প্ৰদানৰ পাছতে উন্নত চিকিৎসাৰ বাবে দুয়োকে সংকটজনক অৱস্থাত গুৱাহাটীলৈ প্ৰেৰণ কৰে যদিও প্ৰকাশৰ আদবাটতে মৃত্যু হয়। আনজন ৰাভা বৰ্তমান চিকিৎসাধীন হৈ আছে। নিহত প্ৰকাশৰ ঘৰ লেলাত আৰু ৰাভাৰ ঘৰ লেলা শগুণবাহীত। প্ৰকাশৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।



মাজুলীত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, শনিবাৰে।

# আজুৰ কামৰূপ জিলা সমিতিৰ বাৰ্ষিক সভা

অগ্ৰদূত বাৰ্তা

**আজাৰা, ১৯ ফেব্ৰুৱাৰী ঃ** সদৌ অসম সাংবাদিক সন্থা চমুকৈ 'আজু'ৰ কামৰূপ জিলা সমিতিৰ বাৰ্ষিক সাংবাদিক সন্মিলন কাইলৈ এদিনীয়া কাৰ্যসূচীৰে আজাৰাৰ ৰাজহুৱা সভা ভৱনত আয়োজন কৰা হৈছে। সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি পংকজ কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক নকুল তালুকদাৰৰ লগতে কেন্দ্ৰীয় সমিতিৰ কে'বাগৰাকী বিষয়ববীয়াই অংশগ্ৰহণ কৰিব। জিলা সমিতিৰ বিষয়ববীয়া আৰু সদস্যসকলক পুৱা ১০ বজাত উপস্থিত হ'বলৈ জিলা সমিতিৰ তৰফৰ পৰা অনুৰোধ জনাইছে।

# কাইলৈ হাতীগড়ত নৱনিৰ্মিত শিৱ মন্দিৰ উদ্বোধনী অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**টংলা, ১৯ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত হাতীগড় চাহ বাগিছাত অহা ২১ ফেব্ৰুৱাৰীত নৱনিৰ্মিত শিৱ মন্দিৰ উদ্বোধন কৰা হ'ব। কাৰ্যসূচী অনুসৰি নগৰ কীৰ্তন পৰিচালনা কৰিব বিষ্ণু তাঁতীয়ে ধৰ্মধ্বজা উত্তোলন কৰিব ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, অসমৰ সদ ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰ বৰুৱাই। কলহ যাত্ৰা পৰিচালনা কৰিব কেশৱ বেহেৰাই। শিৱ মন্দিৰ প্ৰাণ প্ৰতিষ্ঠা কৰিব ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ অসমৰ ক্ষেত্ৰসহ ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰ বৰুৱা, বিষ্ণু তাঁতী, নিৰঞ্জন মন্ত্ৰা, লক্ষণ শ্ৰীধৰ আৰু সুজিত নায়কে। হোম যজ্ঞ পৰিচালনা কৰিব লংকেশ্বৰ শৰ্মাই। মহাপ্ৰসাদ বিতৰণ আৰু নগাৰা নাম পৰিচালনা কৰিব মুখ্য পৰিচালক দাশো তাঁতীয়ে। নাম-কীৰ্তন পৰিচালনা কৰিব মুখ্য পৰিচালক ভুৱনী খাৰ্ৱোই। আবেলি ভক্তিমূলক গীত-নৃত্য পৰিৱেশন অনুষ্ঠান পৰিচালনা কৰিব ৰাজীৱ মিৰ্ধাই। আনহাতে, অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসমৰ সহকাৰী ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰ বৰুৱাই উপস্থিত থাকিবলগীয়া অনুষ্ঠানত বিটি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সাংসদ দিলীপ শইকীয়া, ওদালগুৰি সমষ্টিৰ বিধায়ক গোবিন্দ বসুমতাৰী, প্ৰাক্তন মন্ত্ৰী ৰিহণ দৈমাৰী আৰু ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ শান্তিয়াছ কুজুৰে উপস্থিত থাকিব বুলি হাতীগড় শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি লক্ষণ শ্ৰীধৰ আৰু সাধাৰণ সম্পাদক সুজিত নায়কে কয়।

# মাজুলীত উপ-নিৰ্বাচন সন্দৰ্ভত জিলা প্ৰশাসনৰ সভা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১৯ ফেব্ৰুৱাৰী ঃ** মাজুলী গড়মূৰস্থিত উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত পুলক মহন্তৰ সভাপতিত্বত কালি এখন বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত আগন্তুক উপ-নিৰ্বাচনত পালন কৰিবলগীয়া ক'ভিড-১৯ৰ নিয়ম আৰু অন্যান্য বিষয়ত আলোচনা কৰা হয়। নিৰ্বাচন আয়োগৰ শেহতীয়া নিৰ্দেশ মৰ্মে পদযাত্ৰা, ৰোড-শ্ব, চাইকেল, মটৰচাইকেল আৰু মটৰ-গাড়ীৰ শোভাযাত্ৰা আদি সম্পূৰ্ণৰূপে বন্ধ কৰা হৈছে। তদুপৰি ২০ জনতকৈ অধিক ব্যক্তি ঘৰে ঘৰে গৈ প্ৰচাৰ চলাব নোৱাৰিব। সভা-সমিতিসমূহত মুকলি ঠাইত ৩০ শতাংশ আৰু ভিতৰৰ হল ঘৰসমূহত ৫০ শতাংশ মানুহে সামাজিক দূৰত্ব ৰক্ষা কৰি উপস্থিত থাকিব লাগিব। নিশা আঠ বজাৰ পৰা পুৱা আঠ বজালৈ যিকোনো প্ৰচাৰ অভিযানত বাধা আৰোপ কৰা হৈছে। এই সকলো প্ৰচাৰ অভিযানত মাস্ক পিন্ধাৰ লগতে সামাজিক দূৰত্ব মানি চলিবলৈ লগতে নিৰ্বাচনৰ আচৰণ বিধিসমূহ মানি চলিবলৈ প্ৰশাসনৰ ফালৰ পৰা সকলো ৰাজনৈতিক দলক আহ্বান জনোৱা হৈছে। উক্ত সভাত সহকাৰী জিলা নিৰ্বাচনী বিষয়াসকল, জনেল বিষয়া, আৰক্ষী অধীক্ষক, আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু প্ৰশাসনিক বিষয়া উপস্থিত থাকে।

# উদুলি-মুদুলি পৰিৱেশ মৰিগাঁও শংকৰ সংঘৰ অধিৱেশনত

## আজি বাৰেবৰণীয়া ভাগৱত শোভাযাত্ৰা-মুকলি সভা

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৯ ফেব্ৰুৱাৰী ঃ নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া গোপালঘাট দলংঘাটৰ শঙ্কৰ-মাধৱ সমন্বয় ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মৰিগাঁও জিলা শাখাৰ ৪৫সংখ্যক বাৰ্ষিক অধিৱেশন শিলপুখুৰী আঞ্চলিক শাখাৰ ব্যৱস্থাপনাত কৃষ্ণ-কৃষ্ণ ধ্বনিৰে হৰি নামৰ মাজৰে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত উদুলি-মুদুলি পৰিৱেশত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। ইতিমধ্যে চাতিয়া বৰদলৈক সভাপতি, ৰমাকান্ত দেউৰীক কাৰ্যকৰী সভাপতি আৰু পুতুকণ বৰদলৈক সাধাৰণ সম্পাদকৰূপেলৈ গঠিত আদৰণি সমিতিয়ে অঞ্চলটোৰ বাপ-আই, সেৱক-সেৱিকাসকলৰ ঐকান্তিক প্ৰচেষ্টাত এই অধিৱেশনৰ আজি প্ৰাতঃপ্ৰসঙ্গ, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, খোল প্ৰসঙ্গ, নাম প্ৰসঙ্গ আৰু তোৰণ উন্মোচনৰ পাছতে প্ৰতিনিধি শিবিৰৰ দ্বাৰ উন্মোচন কৰে তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য চম্পেশ্বৰ বৰদলৈয়ে। সেৱা বাহিনীৰ শিবিৰৰ দ্বাৰ ৰমেশ চন্দ্ৰ বৰদলৈয়ে উন্মোচনৰ পাছত ডাঃ বুৰহান চৌধুৰীৰ দ্বাৰা চিকিৎসা শিবিৰৰ দ্বাৰ উন্মোচন কৰা হয়। বিনু কুমাৰী ডেকাৰ সঞ্চালনাত শিশু আৰু আইমাতৃ কল্যাণ শাখা সমিতিৰ সাধাৰণ সভা, দুপৰীয়া জয়ৰাম দেউৰীৰ সভাপতিত্বত প্ৰচাৰ শাখা সমিতিৰ সাধাৰণ সভা আৰু সম্বৰ্ধনা অনুষ্ঠান, বিয়লি মনোজ কুমাৰ দেওৰজাৰ সভাপতিত্বত সাহিত্য শাখাৰ অধিৱেশন আৰু গ্ৰন্থ উন্মোচনী সভা হয়। বিয়লি নৃপেন চন্দ্ৰ বৰদলৈৰ সঞ্চালনাত সংস্কৃতি শাখাৰ অধিৱেশন, সন্ধিয়া নাম



প্ৰসঙ্গৰ পাছতে প্ৰদীপ কুমাৰ বৰাৰ সঞ্চালনাত প্ৰতিনিধি সভা আৰু নিশাৰ ভাগত সাংস্কৃতিক অনুষ্ঠান আৰু ভাওনা প্ৰদৰ্শনৰ কাৰ্যসূচী সমাপন হয়। আনহাতে, আদৰণি সমিতিৰ সম্পাদক পুতুকণ বৰদলৈ আৰু যুটীয়া সম্পাদক সন্তনাৰায়ণ ডেকাই জনোৱামতে কাইলৈ ভাগৱত শোভাযাত্ৰাৰ পাছতে প্ৰদীপ কুমাৰ বৰাৰ সঞ্চালনাত মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠান হ'ব। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই মুখ্য অতিথিৰূপে ভাগ ল'বলগীয়া মুকলি সভা উদ্বোধন কৰিব প্ৰাক্তন সভাপতি ডাঃ পুণিৰাম পাতৰে।

# হোজাইত অবৈধ কাঠফলা মিলসহ ১০ লাখ টকা মূল্যৰ চোৰাং কাঠ জব্দ

অগ্ৰদূত বাৰ্তা

**হোজাই, ১৯ ফেব্ৰুৱাৰী ঃ** হোজাইত চোৰাং বনজ সম্পদৰ বেহৰ অব্যাহত আছে। যোৱা নিশা আৰক্ষী আৰু বন বিভাগে যৌথভাৱে হোজাইৰ চামৰআলীত ১০ লাখ টকাৰ চোৰাং চেগুন গছৰ কুণ্ডাসহ এটা অবৈধ কাঠফলা মিল জব্দ কৰে। হোজাইৰ মোৰাঝাৰৰ চামৰালিত হোজাই বন বিভাগ আৰু মোৰাঝাৰ থানাৰ আৰক্ষীৰ যৌথ অভিযানত দুখন বাহনত কঢ়িয়াই অনা এটা অবৈধ কাঠফলা মিলসহ চোৰাং গছৰ কুণ্ডা জব্দ কৰে। এক বিশেষ সুত্ৰ পম খেদি হোজাইৰ বন বিভাগৰ বনসুৰক্ষা বিষয়া মহেশ নাথ আৰু মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিন্টু সন্দিকৈয়ে অভিযান চলাই বাহন দুখন জব্দ কৰাত জব্দকৃত বাহন দুখনত এটা অবৈধ কাঠফলা মিলটোৰ লগতে প্ৰায় ১০ লাখ টকা মূল্যৰ চেগুন গছৰ কুণ্ডা জব্দ কৰে। চোৰাং ব্যৱসায়ীয়ে কাৰ্বি পাহাৰৰ পৰা চোৰাংকৈ চেগুন গছ কাটি অনাৰ সন্দেহ কৰিছে বন বিভাগে। আৰক্ষী আৰু বন বিভাগৰ অভিযানৰ সময়ত বাহন দুখন এৰি চোৰাং ব্যৱসায়ী পলায়ন কৰাত বন বিভাগে কোনো লোককে আটক কৰিব নোৱাৰিলে।

# গোৱালপাৰাত নিচাজাতীয় টেবলেটসহ গ্ৰেপ্তাৰ এজন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৯ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা চহৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিপু মণি চৌধুৰীয়ে অভিযান চলাই যোৱা নিশা গোৱালপাৰা চহৰৰ কলিতাপাৰা আগিয়াৰোডৰ পৰা মুন আহমেদ নামৰ এজন ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰাৰ লগতে চাৰি সহস্ৰাধিক নিচাজাতীয় ছেম্পফেক্স প্লাছ টেবলেটো জব্দ কৰে। আৰক্ষীয়ে জনোৱা মতে, দীৰ্ঘদিনৰ পৰাই ড্ৰাগছ ব্যৱসায়ৰ স'তে জড়িত থকা যুৱকজনৰ ঘৰৰ পৰাই নিচাজাতীয় টেবলেটখিনি উদ্ধাৰ হয়। ধৃত ড্ৰাগছ ব্যৱসায়ীজনৰ বিৰুদ্ধে আৰক্ষীয়ে এক গোচৰ ৰুজু কৰি আদালতত হাজিৰ কৰোৱাৰ পাছত আজি জেললৈ প্ৰেৰণ কৰে।

# তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ত শিক্ষাৰ্থী বাহিনীৰ নৱনিৰ্মিত কাৰ্যালয় উদ্বোধন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৯ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতাৰে ৰাজ্যখনত সুনাম অৰ্জন কৰা তেজপুৰৰ ঐতিহ্যমণ্ডিত চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ত কালি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ এটা নৱনিৰ্মিত কাৰ্যালয় উদ্বোধন কৰা হয়। বিদ্যালয়খনৰ সহযোগী এন চি চি বিষয়া বৰ্ণালী শইকীয়াৰ তত্ত্বাৱধানত আয়োজিত এই কাৰ্যসূচীৰ আৰম্ভণিতে বাহিনীৰ কেডেটসকলে নিমন্ত্ৰিত অতিথিৰূপে গাৰ্ড অৱ অনাৰ প্ৰদৰ্শন কৰে ।

অনুষ্ঠানত ৭৩ নম্বৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কমাণ্ডিং বিষয়া লেফটেনেন্ট জে বি ছেত্ৰীয়ে বন্তি প্ৰজ্বলন কৰাৰ পাছত কাৰ্যালয়ৰ দুৱাৰ মুকলি কৰে শোণিতপুৰ জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰভাত চন্দ্ৰ দাসে। বিষয় শিক্ষয়িত্ৰী মায়াশ্ৰী বৰুৱা নেওগে আঁতধৰা অনুষ্ঠানত ভাষণ প্ৰদান কৰে কৰ্ণেল জে বি ছেত্ৰী আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰভাত চন্দ্ৰ দাসে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ দ্বাৰা শিক্ষাৰ্থীসকল নিয়মানুৱৰ্তিতা আৰু সময়ানুৱৰ্তিতাৰ ক্ষেত্ৰত ভৱিষ্যতে সজাগ হোৱাৰ লগতে এক আদৰ্শপূৰ্ণ জীৱন গঢ়াৰ পথো ইয়াৰ দ্বাৰা প্ৰশস্ত হয় বুলি মন্তব্য কৰি বিদ্যালয়খনৰ শিক্ষাৰ্থী বাহিনীৰ তৎপৰতাৰ শলাগ লয়।

# ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ ভূমি সম্পৰ্কীয় সন্দৰ্ভত জিলা প্ৰশাসনৰ আহ্বান

বিশেষ সংবাদদাতা

**মঙলদৈ, ১৯ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰে ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ দ্বিতীয় সংযোজনৰূপে ঘোষণা কৰাৰ ব্যৱস্থা কৰিছে। উদ্যানখনৰ দ্বিতীয় সংযোজনৰ বাবে দৰং জিলাৰ অন্তৰ্গত অংশৰ বাবে দৰং জিলাৰ উপায়ুক্তক তদন্ত বা দাবী নিৰ্ধাৰণ বা সীমাৰ ভিতৰত থকা ভূমিৰ স্বত্ব সম্পৰ্কীয় বিষয়ৰ নিষ্পত্তিৰ বাবে সমাহৰ্তা হিচাপে নিয়োগ কৰিছে। প্ৰস্তাৱিত অঞ্চলৰ জাননী জাৰি কৰাৰ দুমাহৰ ভিতৰত উদ্যানখনৰ দ্বিতীয় সংযোজনৰ ভিতৰত থকা ভূমি সম্পৰ্কীয় যিকোনো স্বত্ব বা দাবী নিৰ্দিষ্ট প্ৰপত্ৰত লিখি দৰং জিলাৰ উপায়ুক্তৰ কাৰ্যালয়, চক্ৰ বিষয়াৰ কাৰ্যালয় বা বন সংমণ্ডল প্ৰাধিকাৰী, মঙলদৈ বন্যপ্ৰাণী সংমণ্ডলক জমা দিবলৈ আহ্বান জনাইছে। 'দাবী প্ৰপত্ৰ' দৰং জিলাৰ উপায়ুক্তৰ কাৰ্যালয়, চক্ৰ বিষয়াৰ কাৰ্যালয় বা বন সংমণ্ডল প্ৰাধিকাৰী, মঙলদৈ বন্যপ্ৰাণী সংমণ্ডল, মঙলদৈ কাৰ্যালয়ৰ পৰা কাৰ্যালয় খোলা থকা সময়ত বিনামূলীয়াকৈ সংগ্ৰহ কৰিব পাৰিব।

## ডাম্পাৰে মহটিয়াই নিলে ঘৰ

# আমগুৰিত ডাম্পাৰ-ই-ৰিক্সাৰ অতপালি

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ১৯ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰি নগৰত একাংশ ডাম্পাৰ চালকৰ অতপালিয়ে চূড়ান্ত ৰূপ ধাৰণ কৰিছে। পুৱা পাঁচ বজাৰ পৰা নিশা এপৰলৈ মাটি, বালি আৰু শিল কঢ়িওৱা এই ডাম্পাৰবোৰে নগৰখনত তীব্ৰ গতিত অহা-যোৱা কৰি পথাচাৰী আৰু ছাত্ৰ-ছাত্ৰীলৈ ভাবুকি কঢ়িয়াই আনিছে। সততে পথচাৰী আৰু অন্যান্য গাড়ী-মটৰক ঠাই উলিয়াই দিবলৈ মন নকৰা এই ডাম্পাৰ চালকসকলে বেপৰোৱাভাৱে গাড়ী চলোৱাৰ ফলত আজি নগৰখনত দুই নম্বৰ ৱাৰ্ডৰ বাসিন্দা দুলাল কলিতা আৰু আনন্দ কলিতাৰ পথৰ কাষত থকা ভাড়া ঘৰ আৰু শাক-পাচলিৰ দোকান মহটিয়াই নিয়ে। শেষত ডাম্পাৰখন ক্ৰেং লগাই উলিয়াব লগা অৱস্থা হয়। তীব্ৰ বেগত অহা শিল ভৰ্তি এ এছ-০৪ বি-০৪৮০ নম্বৰৰ ডাম্পাৰখনে খুন্দিওৱাৰ সময়ত সৌভাগ্যক্ৰমে দোকানখনত আৰু আনন্দ কলিতাৰ ভাড়া ঘৰত কোনো মানুহ নাছিল। অন্যহাতে নগৰখনত অনুমতি আৰু পঞ্জীয়ন নোহোৱাকৈ একাংশ বেটাৰী ৰিক্সাই জধে মধে যাত্ৰী কঢ়িয়াই যান-বাহন আইনক বৃদ্ধাংগুলি দেখুৱাই আহিছে। অধিকাংশ বেটাৰী চালকৰ অনুজ্ঞাপত্ৰও নাই। নগৰখনত য'তে-ত'তে নিজৰ খেয়াল-খুচি মতে বেটাৰী ৰিক্সা ৰখোৱা আৰু চলোৱাৰ ফলত সঘনাই দুৰ্ঘটনা সংঘটিত হৈছে। আজি এনে এখন বেটাৰী ৰিক্সাই বেপৰোৱা হৈ এখন মহিন্দ্ৰা এক্স ইউ ভিত খুন্দা মৰাত গাড়ীখন ক্ষতিগ্ৰস্ত হোৱাৰ লগতে বেটাৰীখনত অহা ১০ জনকৈ যাত্ৰী নিশ্চিত বিপদৰ পৰা কথমপি হাত সাৰে। নগৰৰ পৰা বৰবামৰ দিশত গৈ থাকোঁতে গুৰুদ্বাৰৰ সন্মুখত তীব্ৰ বেগেৰে অহা বেটাৰীখনে এই দুৰ্ঘটনাত সংঘটিত কৰে। জিলা পৰিবহণ বিভাগ আৰু স্থানীয় প্ৰশাসনে বেটাৰী ৰিক্সা আৰু ডাম্পাৰবোৰৰ দৌৰাত্ম্য ৰোধ কৰি সাধাৰণক ৰাইজক মৃত্যুমুখৰ পৰা বচাবলৈ আহ্বান জনাইছে।

# জুৰীয়াত ড্ৰাগছসহ ধৃত এজন

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ১৯ ফেব্ৰুৱাৰী ঃ** জুৰীয়া আৰক্ষীয়ে যোৱা নিশা বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। জুৰীয়া থানাৰ আৰক্ষীয়ে কদমণি পথাৰ গাঁৱত আৰক্ষীয়ে অভিযান চলাই এটা নিষিদ্ধ ড্ৰাগছ ভৰ্তি চাবোনৰ বাকচ আৰু ১৫ টাকৈ নিষিদ্ধ ড্ৰাগছ ভৰ্তি চাধাৰ টেমা জব্দ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰে ৰফিকুল ইছলাম নামৰ ড্ৰাগছ ব্যৱসায়িক। জব্দকৃত ড্ৰাগছৰ পৰিমাণ ১১.৮৪ গ্ৰাম। উল্লেখ্য যে ধৃত ড্ৰাগছ ব্যৱসায়ীজনে দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ব্যৱসায় চলাই আছিল।

# টিহুত মটৰ চাইকেল চুৰি

অগ্ৰদূত বাৰ্তা

**টিহু, ১৯ ফেব্ৰুৱাৰী ঃ** টিহু থানাৰ অন্তৰ্গত জলখানাত যোৱা নিশা এখন মটৰ চাইকেল চুৰি হয়। বিগত কে'বামাহ ধৰি টিহু অঞ্চলত চুৰিকাণ্ড আৰু ধনলুট আদি ঘটনা ছেগাচোৰোগাকৈ হৈ থকাৰ উপৰি পশুধন আদি সঘনাই চুৰি হৈ আহিছে। এনে সময়তে টিহুৰ জলখানা গাঁৱৰ চক্ৰধৰ পাঠকৰ ঘৰৰ পৰা নিশা গেটৰ তলা ভাঙি বাৰাণ্ডাত থকা এ এছ ১৪ ডি ৪৭৫৫ নম্বৰৰ ছুপাৰ স্পেলণ্ডাৰখন চুৰি কৰি নিয়ে।

## হোজাইত পোষণ অভিযানৰ দুদিনীয়া প্ৰশিক্ষণ শিবিৰ

# শিশুক সঠিক সময়ত পুষ্টিকৰ খাদ্য খুৱাবলৈ পৰামৰ্শ

অগ্ৰদূত বাৰ্তা

**লংকা, ১৯ ফেব্ৰুৱাৰী ঃ** পোষণ অভিযানৰ অধীনত জিলা সমাজ কল্যাণ বিষয়া, শিশু উন্নয়ন প্ৰকল্প বিষয়া, মুখ্য সেৱিকা আৰু পোষণ অভিযানৰ কৰ্মচাৰীবৃন্দৰ মাজত আজিৰে পৰা হোজাইত আৰম্ভ হৈছে দুদিনীয়া জিলা পৰ্যায়ৰ প্ৰশিক্ষণ শিবিৰ। হোজাই জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত পোষণ অভিযানৰ অধীনত পৰিপূৰক আহাৰ উদ্ভাৱনৰ ওপৰত জিলা পৰ্যায়ৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজিত প্ৰশিক্ষণ শিবিৰ অনুষ্ঠানত উপস্থিত থাকে সমাজ কল্যাণ বিভাগৰ সঞ্চালক বিভাষ মোডী। অনুষ্ঠানৰ আৰম্ভণিতে সমাজ কল্যাণ বিভাগৰ সঞ্চালক মোডী আৰু হোজাই জিলাৰ উপায়ুক্ত অনুপম চৌধুৰীয়ে এগছিকৈ বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভণি কৰে। সভাৰ আৰম্ভণিতে জিলা সমাজ কল্যাণ বিষয়া মনিকা বৰঠাকুৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। ইয়াৰ আগতে সভাত উপস্থিত থকা আমন্ত্ৰিত অতিথিসকল ক্ৰমে সঞ্চালক মোডী, জিলা উপায়ুক্ত চৌধুৰী, অতিৰিক্ত সঞ্চালক অভিজিত সিং, উপ-সঞ্চালক শান্তনু ভাগৱতী, অতিৰিক্ত উপায়ুক্ত ৰক্তিম বৰুৱা আৰু যুটীয়া সঞ্চালকক সম্বৰ্ধনা জনোৱা হয়। সভাত উপায়ুক্ত চৌধুৰীয়ে এই প্ৰশিক্ষণৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে শিশু আৰু মাতৃৰ স্বাস্থ্যৰ যত্নৰ বাবে সজাগতা সৃষ্টি কৰিবলৈ অংগনবাড়ী কৰ্মীসকলক এই বিষয়ত উচিত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ আহ্বান জনায়।

শিশুসকলে সঠিক সময়ত অৰ্থাৎ ছমাহৰ পাছৰ পৰা পৰিপূৰক পুষ্টিৰ খাদ্য গ্ৰহণৰ বাবে পৰামৰ্শ আগবঢ়োৱাৰ লগতে গৰ্ভাৱস্থাৰ পৰা আৰম্ভ কৰি শিশু জন্মৰ ছমাহলৈকে ল'ব লগা প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিবলৈ শিশু উন্নয়ন প্ৰকল্প বিষয়াসকলে তেওঁলোকৰ চুপাৰভাইজাৰসকলক লক্ষ্য ৰাখিবলৈও কয়। সভাত সমাজ কল্যাণ বিভাগৰ সঞ্চালকে এই পোষণ অভিযানৰ অধীনত পৰিপুৰক আহাৰ উদ্ভাৱনৰ ওপৰত নীতি আয়োগৰ পৰামৰ্শ দাঙি ধৰাৰ লগতে এই প্ৰশিক্ষণত খুটি-নাটিবোৰ পৰ্যালোচনা কৰা হয়। তেওঁ শিশু উন্নয়ন প্ৰকল্প বিষয়া আৰু চুপাৰভাইজাৰসকলৰ অসুবিধাসমুহৰ বিষয়েও আলোচনা কৰাৰ লগতে নিজৰ নিজৰ কৰ্তব্যত অধিক দায়িত্ব গ্ৰহণ কৰিবলৈ কয়। তেওঁ লগতে অংগনবাড়ী কৰ্মীসকলকো অধিক আগৰণুৱা কৰি তুলি শিশু আৰু মাতৃৰ প্ৰতি থকা কৰ্তব্যবোধ অধিক কৰি তুলিবলৈ কয়। সঞ্চালকজনে গৰ্ভৱতী মহিলাক এহেজাৰ দিনলৈ ফলিক আইৰণ খুৱাৰ লগতে এনিমিয়া দূৰ কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ কয়। সভাত হোজাই জিলাখনত এটা এন আৰ চি কেন্দ্ৰৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে। লগতে এটি বেবী ৰাৰ্ড এটা গঠনৰ বাবেও পৰামৰ্শ দিয়ে।



অসমৰ ছাত্ৰীক নিৰ্যাতনৰ প্ৰতিবাদত তামিলনাডুৰ মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ লখিমপুৰ এবিভিপিৰ।

# গোৱালপাৰাৰ টুকুৰাৰ ৰেবিনা খাতুনৰ উন্নত চিকিৎসাৰ বাবে সাহায্যৰ আহ্বান

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১৯ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা জিলাৰ টুকুৰা নিবাসী ৰেবিনা খাতুন। ২২ বছৰীয়া ৰেবিনা বৰ্তমান শয্যাশায়ী। পিতৃহীনা ৰেবিনা জন্মৰ পৰাই বিশেষভাৱে সক্ষম। খোজ কাঢ়িবলৈ অক্ষম দুৰ্ভগীয়া ৰেবিনা। সেয়ে ৰেবিনাৰ মাতৃ চবুৰা বিবিৰ লগতে আত্মীয় কুটুম্ব সকলোৱে চৰকাৰ তথা মুখ্যমন্ত্ৰীক ৰুগীয়া ৰেবিনাৰ উন্নত চিকিৎসাৰ ব্যৱস্থা কৰাৰ বাবে কাতৰ আহ্বান জনাইছে। আনহাতে, কোনো সদাশয় লোকে সাহায্য কৰিব বিচাৰিলে চবুৰা বিবৰি একাউন্টৰ জৰিয়তে ৰেবিনালৈ সাহায্য প্ৰদান কৰিব পাৰিব। এছ বি আইৰ একাউণ্ট নম্বৰ হ'ল-৩৫১৫২৮৯০৫৩৪, আইএফএছচি ক'ড এছবিআইএন০০০৮২৬৭..

# বড়ো ৰাইটাৰ্চ একাডেমীৰ বিভিন্ন শিতানৰ ফলাফল ঘোষণা

অগ্ৰদূত বাৰ্তা

শালবাৰী, **১৯** ফেব্ৰুৱাৰী ঃ বড়ো ভাষা আৰু সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ কাৰণে গঠিত 'বড়ো ৰাইটাৰ্চ একাডেমী'য়ে বড়ো ভাষাত ৰচিত গল্প, কবিতা, উপন্যাস আদিকে ধৰি মুঠ ছটা শিতানত দেখুওৱা পাৰদৰ্শিতাৰ বাবে নিৰ্বাচিত শ্ৰেষ্ঠ ছগৰাকী বড়ো লেখক-লেখিকাৰ নাম ঘোষণা কৰিছে। একাডেমীৰ বঁটা বাছনি কমিটীৰ আহ্বায়ক কমলাকান্ত মুছাহাৰীয়ে এক বিজ্ঞপ্তিযোগে এই সিদ্ধান্তৰ কথা জানিবলৈ দিছে। সেই অনুসৰি চুটিগল্পৰ শিতানত দুগৰাকীক নিৰ্বাচন কৰা হৈছে। 'ফথায়থেবছো' নামৰ চুটিগল্প সংকলনখনিৰ বাবে আশা মুছাহাৰী সাহিত্য বঁটা আগবঢ়োৱা হৈছে ৰুকমল বড়োলৈ। 'দুথুথীয়া জীউ' নামৰ চুটিগল্প সংকলনখনিৰ বাবে মাখনি ব্ৰহ্মলৈ আগবঢ়োৱা হৈছে নিমাতী মুছাহাৰী শিশু লেখক বঁটা। আনহাতে 'দংনৈ লামা মৌনছে গাথৌন' শীৰ্ষক উপন্যাসৰ বাবে থুগা থুনলাইনি অজা সুকুমাৰ বসুমতাৰী সাহিত্য বঁটা আগবঢ়োৱা হৈছে সহায়ছুলি ব্ৰহ্মলৈ। তদুপৰি 'গৌথে দানছোগ্ৰা মানষি' উপন্যাসৰ বাবে প্ৰতিমা নন্দী নাৰ্জাৰীলৈ আগবঢ়োৱা হৈছে 'ফৌৰোংগিৰি মহেন্দ্ৰ মুছাহাৰী অনুবাদ বঁটা'। তদুপৰি কবিতা শিতানত নিৰ্বাচিত শ্ৰেষ্ঠ দুগৰাকীলৈ বঁটা আগবঢ়োৱা হৈছে। 'নৌং অথ্ৰাং আং বুহম' শীৰ্ষক কবিতা পুথিৰ বাবে সুৰেশ ব্ৰহ্মলৈ আগবঢ়োৱা হৈছে 'প্ৰবীণ বৰগয়াৰী কবি বঁটা'। আনহাতে আন এখন কবিতাৰ পুথি 'খৌছেখিনি লামা জৌং' নামৰ কবিতা পুথিৰ বাবে জিংকিৰি বড়োলৈ আগবঢ়োৱা হৈছে যুৱ লেখক বড়ো সাহিত্য বঁটা। আহ্বায়ক মুছাহাৰীয়ে শালবাৰীত চলিত বছৰতে সৰ্বভাৰতীয় ভিত্তিত সাদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় সাহিত্য মেলাৰ অনুষ্ঠানত উক্ত বঁটাসমূহ প্ৰদান কৰা হ'ব।

# অসমৰ শ্বেত বিপ্লৱৰ পুৰোধা নন্দলাল উপাধ্যায়ৰ নৱম মৃত্যুবাৰ্ষিকী

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ১৯ ফেব্ৰুৱাৰী ঃ** যি সময়ত ৰাজ্যজুৰি একাংশ নৱপ্ৰজন্ম ড্ৰাগছৰ কৱলত পৰিছে, তেনে সময়তে জাগীৰোডৰ সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিয়ে গ্ৰহণ কৰিছে এক পদক্ষেপ। সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ অন্যতম প্ৰতিষ্ঠাপক নন্দলাল উপাধ্যায়ৰ কালি নৱম মৃত্যু বাৰ্ষিকীৰ স'তে সংগতি ৰাখি 'সুস্থ অসম, ড্ৰাগছ মুক্ত অসম' বাৰ্তা লৈ চাইকেলেৰে সমগ্ৰ অসম ভ্ৰমণ কৰাৰ বাবে আজি সীতাজখলাৰ দুজন যুৱক ৰাওনা হয়। ভাৰ্গৱ শৰ্মা আৰু আকাশ অধিকাৰী নামৰ যুৱকদ্বয়ে অসমৰ বিভিন্ন প্ৰান্তত বিলাব ড্ৰাগছমুক্ত অসমৰ বাৰ্তা।

# ধৰ্মপ্ৰাণা মহিলা মহেশ্বৰী দেৱীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১৯ ফেব্ৰুৱাৰী ঃ** ছিপাঝাৰৰ পশ্চিমচুবা গাঁও নিবাসী, ধৰ্মপ্ৰাণা মহিলা মহেশ্বৰী দেৱী (৮৯)ৰ যোৱা ১৬ ফেব্ৰুৱাৰীৰ আবেলি মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত মৃত্যুক আঁকোৱালি লোৱা সাদৰী মহিলাগৰাকী নামতী দলৰো শিল্পী আছিল। সৰবৰহী মহিলাগৰাকীৰ মৃতদেহৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে ক্ৰমে গাঁৱৰ বীণাপাণি পুথিভঁৰাল, ধোপৰতল বিষ্ণু মন্দিৰ পৰিচালনা সমিতি, গাঁৱৰ মহাজনী সভা, কল্যাণ পুঁজি, ছিপাঝাৰ জনতা মহাবিদ্যালয়, মল্লপাৰা ছিগমা ক্লাব, জ্যেষ্ঠ নাগৰিক সমাজ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তি বিশেষে। মৃত্যুৰ সময়ত তেওঁ পাঁচ পুত্ৰ আৰু দুগৰাকী কন্যাসহ আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়।

# সমাজকৰ্মী মাহতাৱ হুছেইনৰ বিয়োগ

বিশেষ সংবাদদাতা

**নগাবাট, ১৯ ফেব্ৰুৱাৰী ঃ** তিতাবৰ মহকুমাৰ খেতিয়ক, সমাজকৰ্মী তথা বৰহোলা ৰজাবাৰীৰ নিবাসী মাহতাৱ হুছেইন (৬৫)ৰ কালি পুৱা ৭-৩০ বজাত মৃত্যু হয়। পুৱা অসুস্থ অনুভৱ কৰাত পৰিয়ালৰ লোকে তেওঁক ততাতৈয়াকৈ তিতাবৰ অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও তেওঁৰ মৃত্যু হয়। এসময়ত যোৰহাট পটীয়াগাঁৱত বসবাস কৰা হুছেইনে নৱৈ দশকতে বৰহোলাৰ ৰজাবাৰীলৈ আহি নিগাজিকৈ থাকিবলৈ লয়। তেওঁৰ মৃত্যুত বৰহোলা সাংবাদিক সন্থা, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, ৰজাবাহৰ পঞ্চায়ত কাৰ্যালয়, ৰজাবাৰী ব্যৱসায়ী সন্থা, বৰহোলা, বেকাজান, বালিজান, চেৰেলী জামাত আদিৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## শ্ৰদ্ধাঞ্জলি ঃ ৰীতা পাঠক



**জীৱন** মানেই মৃত্যু—এই চিৰন্তন সত্যক স্বীকাৰ কৰিও আমি আত্মীয়-স্বজন কিম্বা আমাৰ হৃদয়ত স্থান পোৱা ব্যক্তিসকলৰ মৃত্যুত আমি ব্যথিত হওঁ। আৰু ব্যথিত হওঁ যেতিয়া সন্তানে সুখপ্ৰাপ্তিৰ ফালে ধাৱিত হোৱাৰ সময়তে যদি পিতৃ-মাতৃৰ মৃত্যু হয়। তেনে এগৰাকী মাতৃ যি সন্তানক মানুহ কৰি গঢ়াত অহোপুৰুষাৰ্থ কৰি শেষ সন্তানৰ সাফল্য দেখিবলৈ নৌপাওঁতেই ইহ সংসাৰৰ পৰা মেলানি মাগিবলগীয়া হ'ল। দুই নম্বৰ মঠঘৰীয়াৰ শ্ৰীনগৰৰ সংহতিপথ নিবাসী ৰীতা পাঠকেও যোৱা আঠ ফেব্ৰুৱাৰীৰ দিনা পুত্ৰ, জীয়ৰী আৰু স্বামীসহ অনেক আত্মীয়-স্বজন আৰু গুণগ্ৰাহীক শোক সাগৰত পেলাই চিৰবিদায় লয়। ১৯৭৫ত মঠঘৰীয়াৰ শ্ৰীনগৰত জন্মগ্ৰহণ কৰা পাঠকৰ পিতৃ প্ৰেম সিং আৰু মাতৃ আছিল ৰাধিকা। তেওঁ বিবাহপাশত আবদ্ধ হৈছিল বৰপেটাৰ সাংস্কৃতিক কৰ্মী তথা অভিনেতা আৰু কৰ্মসূত্ৰে সংহতিপথ নিবাসী হিৰেন্দ্ৰ কুমাৰ পাঠকৰ স'তে। স্বামী অভিনেতা হোৱা বাবেই স্বামীৰ অভিনয় ক্ষেত্ৰখনৰ এগৰাকী দক্ষ সহকৰ্মী, সদাহাস্যময়, অতিথিপৰায়ণ পাঠক জনপ্ৰিয় হৈ পৰিছিল। তেওঁলোকৰ ঘৰত চাহ একাপ খাই আহিম বুলি গ'লে ভাত সাঁজো খাই আহিবলগীয়া হয়। তেওঁৰ স্বামীৰ অভিনয় ক্ষেত্ৰখনৰ সতীৰ্থ হোৱা হেতুকে আমিও বহুদিন বহুনিশা ৰীতা পাঠকৰ আঞ্জাৰ জুতি ল'বলৈ সক্ষম হৈছিলো। স্বামীৰ স'তে ৰাতি বিয়লি গ'লেও কেতিয়াও বিৰক্তিবোধ কৰা দেখা নাছিলো। সেইগৰাকী সৰবৰহী মহিলাৰ অতিথিপৰায়ণতাৰ কথা আমি কেতিয়াও পাহৰিব নোৱাৰো। আজি তেওঁৰ পবিত্ৰ আদ্যশ্ৰাদ্ধত জনালো আন্তৰিক শ্ৰদ্ধাঞ্জলি।

**দিলীপ গোস্বামী**



শীতকালীন অলিম্পিকৰ স্কেটিঙৰ মূহুত্ব।

### শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব লগা ভাৰতীয় দল ঘোষণা ঃ বাদ পৰিল ৰাহানে-পূজাৰা

# ৰোহিত টীম ইণ্ডিয়াৰ নতুন টেষ্ট অধিনায়ক

### টি-২০ শৃংখলাত নেখেলে বিৰাট-ঋষভে আঘাতমুক্ত নহ'ল ৰাহুল-অক্ষৰ-সুন্দৰ



**নতুন দিল্লী, ১৯ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আজি শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলা আৰু তিনিখনীয়া টি-20 শৃংখলাৰ বাবে টীম ইণ্ডিয়াৰ দল দুটা ঘোষণা কৰিছে। টেষ্ট দলৰ পৰা বাদ দিয়া হৈছে চেতেশ্বৰ পুজাৰা, অজিংক্য ৰাহানে, ইশান্ত শৰ্মা আৰু ঋদ্ধিমান সাহাক। অৱশ্যে সাহাক বাদ দি বাকী তিনিজনৰ প্ৰত্যাৱৰ্তনৰ সুযোগ থাকিব বুলি সংবাদমেলত ইংগিত দিয়ে মুখ্য নিৰ্বাচক চেতন শৰ্মাই। আঘাতৰ বাবে দলত নাই ৱাশ্বিংটন সুন্দৰ, লোকেছ ৰাহুল আৰু অক্ষৰ পেটেল। ইফালে, তিনিখনীয়া টি-20 শৃংখলাত জিৰণি দিয়া হৈছে বিৰাট কোহলি আৰু ঋষভ পণ্টক। নিৰ্বাচকে টেষ্ট দলৰ অধিনায়ক হিচাপেও ৰোহিত শৰ্মাকে নতুন দায়িত্ব অৰ্পন কৰিছে। ভাৰতৰ টেষ্ট দল ঃ ৰোহিত শৰ্মা (অধিনায়ক), মায়ংক আগৰৱাল, প্ৰিয়াংক পাঞ্চল, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, শুভমন গিল, ঋষভ পণ্ট, কে এছ ভৰত, ৰবীচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাডেজা, জয়ন্ত ঠাকুৰ, কুলদ্বীপ যাদব, যশপ্ৰীত বুমৰাহ, মহম্মদ ছামি, মহম্মদ ছিৰাজ, উমেশ যাদব আৰু সৌৰভ কুমাৰ। ভাৰতৰ টি-20 দল ঃ ৰোহিত শৰ্মা (অধিনায়ক), ৰিতুৰাজ গাইকোৱাড, ইষান কিষান, সূৰ্যকুমাৰ যাদব, শ্ৰেয়াছ আয়াৰ, ভেংকটেশ আয়াৰ, দীপক হুদা, যশপ্ৰীত বুমৰাহ, ভূৱনেশ্বৰ কুমাৰ, হৰ্যল পেটেল, মহম্মদ চিৰাজ, সঞ্জু ছেমছন, যজবেন্দ্ৰ চাহাল, ৰবীন্দ্ৰ জাদেজা, কুলদ্বীপ যাদব, ৰবী বিষ্ণয় আৰু আভেছ খান। উল্লেখ্য যে ভাৰত ভ্ৰমণত শ্ৰীলংকা দলে প্ৰথমে তিনিখন টি-20 মেচ খেলাৰ পাছত দুখন টেষ্ট মেচ খেলিব। টি-20 মেচ তিনিখনৰ প্ৰথমখন লক্ষ্ণৌত 24 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। আনহাতে, পৰৱৰ্তী মেচদুখন 26-27 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব ধৰমশালাত। ইফালে, দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম মেচ চাৰিৰ পৰা আঠ মাৰ্চলৈ মোহালীত অনুষ্ঠিত হ'ব। আনহাতে, দ্বিতীয় টেষ্ট বাংগালুৰুত হ'ব 12-16 মাৰ্চত। দিবা-নৈশ হ'ব দ্বিতীয় টেষ্ট। উল্লেখ্য যে ভাৰত-শ্ৰীলংকাৰ দুখনীয়া টেষ্ট শৃংখলা আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ।

### ফাইনেলত যোৰহাটৰ বিৰুদ্ধে ধেমাজি

## জে কে বৰুৱা ট্ৰফীৰ খেলত মেচ ফিক্সিং ঃ এ চি এৰ তদন্ত ঘোষণা

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** মেচ ফিক্সিঙৰ অভিযোগ উঠা তথা অসম ক্ৰিকেট সন্থাই আয়োজন কৰা 19 বছৰ অনূৰ্ধ্ব আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা জে কে বৰুৱা ট্ৰফীৰ ফাইনেল খেলখন অহা 21-22 ফেব্ৰুৱাৰীৰ পৰা ফৰকাটিঙত অনুষ্ঠিত হ'ব। উল্লেখ্য যে ফাইনেলত যোৰহাটে খেলিব ধেমাজিৰ বিৰুদ্ধে। ইফালে, যোৰহাট আৰু ৰেলৱেৰ মেচখনক লৈ শিলচৰে যি মেচ ফিক্সিঙৰ অভিযোগ দিছে সেয়া তদন্ত ঘোষণা কৰিছে অসম ক্ৰিকেট সন্থাই। অহা 23 ফেব্ৰুৱাৰীত এই বিষয়ে অসম ক্ৰিকেট সন্থাই তিনিওখন জিলাৰ প্ৰতিনিধি, দলৰ মেনেজাৰ-অধিনায়ক, মেচৰ আম্পায়াৰদ্বয় লগতে প্ৰৰ্যবেক্ষক আৰু সাংসদ সুস্মিতা দেবক উপস্থিত হ'বলৈ পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখ্য যে সাংসদ সুস্মিতা দেবে মেচ ফিক্সিঙৰ অভিযোগ মুখ্যমন্ত্ৰীক তদন্ত কৰিবলৈ পত্ৰ দিছিল। উল্লেখ্য যে জে কে বৰুৱা ট্ৰফী 19 বছৰ অনূৰ্ধ্ব আন্ত:জিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ প্ৰতিখন মেচ দুদিনীয়াকৈ খেলোৱা হৈছে। অসম ক্ৰিকেট সন্থাই একেলগে দুখন ষ্টেডিয়ামত মেচ আয়োজন কৰিছে। গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰৰ লগতে ফৰকাটিং ক্ৰিকেট গ্ৰাউণ্ডতো হৈছে মেচ। স্মৰ্তব্য যে ফাইনেল ৰাউণ্ডলৈ মুঠ ছটা দল যোগ্যতা অৰ্জন কৰিছিল তথা এই ছটা দলক দুটা গ্ৰুপত ভাগ কৰা হৈছে। ইয়াৰে এটা গ্ৰুপত শিলচৰ, এন এফ ৰেলৱে আৰু যোৰহাট থকাৰ বিপৰীতে আনটো গ্ৰুপত আছে বৰপেটা, ধেমাজি আৰু নগাঁও। গ্ৰুপৰ বিজয়ী দল দুটাই এতিয়া ফাইনেল খেলিব।



## বৰ্ষাপাৰাত দিল্লীৰ বিৰুদ্ধে অগ্ৰগতি লাভ তামিলনাড়ুৰ

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত চলি থকা ৰঞ্জী ট্ৰফীৰ মেচত দিল্লীৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে তামিলনাডুই। উল্লেখ্য যে দিল্লীৰ 452 ৰাণৰ প্ৰত্যুত্তৰত আজি তামিলনাডুই 494 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ শ্বাহৰূখ খানে 194 আৰু বাবা ইন্দ্ৰজিতে 117 ৰাণ কৰে। উল্লেখ্য যে কালি দ্বিতীয় দিনাৰ খেলৰ অন্তত তামিলনাডুই দুটা উইকেট হেৰুৱাই 75 ৰাণ কৰিছিল। ইয়াৰপূৰ্বে ললিত যাদব (177] আৰু য়াছ ধুলৰ (113] শতকৰে দিল্লীয়ে 452 ৰাণত প্ৰথম ইনিংছ সামৰে। উল্লেখ্য যে দিল্লীৰ হৈ খেলা 19 বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেটৰ চেম্পিয়ন ভাৰতীয় দলৰ অধিনায়ক য়াছ ধুলে ৰঞ্জী ট্ৰফীৰ অভিষেক মেচতে শতক অৰ্জন কৰিছে। ৱেষ্টইণ্ডিজৰ পৰা চেম্পিয়ন ট্ৰফী লৈ অহাৰ পাছত প্ৰথমবাৰৰ বাবে গুৱাহাটীতে মেচ খেলিছে ধুলে। কাইলৈ মেচৰ অন্তিম দিন।



### অকলে যুঁজ দিয়া ৰিয়ান পৰাগৰ সন্মুখত আজি অন্তিম দিনা দলৰ পৰাজয় ৰোধ কৰাৰ প্ৰত্যাহ্বান

## মহাৰাষ্ট্ৰৰ বিৰুদ্ধে ফল'অন অসমৰ

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** ৰঞ্জী ট্ৰফীৰ প্ৰথমখন মেচতে ফল'অনৰ সন্মুখীন হৈ পৰাজয়ৰ সন্ধিক্ষণত উপনীত হৈছে অসম। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফীত এইবাৰ এলিট গ্ৰুপত খেলা অসমে প্ৰথম মেচতে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে মহাৰাষ্ট্ৰৰ বিৰুদ্ধে। মহাৰাষ্ট্ৰৰ 415 ৰাণৰ প্ৰত্যুত্তৰত অসমে আজি 248 ৰাণত প্ৰথম ইনিংছ সামৰে আৰু ফল'অনৰ সন্মুখীন হয়। ইফালে, তৃতীয় দিনাৰ খেলৰ অন্তত অসমে তিনিটা উইকেট হেৰুৱাইছে 82 ৰাণ কৰি। ইনিংছ পৰাজয়ৰ হাত সাৰিবলৈ অসম এতিয়াও 85 ৰাণ পিছ পৰি আছে। দ্বিতীয় ইনিংছত ঋষভ দাস (34] , শুভম মণ্ডল (8] আৰু গকুল শৰ্মা (0] আউট হোৱাৰ বিপৰীতে দিনান্তত উইকেটত আছে ৰিয়ান পৰাগ (35] আৰু স্বৰূপম পুৰকায়স্থ (2] ¼ ইয়াৰপূৰ্বে আজি অসমে কালিৰ দুটা উইকেট হেৰুৱাই কৰা 81 ৰাণৰ পৰা প্ৰথম ইনিংছ আৰম্ভ কৰে আৰু 248 ৰাণত অলআউট হয়। ৰিয়ানে 88, শুভমে 49 আৰু কুনাল শইকীয়াই 46 ৰাণ কৰে। ব্যৰ্থ হয় ঋষভ (14] , গকুল (5] , স্বৰূপম (5] আৰু ছাহিল (4] ¼ উল্লেখ্য যে হাৰিয়ানাৰ বংশীলাল ক্ৰিকেট ষ্টেডিয়ামত হোৱা মেচখনত অসমে টছত জয়ী হৈ ফিল্ডিং কৰাৰ সিদ্ধান্ত লয় যদিও সুযোগ ল'ব নোৱাৰিলে। প্ৰথমদিনা মহাৰাষ্ট্ৰই পাঁচ উইকেট হেৰুৱাই 278 ৰাণ কৰি দৃঢ় আৰম্ভনি কৰাৰ পাছত দলে 415 ৰাণত প্ৰথম ইনিংছ সামৰে। উল্লেখ্য যে এই মেচত ৰঞ্জী অভিষেক কৰা মহাৰাষ্ট্ৰৰ অপেনিং বেটছমেন পৱন শ্বাহে (219] দ্বিশতক অৰ্জন কৰে। ইফালে, অসমৰ মুখতাৰ হুছেইনে পাঁচটা তথা অৰূপ দাস আৰু ৰনজিত মালিয়ে দুটাকৈ উইকেট পায়। অভিষেক কৰা অম্লানজ্যোতি দাসে এটা উইকেট দখল কৰে। উল্লেখ্য যে এইবাৰ অসমে গ্ৰুপত প্ৰতিদ্বন্দ্বী হিচাপে পাইছে চেম্পিয়ন বিদৰ্ভ, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰক। 17-20 ফেব্ৰুৱাৰীলৈ অসমে মহাৰাষ্ট্ৰৰ বিৰুদ্ধে প্ৰথম মেচ খেলাৰ বিপৰীতে 24-27 ফেব্ৰুৱাৰীলৈ দ্বিতীয় মেচত অসম মুখামুখি হ'ব উত্তৰ প্ৰদেশৰ। আনহাতে, বিদৰ্ভৰ বিৰুদ্ধে অসমে তৃতীয়খন মেচ খেলিব তিনিৰ পৰা ছয় মাৰ্চলৈ। অসমে তিনিওখন মেচেই খেলিব বংশীলাল ক্ৰিকেট ষ্টেডিয়ামত।

## নেহৰু ষ্টেডিয়ামত চত্তিছগড়ৰ বিৰুদ্ধে পৰাস্ত ঝাৰখণ্ড

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফীৰ এটা গ্ৰুপৰ মেচ অনুষ্ঠিত হৈছে গুৱাহাটীতো। অসম ক্ৰিকেট সন্থাই বৰ্ষাপাৰা ষ্টেডিয়াম আৰু নেহৰু ষ্টেডিয়ামত ৰঞ্জী ট্ৰফীৰ মেচ অনুষ্ঠিত কৰিছে। গুৱাহাটীত খেলা দল চাৰিটা হ'ল তামিলনাডু, দিল্লী,ঝাৰখণ্ড আৰু চত্তিছগড়। উল্লেখ্য যে নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত ৰঞ্জী ট্ৰফীৰ মেচত ঝাৰখণ্ডে তিনিদিনতে পৰাজয়ৰ সন্মুখীন হৈছে চত্তিছগড়ৰ বিৰুদ্ধে। উল্লেখ্য যে মেচখনত প্ৰথমদিনা ঝাৰখণ্ডে 169 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত দিনান্তত চত্তিছগড়ে বেটিং কৰি চাৰি উইকেটত 135 ৰাণ কৰিছিল প্ৰথম ইনিংছত। দ্বিতীয়দিনা দলে 174 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত ঝাৰখণ্ডে দ্বিতীয় ইনিংছত কৰে 133 ৰাণ। সেয়ে চত্তিছগড়ক বিজয়ৰ বাবে প্ৰয়োজন হয় 129 ৰাণ। দ্বিতীয় দিনাৰ খেলৰ অন্তত দলে দুটা উইকেট হেৰুৱাই 62 ৰাণ কৰাৰ পাছত আজি 129-2 ৰাণ কৰি আঠ উইকেট জয়ী হয় আৰু ছয় পইণ্ট লাভ কৰে।

## প্ৰথম টেষ্টত নিউজিলেণ্ডৰ বিৰুদ্ধে পৰাস্ত দক্ষিণ আফ্ৰিকা

**ক্ৰিছচাৰ্চ, ১৯ ফেব্ৰুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা টেষ্ট শৃংখলাৰ প্ৰথম মেচতে ইনিংছ পৰাজয়ৰ সন্মুখীন হৈছে। তিনিদিনতে সমাপ্ত হোৱা মেচখনত নিউজিলেণ্ডে এক ইনিংছ আৰু 276 ৰাণৰ বিশাল ব্যৱধানত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাক। উল্লেখ্য যে প্ৰথম টেষ্টৰ প্ৰথমদিনা পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই মাত্ৰ 95 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। দক্ষিণ আফ্ৰিকাৰ এই বিপৰ্যয়ৰ মূলতে হ'ল নিউজিলেণ্ডৰ পেচ বলাৰ মাট হেনৰীৰ বিধ্বংসী বলিং। মাত্ৰ 23 ৰাণত সাতটা উইকেট দখল কৰে হেনৰীয়ে। ইফালে, প্ৰথমদিনাৰ খেলৰ অন্তত নিউজিলেণ্ডে বেটিং কৰি প্ৰথম ইনিংছত তিনিটা উইকেট হেৰুৱাই 116 ৰাণ কৰাৰ পাছত দলে 482 ৰাণত অলআউট হয়। নিকলছে কৰে 105 ৰাণ। দ্বিতীয়দিনাৰ খেলৰ অন্তত দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছ আৰম্ভ কৰি তিনিটা উইকেট হেৰুৱাই 34 ৰাণত। আজি দলে 111 ৰাণত অলআউট হৈ পৰাজয় স্বীকাৰ কৰে। নিউজিলেণ্ডৰ ছাউথীয়ে পাঁচটা উইকেট পায়। মেচৰ শ্ৰেষ্ঠ হয় হেনৰী।



## আজি ভাৰত-ৱেষ্টইণ্ডিজৰ তৃতীয় টি-২০



**কলকাতা, ১৯ ফেব্ৰুৱাৰী ঃ** ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া টি-20 শৃংখলাৰ তৃতীয়খন মেচ কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে কলকাতাৰ ইডেন গাৰ্ডেনত হ'বলগা এই মেচত জয়লাভ কৰিলেই টীম ইণ্ডিয়াই তিনিখনীয়া টি-20 শৃংখলাটো ৱেষ্টইণ্ডিজক হোৱাই ৱাছ কৰিব। ইতিমধ্যে ইডেন গাৰ্ডেনত অনুষ্ঠিত হৈ যোৱা প্ৰথম দুখন মেচখনত ভাৰতে জয়লাভ কৰি তিনিখনীয়া টি-20 শৃংখলাত 2-0 ৰ অগ্ৰগতি লৈ শৃংখলা দখল কৰিছে। উল্লেখ্য যে প্ৰথম মেচত ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত 20 অভাৰত সাত উইকেটত সংগ্ৰহ কৰিছিল 157 ৰাণ। কিন্তু এই লক্ষ্য হেলাৰঙে পূৰ্ণ কৰে ভাৰতীয় বেটছমেনে। বিজয়ৰ বাবে 158 ৰাণ অনুসৰণ কৰা ভাৰতে 18.5 অভাৰত চাৰি উইকেট হেৰুৱাই 162 ৰাণ কৰি ছয় উইকেটত সহজ জয় সাব্যস্ত কৰে। যোৱানিশা দ্বিতীয় মেচত ভাৰতে (186-5] আঠ ৰাণত পৰাস্ত কৰে ৱেষ্টইণ্ডিজক (178-3] ¼ ভাৰতৰ হৈ বিৰাট কোহলি আৰু ঋষভ পণ্টে 52 ৰাণকৈ কৰাৰ বিপৰীতে শ্ৰেয়াছ আয়াৰে কৰে 33 তথা ৰোহিত শৰ্মাই 19 ৰাণৰ অৱদান আগবঢ়ায়। এদিনীয়া শৃংখলা 3-0 ত দখল কৰা ভাৰতীয় ক্ৰিকেট দলে এতিয়া কেৰিবিয়ান দলৰ বিৰুদ্ধে তিনিখনীয়া টি-20 শৃংখলাটোও 3-0 ত দখল কৰাৰ লক্ষ্য লৈছে। উল্লেখ্য যে ভাৰতীয় দলৰ অধিনায়ক ৰোহিত শৰ্মাই ইতিপূৰ্বে ব্যক্ত কৰিছে যে এই শৃংখলাৰ পৰাই ভাৰতে আসন্ন টি-20 বিশ্বকাপৰ প্ৰস্তুতি আৰম্ভ কৰিব। ভাৰতৰ টি-20 মেচৰ শৃংখলাৰ দলটো ঃ ৰোহিত শৰ্মা (অধিনায়ক), ৰিতুৰাজ গাইকোৱাড, ইযান কিষান, বিৰাট কোহলি, সূৰ্যকুমাৰ যাদৱ, শ্ৰেয়াছ আয়াৰ, ঋষভ পণ্ট, ভেংকটেশ আয়াৰ, দীপক চাহাৰ, ছাৰ্দুল ঠাকুৰ, ৰবী বিষ্ণয়, দীপক হুদা, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদব, মহম্মদ চিৰাজ, ভূৱনেশ্বৰ কুমাৰ, হাৰ্যল পেটেল আৰু আভেশ খান।

### প্ৰথম কনকলতা বৰুৱা ট্ৰফী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা

## ফাইনেলত ৰেলৱে-লখিমপুৰৰ মহিলা দল

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** চলিত প্ৰথম কনকলতা বৰুৱা ট্ৰফী আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন ৰেলৱে আৰু লখিমপুৰৰ মাজত অনুষ্ঠিত হ'ব। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাই আমিনগাঁৱৰ ক্ৰিকেট গ্ৰাউণ্ডত চলিত কনকলতা বৰুৱা ট্ৰফী প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন অহা 21 ফেব্ৰুৱাৰীত অনুষ্ঠিত কৰিব। আজি অনুষ্ঠিত হোৱা ছেমিফাইনেলত জয়ী হৈ খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয় ৰেলৱে আৰু লখিমপুৰ। জজ খেলপথাৰত হোৱা ছেমিফাইনেলত বোকাখাত (119-9] 75 ৰাণত পৰাস্ত হয় ৰেলৱেৰ (197-4] বিৰুদ্ধে। আনহাতে, এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা আনখন ছেমিফাইনেলত নগাঁও (68-10] 153 ৰাণত পৰাস্ত হয় লখিমপুৰৰ বিৰুদ্ধে। উল্লেখ্য যে প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাত ৰাজ্যৰ মুঠ 18 টা দলে অংশগ্ৰহণ কৰিছিল। 18 টা দলক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে। খেলসমূহ 30 অভাৰকৈ কৰা হয়। মহিলা ক্ৰিকেটক গুৰুত্ব দিয়া অসম ক্ৰিকেট সন্থাই প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতা প্ৰতিদিনে তিনিখনকৈ মেচ আয়োজন কৰিছিল। এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়াম, জজ খেলপথাৰ আৰু আমিনগাঁৱৰ ক্ৰিকেট গ্ৰাউণ্ডত হয় প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ খেল।

### পাঁচখনীয়া টি-২০ শৃংখলাত ৪-০ ৰ অগ্ৰগতি কেংগাৰুৰ

## আজি শ্ৰীলংকাক হোৱাইট ৱাছৰ লক্ষ্য অষ্ট্ৰেলিয়াৰ



**কেনবেৰা, ১৯ ফেব্ৰুৱাৰী ঃ** চলিত পাঁচখনীয়া টি-20 শৃংখলাত শ্ৰীলংকাক হোৱাইট ৱাছ কৰাৰ লক্ষ্য লৈছে অষ্ট্ৰেলিয়াই। কাইলৈ অনুষ্ঠিত হ'ব পঞ্চমখন মেচ। উল্লেখ্য যে অষ্ট্ৰেলিয়াই শ্ৰীলংকাৰ বিৰুদ্ধে খেলা পাঁচখনীয়া টি-20 শৃংখলাৰ চতুৰ্থখন মেচতো ছয় উইকেটত জয়লাভ কৰিছে। লগতে ব্যৱধান 4-0 কৰে। শ্ৰীলংকাই 139-8 ৰাণ কৰাৰ পাছত অষ্ট্ৰেলিয়াই 143-4 ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে অষ্ট্ৰেলিয়াই 3-0 ৰ অগ্ৰগতিৰে শৃংখলা দখল নিশ্চিত কৰিছিল। তৃতীয় মেচতো অষ্ট্ৰেলিয়াই ছয় উইকেটত পৰাস্ত কৰিছিল শ্ৰীলংকাক। পোনতে বেটিং কৰি শ্ৰীলংকাই ডুছানৰ 39 ৰাণৰ সহায়ত ছয় উইকেটত কৰে 121 ৰাণ। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই চাৰি উইকেটত 124 ৰাণ কৰি শৃংখলাত ক্ৰমাগত তৃতীয় জয় অৰ্জন কৰে। দলৰ হৈ মেক্সৱেলে 39 আৰু এৰন ফিন্সে 35 ৰাণ কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়া ভ্ৰমণৰ পাছতে শ্ৰীলংকা দল আহিব ভাৰতলৈ। ভাৰত ভ্ৰমণত শ্ৰীলংকা দলে প্ৰথমে তিনিখন টি-20 মেচ খেলাৰ পাছত দুখন টেষ্ট মেচ খেলিব। টি-20 মেচ তিনিখনৰ প্ৰথমখন লক্ষ্ণৌত 24 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। আনহাতে, পৰৱৰ্তী মেচদুখন 26-27 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব ধৰমশালাত। ইফালে, দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম মেচ চাৰিৰ পৰা আঠ মাৰ্চলৈ মোহালীত অনুষ্ঠিত হ'ব। আনহাতে, দ্বিতীয় টেষ্ট বাংগালুৰুত হ'ব 12-16 মাৰ্চত।



